দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৪ মাৰ্চ, বৃহস্পতিবাৰ ২০২২ পৃষ্ঠা তিনি



সকপথাৰত ছহিদ দিৱস পালন, বুধবাৰে।

## গোৱালপাৰাৰ তিনি সাৰৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ

খুচুৰা কৃষি ব্যৱসায়ী সন্থাৰ সাৰ বিক্ৰী নকৰাৰ সিদ্ধান্ত ঃ মুখ্যমন্ত্ৰীলৈ স্মাৰক প্ৰদান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ মাৰ্চ ঃ** অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ (চি আই ডি)এ ইউৰিয়া সাৰ কেলেংকাৰিত জড়িত থকাৰ অভিযোগত গোৱালপাৰা জিলাৰ তিনিজন খুচুৰা ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ পাছতে চিন্তিত হৈ পৰিছে ব্যৱসায়ীসকল। প্ৰায় ডেৰ লক্ষাধিক কৃষক পৰিয়াল থকা ছয় পৃষ্ঠাত চাওক

## বিশ্বনাথত ম'হৰ ছাল-অংগ-প্ৰত্যংগসহ এজনক গ্ৰেপ্তাৰ

### খাদ্যৰ সন্ধানত ওলাই অহা কাজিৰঙাৰ ম'হৰে ভোজভাত

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৩ মাৰ্চ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া ম'হ বধ কৰি বন বিভাগৰ জালত পৰিছে বিশ্বনাথ চাৰিআলিৰ এজন লোক। বনৰীয়া ম'হৰ ছাল আৰু অংগ-প্ৰত্যংগসহ বন বিভাগৰ জালত পৰা লোকজন বিশ্বনাথ চাৰিআলিৰ বালিডুবিৰ ৰহমত আলী। তথ্য মতে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বালিডুবিলৈ প্ৰায়ে খাদ্যৰ সন্ধানত ওলাই আহে বহু বন্যপ্ৰাণী। কিন্তু একাংশ মাংসলোভী লোকে এই বন্যপ্ৰাণী পুনৰ কাজিৰঙাৰ দিশে ট্ৰেক্টৰৰ সহায়ত খেদাৰ নামত বন্যপ্ৰাণীবোৰক ট্ৰেক্টৰৰে আঘাত কৰি পাছত সেয়া বধ কৰি ভক্ষণ কৰি আহিছে। কালিও বালিডুবি অঞ্চলত খাদ্যৰ সন্ধানত ওলাই অহা এটা প্ৰকাণ্ড ম'হ ট্ৰেক্টৰেৰে আঘাত কৰি নিশাৰ ভিতৰতে ভোজভাত খায় একাংশ লোকে। ইতিমধ্যে এই খবৰ বিয়পি পৰাত আজি বিশ্বনাথ জিলা বন্যপ্ৰাণী সংমণ্ডলৰ বন বিষয়া ইকবাল হুছেইনৰ নেতৃত্বত আৰু বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাৰ সহযোগত অভিযান চলাই ম'হটোৰ ছাল আৰু অংগ-প্ৰত্যংগসহ ৰহমতক গ্ৰেপ্তাৰ কৰে। আনহাতে, এই ঘটনাৰ মূল অভিযুক্ত হজৰত আলী আৰু আন কে'বাজনো পলাতক অৱস্থাত আছে। অৱশ্যে ঘটনাত ব্যৱহৃত ট্ৰেক্টৰখন জব্দ কৰিছে আৰক্ষীয়ে।

## ■ পিআৰএল কোম্পানীৰ আলকতৰাৰ ক'লা ধোঁৱাই ছানি ধৰিছে বৃহত্তৰ অঞ্চল

# নগাঁৱৰ পুৰণিগুদাম কাষৰি গাঁৱত ভয়াৱহ প্ৰদূষণ



বিশেষ সংবাদদাতা

**নগাঁও, ২৩ মাৰ্চ ঃ** পথ নিৰ্মাণকাৰী সংস্থাৰ মইমতালিৰ বাবে এতিয়া দুৰ্ভোগ ভুগিছে নগাঁৱৰ সাধাৰণ জনতাই। নগাঁও জিলাৰ পুৰণিগুদামৰ কাষৰিগাঁও, কলংপাৰ, হালোৱাগাঁও আদি বৃহত্তৰ অঞ্চলৰ ৰাইজৰ জীৱন তথা জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে চাৰিলেনযুক্ত ঘাইপথ নিৰ্মাণত নিয়োজিত পিআৰএল কোম্পানীয়ে। প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড থকাৰ পাছতো ভয়াৱহ প্ৰদূষণে পুৰণিগুদামৰ বিভিন্ন অঞ্চল ছানি ধৰিছে। দিন-ৰাতি একাকাৰ কৰি কোম্পানীটোৱে কাষৰিগাঁৱত ভয়াৱহ প্ৰদূষণ চলাই গৈছে যদিও আজি পৰ্যন্ত প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড আৰু নগাঁও জিলা প্ৰশাসনে কোম্পানীটোৰ ওপৰত কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। দিনে-নিশাই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত নিয়োজিত কোম্পানী পি.আৰ.এলৰ আলকতৰা গলোৱা এটা বৃহৎ যন্ত্ৰৰ পৰা অস্বাভাৱিক ভাৱে নিৰ্গত হোৱা ক'লা ধোঁৱায়ে এতিয়া বিপদত পেলাইছে অঞ্চলবাসী ৰাইজক । সকলো নীতি-নিয়ম মোহাৰি নিজ খেয়ালখুচি মতে কোম্পানীয়ে দিনে-নিশাই কৰা এনে ভয়াবহ বায়ু প্ৰদূষণৰ কবলত পৰি শিশুৰ লগতে বহু বৃদ্ধ লোকো ৰোগত আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছে। কিন্তু ইমানৰ পাছতো ৰাইজৰ আবেদন-নিবেদন, প্ৰতিবাদ আদিৰ প্ৰতি আওকাণ কৰি কোম্পানী কৰ্তৃপক্ষই চলাই গৈছে ভয়াৱহ প্ৰদূষণ। উল্লেখ্য যে মইমতালিৰ চৰম সীমা অতিক্ৰম কৰা পি.আৰ.এল. কোম্পানীৰ বিৰুদ্ধে এতিয়া নগাঁও জিলা প্ৰশাসন আৰু প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষ্যণীয় হ'ব ।

## ■ তেজপুৰত লাটমণ্ডলৰ বিৰুদ্ধে অভিযোগ ■

### অভিযোগৰ পাছতো বাহাল তবিয়তে লাট মণ্ডল

# গৰাকীৰ অজ্ঞাতে ভূমি বিক্ৰী

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৩ মাৰ্চ ঃ** ভূমি দালালৰ বিৰুদ্ধে চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণৰ সময়তে তেজপুৰত একাংশ দালালে এতিয়াও চলাই আছে দালালি। তেজপুৰত গৰাকীৰ অজ্ঞাতে একাংশ দালালে জালিয়াতিৰে আনক মাটি বিক্ৰী কৰি ভূমিৰ প্ৰকৃত গৰাকী আৰু ক্ৰেতাক বিপদত পেলোৱাৰ একাধিক ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে উক্ত দুষ্কাৰ্যত একাংশ মণ্ডল দীৰ্ঘদিনৰ পৰাই জড়িত থকাৰ অভিযোগ উত্থাপিত হৈ আহিছে। আনকি মাটিৰ প্ৰকৃত গৰাকীক বিভিন্ন আইনী মেৰপেচৰ কথাৰ জালিয়াতিৰে মাটি বিক্ৰী কৰোতাক সুৰক্ষিত আৰু ক্ৰয় কৰা লোকক ধনৰ বিনিময়ত আত্মীয় বুলিবলৈও কুণ্ঠাবোধ নকৰা এনে চৰম দুৰ্নীতিপৰায়ণ মণ্ডলে পূৰ্বৰে পৰা এইপৰ্যন্ত শাসনত থকা যিকোনো ৰাজনৈতিক দলৰে নেতা-পালিনেতাৰ সহায়ত দুষ্কাৰ্য অব্যাহত ৰখাৰ সুযোগ লাভ কৰি আহিছে। শেহতীয়াকৈ তেজপুৰৰ হলেশ্বৰ মৌজাৰ শইকীয়া চুবুৰি ডেকাৰগাঁৱৰ ২৭৯ নম্বৰ ম্যাদী পট্টাৰ ৯৩৭নম্বৰ দাগৰ তিনিকঠা ৮.৭ লেচা মাটি গৰাকীৰ অজ্ঞাতেই বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈছে। লক্ষ্যণীয় কথা এয়ে যে ইয়াৰ বিষয়ে মাটিৰ প্ৰকৃত গৰাকীয়ে ভূকে পোৱা নাই। উল্লেখ্য যে এই সকলো কাৰ্যৰ স'তে তেজপুৰ সদৰ ৰাজহ চক্ৰৰ মণ্ডলো জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। তেজপুৰৰ ৰঙাপুখুৰী পাৰ অঞ্চলৰ নিৰ্মালী কলিতা আৰু দিপালী কলিতাই এই সন্দৰ্ভত শোণিতপুৰৰ উপায়ুক্তৰ লগতে তেজপুৰ সদৰ ৰাজহ চক্ৰ বিষয়াক দাখিল কৰা অভিযোগ মতে, তিনি ছয় পৃষ্ঠাত চাওক

## কুম্ভকৰ্ণ নিদ্ৰাত মৰিগাঁও জলসম্পদ বিভাগ

# মৈৰাবাৰীত জৰাজীৰ্ণ ৩৫০০ মিটাৰ মথাউৰি আজিও মেৰামতি নহ'ল



অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৩ মাৰ্চ ঃ** জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই এইবাৰ মৰিগাঁও আৰু ধেমাজি জিলাক বানমুক্ত কৰি সমগ্ৰ অসমৰ ৫০ শতাংশ বানপানী হ্ৰাস কৰাৰ সপোন দেখিছে যদিও সেয়া যেন এক অলিক কল্পনাত পৰিণত হ'ব গৈ আছে। কিয়নো জলসম্পদ মন্ত্ৰীৰ গৃহ জিলা মৰিগাঁৱতে আগন্তুক বৰ্ষত বানে ভয়ানক পৰিস্থিতি সৃষ্টি কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। সম্প্ৰতি মৰিগাঁও জিলাৰ মায়ং আৰু ভূৰাগাঁও ৰাজহ চক্ৰ দুটাক সামৰি নাবাৰ্ডৰ ৫৮.২৪ কোটি পুঁজিৰে ১৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ বৃহৎ মথাউৰিটোৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে আগবাঢ়িছে যদিও জিলাখনৰ মৈৰাবাৰীত থকা মথাউৰিটো মেৰামতি নহ'লে নাবাৰ্ডৰ এই কোটিটকীয়া মথাউৰিটো নিৰৰ্থক হৈ পৰিব। অৱশ্যে নাবাৰ্ডৰ পুঁজিৰে নিৰ্মীয়মান মথাউৰিটো হৈ উঠিলে ভূৰাগাঁও ৰাজহ চক্ৰৰ পশ্চিম অংশদি পূৰ্বৰ দৰে ব্ৰহ্মপুত্ৰৰ পানী সোমাব নোৱাৰিব। ছয় পৃষ্ঠাত চাওক

## গাঁওৰক্ষী বাহিনীৰ তৎপৰতাত নামতিত ড্ৰাগছ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নামতি, ২৩ মাৰ্চ ঃ** আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গণক অভয়পুৰীয়া আৰু টিঙিৰিপাম অভয়পুৰীয়া গাঁওৰক্ষী বাহিনীৰ তৎপৰতাত আজি নামতি চাৰিআলি টিঙিৰিপাম গাঁৱত ড্ৰাগছ উদ্ধাৰ কৰে। গণক অভয়পুৰীয়া গাঁওৰক্ষী বাহিনীৰ সম্পাদক শ্যামলজ্যোতি গগৈয়ে জানিবলৈ দিয়া মতে, গাঁওখনৰ ৰাজকুমাৰ ৰবিদাস নামৰ লোকজনৰ ঘৰত ড্ৰাগছসহ ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰত অবৈধভাৱে মাটি সৰবৰাহ কৰা তিনিখন মিনি ডাম্পাৰ-এখন এক্সাভেটৰ জব্দ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** শিৱসাগৰ জিলা বন বিভাগৰ বনাঞ্চলিক বিষয়া বুবুল বৰুৱা নেতৃত্বত বনপালক কাশী খনিকৰ, দুলাল পেগুৰ স'তে যোৱা বন বিভাগৰ এটি দলে কালি পানবেচাৰ ধোপাবৰীয়া অঞ্চলৰ পৰা তিনিখন মিনি ট্ৰাক আৰু এখন এক্সেভেটৰ জব্দ কৰে। ছয় পৃষ্ঠাত চাওক

## তৃতীয় ষাণ্মাসিকৰ পৰীক্ষাত চতুৰ্থ ষাণ্মাসিকৰ প্ৰশ্নকাকত

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ টোগলকী কাণ্ড ঃ আধাতে বন্ধ কৰিলে স্নাতক মহলৰ পৰীক্ষা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৩ মাৰ্চ ঃ** প্ৰশ্নকাকতৰ চৰম বিসংগতিৰ বাবে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত ক'লা আৰু বাণিজ্য শাখাৰ স্নাতক তৃতীয় ষাণ্মাসিকৰ পৰীক্ষা আধাতে বন্ধ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাত বৌদ্ধিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিতৰ্কই লগ নেৰা পূব অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তত্ত্বাৱধানত আজি অনুষ্ঠিত হৈছিল কলা আৰু বাণিজ্য শাখাৰ স্নাতক তৃতীয় ষাণ্মাসিকৰ অসমীয়া বিষয়ৰ প্ৰশ্ন কাকত। কিন্তু কৰ্তৃপক্ষৰ ভুলৰ বাবে প্ৰশ্নকাকতত তৃতীয় ষাণ্মাসিকৰ বিষয়ৰ পৰিৱৰ্তে পৰীক্ষাগৃহত ছাত্ৰ-ছাত্ৰীলৈ চতুৰ্থ ষাণ্মাসিকৰ পাঠ্যক্ৰমৰ কাকত অহাত বিপাঙত পৰে পৰীক্ষাৰ্থীসকলে। তৃতীয় ষাণ্মাসিকৰ পৰীক্ষাত 'অসমীয়া সাহিত্যৰ চানেকি' শীৰ্ষক বিষয়ক প্ৰশ্নকাকতৰ বিপৰীতে চতুৰ্থ ষাণ্মাসিকৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ শীৰ্ষক বিষয়ৰ প্ৰশ্নকাকতহে আহে। যাৰ বাবে পৰীক্ষাৰ্থীয়ে মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত ছয় পৃষ্ঠাত চাওক

## উচিতা গাঁৱত কৃষি বান্ধ নিৰ্মাণৰ কামতো অনিয়ম

# ৰূপসী উন্নয়ন খণ্ডৰ গাইখোৱা পঞ্চায়তত ব্যাপক দুৰ্নীতিৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**আগমনী, ২৩ মাৰ্চ ঃ** ধুবুৰী জিলাৰ ৰূপসী উন্নয়ন খণ্ডৰ গাইখোৱা গাঁও পঞ্চায়তৰ উন্নয়নমূলক আচঁনিৰ কামত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে । বিভাগীয় কৰ্তৃপক্ষৰ পৃষ্ঠপোষকতাত পঞ্চায়ত প্ৰতিনিধিয়ে উন্নয়নমূলক কামৰ বাবে গ্ৰহণ কৰা আচঁনিৰ ধনেৰে সামান্য কাম কৰি ব্যাপক হাৰত লুণ্ঠন চলোৱা বুলি অভিযোগ উঠিছে। অসম চৰকাৰ দুৰ্নীতি বিৰুদ্ধে কঠোৰ হোৱাৰ বিপৰীতে ৰূপসী উন্নয়ন খণ্ডৰ গাইখোৱা গাঁও পঞ্চায়তত চলি থকা ব্যাপক অনিয়ম আৰু দুৰ্নীতিয়ে ৰাইজক ক্ষোভিত কৰি তুলিছে। গাইখোৱা গাঁও পঞ্চায়তৰ উচিতা গাঁৱত এম জি এনৰেগা আচঁনিৰ ২০-২০২১ বিত্তীয় বৰ্ষৰ এ পি ফাণ্ডৰ ধনেৰে মতিয়ৰ ৰহমানৰ ঘৰৰ পৰা প্ৰফুল্ল ৰায়ৰ ঘৰলৈ কৃষি বান্ধ নামকৰণেৰে ৰাস্তাৰ মেৰামতিৰ বাবে ৮,০৭,২৩২ টকাৰ আচঁনি গ্ৰহণ কৰা হয় । কিন্তু পঞ্চায়ত প্ৰতিনিধিয়ে পথছোৱাৰ ওপৰত সামান্য কাম কৰিয়ে আচঁনিৰ সমুদায় ধন আত্মসাতৰ অভিসন্ধি কৰা বুলি গাঁওবাসীৰ অভিযোগ। অভিযোগ মতে, পথছোৱাৰ ছয় পৃষ্ঠাত চাওক

## নলবাৰী জিলা পথ সুৰক্ষা সমিতিৰ সভা সম্পন্ন

# অনুমতি নথকা ই-ৰিক্সাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ উপায়ুক্তৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৩ মাৰ্চ ঃ** নলবাৰী জিলা পথ সুৰক্ষা সমিতিৰ ২০২২ৰ প্ৰথমখন সভা আজি নলবাৰী জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত গীতিমণি ফুকনৰ অধ্যক্ষতাত আৰু জিলা পৰিবহণ বিষয়া সীমান্ত কুমাৰ বৰাৰ উদ্যোগত অনুষ্ঠিত হয়। জিলাখনত সংঘটিত হৈ থকা বিভিন্ন ধৰণৰ পথ দুৰ্ঘটনাকে ধৰি এনে দুৰ্ভাগ্যজনক ঘটনাৰ উৎস বা কাৰণ আৰু তথা প্ৰতিকাৰ আদি বিভিন্ন বিষয় সম্বন্ধে সমিতিখনৰ সকলো সদস্যৰ উপস্থিতিত আলোচনা কৰা হয়। ইয়াৰ উপৰিও জিলাখনৰ দুৰ্ঘটনা প্ৰৱণতা থকা ঠাইসমূহ বাছি উলিয়াই তাত প্ৰয়োজন অনুসৰি সংকেট লগোৱাৰ তথা গতিৰোধকৰ ব্যৱস্থাৰ কথাও আলোচনা কৰা হয়। ছয় পৃষ্ঠাত চাওক

## শোণিতপুৰৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ১২০ বিদ্যালয়ৰ পৰিচালনা সমিতিক সম্বৰ্ধনা



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৩ মাৰ্চ ঃ** শোণিতপুৰৰ ১২০ টা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ১০-২০ খন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মাজৰ ১২০ খন বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সদস্য সচিবক শোণিতপুৰ জিলা প্ৰশাসনে শিক্ষা বিভাগৰ জৰিয়তে আজি বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, বিগত তিনি বছৰে বিদ্যালয়ত মাহেকীয়া সভা আয়োজন কৰাৰ ক্ষেত্ৰত সক্ৰিয়তা, মধ্যাহ্ন ভোজনত সক্ৰিয়তা, সামাজিক হিচাপ পৰীক্ষাত সক্ৰিয় অংশগ্ৰহণ আদিবোৰ দিশত পাৰদৰ্শিতাৰ পৰিচয় দিয়াৰ ক্ষেত্ৰত জিলা শিক্ষা বিভাগে এনে বিদ্যালয় নিৰ্বাচন কৰাৰ ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰত কেন্দ্ৰীয় জাকাত সংগ্ৰহ- বিতৰণ সমিতি গঠন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** শিৱসাগৰ প্ৰগেচিভ একাডেমিৰ প্ৰাংগণত কালি কেন্দ্ৰীয় জাকাত সংগ্ৰহ আৰু বিতৰণ সমিতিখন গঠন কৰা হয়। এই উদ্দেশ্যে অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে আলহাজ ড° মণিৰুল হুদাই। কমৰুদ্দিন আহমেদে আঁতঁৰা সভাখনত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। জাকাত সংগ্ৰহৰ বৃদ্ধি, শিক্ষাৰ ক্ষেত্ৰত সাহাৰ্য, দৰিদ্ৰতা নিৰ্মূলকৰণত বিভিন্ন ধৰণৰ আঁচনিৰ প্ৰস্তাৱ গ্ৰহণ ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাত পেটফলা অৱস্থাত মানসিক ভাৰসাম্যহীন লোকক উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ মাৰ্চ ঃ** এজন মানসিক বিকাৰগ্ৰস্ত লোকক পেটফলা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই গোৱালপাৰা চহৰত আজি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, জিলাখনৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত সোণাপুৰ নতুনবস্তি (লেচু বাগান)ৰ জেলাল হক নামৰ মানসিক বিকাৰগ্ৰস্ত লোকজনে যোৱা ১৯ ফেব্ৰুৱাৰীৰ ৰাক্ষসিনীত সম্পৰ্কীয়ৰ বিয়া খাবলৈ গৈ সন্ধানহীন হৈছিল। ইফালে, আজি পুৱা চহৰখনৰ নতুন বজাৰত লোকজনক অসুস্থ অৱস্থাত উদ্ধাৰ কৰা হয়। পাছত আৰক্ষীক খবৰ দিয়াত লোকজনৰ তল পেট ফালি থকা অৱস্থাত উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। প্ৰথম অৱস্থাত দুষ্কৃতিকাৰীয়ে তেওঁৰ অংগ লৈ যোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছিল যদিও চিকিৎসকে ছ'ন'গ্ৰাফী কৰাৰ পৰামৰ্শ দিয়ে। অৱশ্যে গোৱালপাৰা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাই সংবাদ মাধ্যমৰ আগত ছ'ন'গ্ৰাফীৰ প্ৰতিবেদনত লোকজনৰ অংগৰ কোনো ক্ষতি হোৱা নাই বুলি সদৰী কৰে। বৰ্তমান সুস্থ অৱস্থাত থকা লোকজনৰ কি কাৰণত কেনেকৈ পেট ফালিলে সেই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# নাজ্‌ৰা চুলতানাৰ কবিতা সংকলন 'বিদীৰ্ণ হৃদয়' উন্মোচন



**গুৱাহাটী, ২৩ মাৰ্চ ঃ** আজি অগ্ৰদূত ভৱনৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত লেখিকা নাজ্‌ৰা চুলতানাৰ কবিতা সংকলন 'বিদীৰ্ণ হৃদয়' উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। কবিতা পুথিখন উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা 'দৈনিক অগ্ৰদূত' কাকতৰ মুখ্য সম্পাদক কনকসেন ডেকাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট বিজ্ঞানী, সুলেখক ড° পদ্মপাণি মহন্ত, বিশিষ্ট সাহিত্যিক ভূপেন্দ্ৰ ৰায় চৌধুৰী। অনুষ্ঠান সঞ্চালনা কৰে প্ৰাক্তন প্ৰশাসনীয় বিষয়া-সুলেখক থানেশ্বৰ মালাকাৰে। 'বিদীৰ্ণ হৃদয়' উন্মোচন কৰি ডেকাই গ্ৰন্থখনৰ উচ্চ প্ৰশংসা কৰি লেখিকাক তেওঁৰ বৰ্ণাঢ্য জীৱনক লৈ এখনি আত্মজীৱনী বা উপন্যাস লিখিবলৈ উছাহ যোগায়। মহন্তই আজিৰ উন্মোচনী দিনটো দুখৰ মাজতো আনন্দৰ দিন বুলি উল্লেখ কৰে। ছয় পৃষ্ঠাত চাওক

## যান-বাহন আইন অমান্যকাৰীৰ পৰা চলিত বৰ্ষত ১.১৭ কোটি টকা জৰিমনা আদায়

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৩ মাৰ্চ ঃ** গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত উপায়ুক্ত মানস দাসৰ অধ্যক্ষতাত যোৱা ১৭ মাৰ্চত জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈ যায়। সভাখনৰ আঁত ধৰি জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰীয়ে কয় যে জিলাখনত দুৰ্ঘটনাৰ হাৰ ৰোধ কৰিবলৈ পৰিবহণ বিভাগে অভিযান অব্যাহত ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁও-গোলোকগড় বিদ্যুৎ বিভাগৰ গাফিলতি

# মাটিৰ পৰা সাত-আঠ ফুট ওপৰত জৰাজীৰ্ণ বাঁহৰ খুঁটাত উচ্চ ক্ষমতা সম্পন্ন বৈদ্যুতিক তাঁৰ



**তামাৰহাট, ২৩ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও আৰু ধুবুৰী জিলাৰ গোলোকগড় বিদ্যুৎ বিভাগৰ বিৰুদ্ধে গাফিলতিৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে মাটিৰ পৰা সাত-আঠ ফুট ওপৰত জৰাজীৰ্ণ বাঁহৰ খুঁটাত উচ্চ ক্ষমতা সম্পন্ন বৈদ্যুতিক তাঁৰ আঁৰি দীৰ্ঘদিন ধৰি বিদ্যুৎ যোগান অব্যাহত ৰাখিছে গোসাঁইগাঁও আৰু গোলোকগড় বিদ্যুৎ বিভাগে। ধুবুৰী জিলাৰ কুমাৰগড়, উজানপেটলা আদি অঞ্চলত কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও বিদ্যুৎ উপ-সংমণ্ডলৰ পৰা বিদ্যুৎ যোগান ধৰিছে। তদুপৰি জিলাখনৰে সোনাহাট, দপৰপূৰ, মোৱামৰী আদি অঞ্চলত গোলোকগড় বিদ্যুৎ উপ-সংমণ্ডলৰ পৰা বিদ্যুৎ যোগান ধৰিছে । বিভাগীয় ভাৱে অঞ্চলসমূহত দীৰ্ঘবছৰ ধৰি বিদ্যুতৰ যোগান ধৰিছে যদিও ছয় পৃষ্ঠাত চাওক

## অসম ৰাজ্যিক জমিয়ত উলামাৰ নৱ নিৰ্বাচিত সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

বিশেষ সংবাদদাতা

**নগাঁও, ২৩ মাৰ্চ ঃ** অসম ৰাজ্যিক জমিয়ত উলামাৰ ইতিমধ্যে গঠন হোৱা নৱ নিৰ্বাচিত সমিতিখনে আজি কাৰ্যভাৰ গ্ৰহণ কৰে। তদুপলক্ষে নগাঁও চহৰৰ মাদানী হলত অনুষ্ঠিত এখন সভাত সভাপতিত্ব কৰে ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মোস্তাফ আনফৰে। উদ্দেশ্যে ব্যাখ্যা কৰে অসম ৰাজ্যিক জমিয়ত উলামাৰ সাধাৰণ সম্পাদক মৌলানা আব্দুৰ ৰছিদে। সভাত জমিয়ত উলামাৰ ৰাজ্যিক সমিতিৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন ৰাজ্যিক জমিয়ত উলামাৰ সম্পাদক ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰ কলেজত শৈক্ষিক- প্ৰশাসনিক পৰীক্ষণ

### প্ৰাণী বিজ্ঞান বিভাগত জেদ এছ এ শাখা উদ্বোধন

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** ঐতিহাসিক শিৱসাগৰ কলেজত কালি এক শৈক্ষিক আৰু প্ৰশাসনিক মূল্যায়ন তথা পৰীক্ষণ সম্পন্ন হয়। পৰীক্ষা তথা মূল্যায়নৰ দলটোত আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ ডীন অধ্যাপক শৰৎ চন্দ্ৰ কাকতি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতা আৰু নগাঁও কলেজ (স্বতন্ত্ৰ)ৰ অধ্যক্ষ ড° শৰৎ বৰকটকী। প্ৰথমেই শিৱসাগৰ কলেজৰ অধ্যক্ষ ড° প্ৰফুল্ল চন্দ্ৰ কলিতাই আদৰণি জনোৱাৰ পাছতেই দলটোৱে যথাক্ৰমে কলেজৰ অধ্যক্ষ আইকিউএচিৰ সমন্বয়ক ড° ত্ৰিদীপ মহন্তৰ পৰা কলেজখনৰ সামগ্ৰিক শৈক্ষিক আৰু প্ৰশাসনিক ধাৰণা সম্বন্ধে বুজ লয়। ইয়াৰ পাছত দলটোৱে কলেজখনৰ কলা-বিজ্ঞান শাখাৰ বিভাগসমূহ, গ্ৰন্থাগাৰ, নাৰী অধ্যয়ন আৰু উন্নয়ন কোষ, বিজ্ঞান সমিতি, এনচিচি, এনএছএছ আদিৰ সম্পৰ্কে দৃশ্য-শ্ৰব্য মাধ্যমেৰে বুজ লয়। এই পৰীক্ষণত উচ্চস্তৰীয় দলটোৱে সংশ্লিষ্ট নথি-পত্ৰ আদিও পৰীক্ষণ কৰে। দিনজোৱা কাৰ্যসূচীৰ মাজতে দলটোৱে কলেজখনৰ অধ্যাপক, কৰ্মচাৰী, ছাত্ৰ প্ৰতিনিধি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতিৰ সভাপতি ড° প্ৰকাশ কটকীৰ লগত পৃথকে পৃথকে আলোচনাত মিলিত হৈ কলেজখনৰ পাঠ্যক্ৰম, হিচাপ ৰখাৰ নীতি প্ৰক্ৰিয়া, গৱেষণৰ উত্তৰণ, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সন্দৰ্ভত আদি বহুবোৰ বিষয়ত আলোচনা কৰে। দলটোৱে কলেজখনৰ শ্ৰেণী কোঠা, পৰীক্ষাগাৰ, ছাত্ৰাবাস-ছাত্ৰীনিবাস, ল'ৰা-ছোৱালীৰ জিৰণী কোঠা, কেণ্টিন, খেলপথাৰৰ সা-সুবিধা আদি পৰ্যবেক্ষণ কৰে। দিনটোৰ অন্তত দলটোৱে কলেজ পৰিয়ালৰ লগত প্ৰস্থান সভা অনুষ্ঠিত কৰে। আইকিউএচিৰ ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাৰ তিনি সাৰৰ ব্যৱসায়ীক

*তিনি পৃষ্ঠাৰ পৰা* গোৱালপাৰা জিলাত ইউৰিয়া সাৰ যোগানৰ নামত ছিণ্ডিকেটৰাজ চলি থকা বুলি দীৰ্ঘদিনৰ পৰাই অভিযোগ উত্থাপিত হৈ আহিছে। বিশেষকৈ পাইকাৰী বিক্ৰেতাসকলে কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি চৰকাৰী মূল্যতকৈ অধিক দামত খুচুৰা ব্যৱসায়ীক বিক্ৰী কৰি থকাটো এক পৰম্পৰাত পৰিণত হৈছিল। খুচুৰা ব্যৱসায়ীসকলেও অধিক দামত কৃষকৰ ওচৰত ইউৰিয়া সাৰ বিক্ৰী কৰিছিল। শেহতীয়াভাৱে জিলাখনৰ লক্ষীপুৰ অঞ্চলৰ দুগৰাকী খুচুৰা ব্যৱসায়ীৰ দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীক অভিযোগ দাখিল কৰা বুলি সূত্ৰত প্ৰকাশ। ইপিনে, চি আই ডি এ জিলাখনৰ লক্ষীপুৰ অঞ্চলৰ গোসাঁইডুবিৰ নজমুল হক, গৌৰনগৰৰ শ্বেখ আব্দুন নুৰ আৰু ৰংজুলিৰ প্ৰাৰ্থ প্ৰতিন দৈমাৰীক গ্ৰেপ্তাৰ কৰাৰ পাছতে জিলাখনৰ খুচুৰা ব্যৱসায়ীসকলৰ মাজত একপ্ৰকাৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। আজি গোৱালপাৰা জিলা খুচুৰা কৃষি ব্যৱসায়ী সন্থাৰ শতাধিক সদস্যই জিলা কৃষি বিষয়াৰ কাৰ্যালয়লৈ আহি সাৰ কেলেংকাৰি সন্দৰ্ভত তেওঁলোকৰ স্থিতি স্পষ্ট কৰিব বিচাৰে। সন্থাৰ সভাপতি ৰছিদুল হক আৰু সম্পাদক জাহান উদ্দিনে জনোৱা মতে, জিলাখনৰ সাৰৰ পাইকাৰী ব্যৱসায়ীসকলে নিৰ্ধাৰিত মূল্যতকৈ প্ৰতি বেগ ইউৰিয়া সাৰৰ বিপৰীতে ৫০-৬০ টকা বেছিকৈ লোৱাৰ লগতে অইন সাৰ ক্ৰয় কৰিবলৈ বাধ্য কৰায়। তদুপৰি এই সামগ্ৰীসমূহ কঢ়িয়াই আনোতে অতিৰিক্তভাৱে ৫০-৬০ টকাকৈ খৰচ হয়। কিন্তু অধিকাংশ কৃষকে ইউৰিয়া সাৰৰ বাহিৰে অইন সাৰ ল'ব নিবিচাৰে। সেয়ে তেওঁলোকে প্ৰকৃত মূল্যতকৈ অধিক দামত বিক্ৰী কৰিবলৈ বাধ্য হয়। সেয়ে খুচুৰা ব্যৱসায়ী সন্থাই সন্মুখীন হোৱা সমস্যাসমূহ সমাধান কৰাৰ দাবীৰে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইয়াৰ প্ৰতিলিপি কৃষিমন্ত্ৰী অতুল বৰা, জিলাৰ বিধায়কসকল, কৃষি বিভাগৰ সঞ্চালক, জিলা উপায়ুক্ত, জিলা কৃষি বিষয়া আৰু জিলা আৰক্ষী অধীক্ষকলৈ প্ৰেৰণ কৰে। অতি শীঘ্ৰে তেওঁলোকৰ সমস্যা সমাধান নকৰিলে জিলাখনত সাৰৰ বিক্ৰী বন্ধ কৰি দিব বুলিও উল্লেখ কৰে খুচুৰা ব্যৱসায়ীসকলে।

## যান-বাহন আইন অমান্যকাৰীৰ পৰা

*তিনি পৃষ্ঠাৰ পৰা* ৰাখিছে। ইতিমধ্যে বিভাগে যান-বাহন আইন অমান্য কৰি গাড়ী চলোৱা ব্যক্তিসকলৰ পৰা জৰিমনাৰূপে চলিত বৰ্ষত ১.১৭ কোটি টকা সংগ্ৰহ কৰিছে। পথ সুৰক্ষাৰ ওপৰত সজাগতা অনাৰ বাবে আমি ইতিমধ্যে শিক্ষা বিভাগৰ স'তে ৰাস্তাৰ কাষত থকা ১২ খন স্কুলত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি পথ সুৰক্ষাৰ সজাগতা অনাৰ চেষ্টা কৰিছো। পৰৱৰ্তী পৰ্যায়ত ৩২ খন বিদ্যালয়ত এনে ধৰণৰ সজাগতা সভা অনুষ্ঠিত কৰা হ'ব । আগৰ বছৰৰ তুলনাত এই বছৰ জিলাখনত দুৰ্ঘটনাৰ হাৰ যথেষ্ট হ্ৰাস পাইছে আৰু আমি গোৱালপাৰা জিলা দুৰ্ঘটনামুক্ত জিলাৰূপে স্থান পাবলৈ কাম কৰি আছো। সভাত অধ্যক্ষতা কৰা অতিৰিক্ত উপায়ুক্ত মানস দাসে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ বিভাগৰ বিষয়া সকলক দুৰ্ঘটনাপ্ৰৱণ স্থানসমূহত উপযুক্ত পদ চিহ্নসমূহ, ৰাম্বল ষ্ট্ৰীট আদিৰ কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে আহ্বান জনায়। তেওঁ লগতে স্বাস্থ্য বিভাগক ট্ৰাক আৰু বাছ চালকৰ বাবে চকু, কাণ পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। যোৱা ৩১ ডিচেম্বৰৰ দৰে অহা ফাকুৱা উৎসৱৰ সময়ত অৰ্থাৎ ১৮ আৰু ১৯ মাৰ্চত পৰিবহণ বিভাগ, আৰক্ষী বিভাগ, আবকাৰী বিভাগ আৰু স্বাস্থ্য বিভাগৰ স'তে অভিযান চলাবলৈ সকলোকে আহ্বান জনায়। যুটীয়া স্বাস্থ্য সঞ্চালক নীল মাধৱ দাসে কয় যে আমি ইতিমধ্যে এছ টি চি বাছ আস্থানত ট্ৰাক আৰু বাছ চালকসকলৰ চকু আৰু কাণ পৰীক্ষা কৰাৰ বাবে এটা শিবিৰ অনুষ্ঠিত কৰি দিলো যদিও সন্তোষজনক উপস্থিতি পোৱা নাই। এই ক্ষেত্ৰত তেওঁ পৰিবহণ বিভাগক সহায় কৰিবলৈ আহ্বান জনায়। অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাই কয় যে আৰক্ষী বিভাগে যান-বাহন আইন নমনা গাড়ীচালকসকলৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই জৰিমনা আদায় কৰি আহিছে। গোৱালপাৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়া তথা সহকাৰী আয়ুক্ত সান্তাকাৰ্কী ছোনীয়ে গোৱালপাৰা টাউনৰ পদপথ আৰু ৰাস্তাৰ কাষত অবৈধভাৱে দোকান দিয়াৰ ফলত যথেষ্ট যান-জঁটৰ সৃষ্টিৰ বিষয়ে সভাত অৱগত কৰে আৰু ইয়াৰ বিৰুদ্ধে পৰিবহণ বিভাগ আৰু আৰক্ষী বিভাগক বিহিত ব্যৱস্থা ল'বৰ বাবে আহ্বান জনায়। আজিৰ সভাত স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ, গড়কাপ্তানী (পথ) ৰাষ্ট্ৰীয় পথ, ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণ আৰু পৰিবহণ বিভাগৰ বিষয়া সকল উপস্থিত থাকে।

## গৰাকীৰ অজ্ঞাতে ভূমি বিক্ৰী

*তিনি পৃষ্ঠাৰ পৰা* কঠাৰো অধিক ভূমি তেওঁলোকৰ অজ্ঞাতেই জিমি কাকতি নামৰ লাটমণ্ডলজনৰ সহযোগত বিক্ৰী কৰিছে। উল্লেখ্য যে এই ভূমিকে সামৰি এবিঘা চাৰি কঠা পাঁচ লেচা মাটিক লৈ তেজপুৰ আদালতত ২৯/২০১০নম্বৰত গোচৰো চলি আছে; কিন্তু এই বিবদমান ভূমিয়েই গৰাকীৰ অজ্ঞাতে বিক্ৰী কৰা আৰু এই ক্ষেত্ৰত লাটমণ্ডলৰ সহযোগিতাই ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত হোৱা অনিয়মত দালালৰ লগতে কোন লোক জড়িত হৈ থাকে সেয়া স্পষ্ট হৈছে। শেহতীয়াকৈ নগেন কলিতা (ৰাজবংশী)নামৰ লোকজনৰ পৰা এই বিবদমান ভূমি ক্ৰয় কৰাৰ পাছত ইয়াত দেৱাল দিবলৈ অহাৰ সময়তহে এই ঘটনা পোহৰলৈ আহে। সম্প্ৰতি শোণিতপুৰৰ উপায়ুক্তৰ লগতে ৰাজহ চক্ৰ বিষয়াকো এই বিষয়ে লিখিতভাৱে সবিশেষ জনোৱাৰ পাছত লাটমণ্ডল জড়িত থকা বিষয়টোৰ ক্ষেত্ৰত এই পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। আনহাতে, ভূমিৰ প্ৰকৃত গৰাকীয়ে অভিযোগ কৰা মতে মণ্ডলে বিষয়টোত সোমাই ক্ৰয় কৰা লোকক আত্মীয় হিচাপে পৰিচয় দি বিষয়টো গাঁপ দিয়াৰো চেষ্টা অব্যাহত ৰাখিছে। ৰঙাপুখুৰীপাৰত ইয়াৰ পূৰ্বেও এনে ঘটনা সংঘটিত হৈছে। এই ক্ষেত্ৰতো ভূমিৰ প্ৰকৃত গৰাকীক মণ্ডলে বিভিন্ন ভাবুকিৰে সৈমান কৰাৰ অপচেষ্টা কৰাৰো অভিযোগ উঠিছে।

## মাটিৰ পৰা সাত-আঠ ফুট ওপৰত

*তিনি পৃষ্ঠাৰ পৰা* জৰাজীৰ্ণ বাঁহৰ খুঁটা, কাঠৰ খুঁটা আৰু ক'ৰবাত চিমেণ্টৰ খুঁটা দিছে যদিও তাত কাঠৰ এংগেল লগাই উচ্চ ক্ষমতা সম্পন্ন বৈদ্যুতিক তাঁৰসমূহ আঁৰি দি দায়িত্ব সামৰিছে বিদ্যুৎ বিভাগে। আনহাতে ১০-১৫বছৰ আগতে একেটা তাঁৰকে ফঁটাই দুভাগ কৰি খুঁটাত লগাই বিদ্যুৎ সংযোগ কৰিছে। ফলত যি কোনো সময়তে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ভুগিছে স্থানীয় ৰাইজ। ইপিনে, জৰাজীৰ্ণ অৱস্থাত বিদ্যুৎ যোগান ধৰিছে যদিও সামান্য বতাহ বৰষুণ দিলেই তাঁৰ ছিঙি দিনৰ পাছত দিন বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত হ'ব লগা হয় গ্ৰাহকসকলে। মাহে-মাহে অকল বিদ্যুতৰ বিল সংগ্ৰহ কৰাৰ বাবে বিভাগীয় ভাবে কৰ্মচাৰীসকল আহে যদিও উক্ত জৰাজীৰ্ণৰ সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত বাৰম্বাৰ অভিযোগ দিয়াৰ পাছতো কোনো গুৰুত্ব আৰোপ কৰা নাই বুলি বিভাগৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে অঞ্চলসমূহৰ গ্ৰাহক ৰাইজে। প্ৰতিটো অঞ্চলতে গড়কপ্টানি পথৰ কাষেদি এইসমূহ বাঁহৰ খুঁটা স্থাপন কৰি বৈদ্যুতিক তাঁৰসমূহ আঁৰি দিয়াত ওখ গাড়ী মটৰ গ'লেই তাঁৰসমূহ ছিঙি যোৱাত আন এক সমস্যাত ভুগিব লগা হয় গ্ৰাহকে। অতি শীঘ্ৰে তদন্ত ক্ৰমে উক্ত অঞ্চলসমূহত থকা বাঁহ আৰু কাঠৰ খুঁটাবোৰৰ লগতে চিমেণ্টৰ খুঁটাত থকা কাঠৰ এংগেলসমূহ পৰিৱৰ্তন কৰি পকী খুঁটা স্থাপন আৰু লোহাৰ এংগেল লগাই বিদ্যুৎ যোগান দিবলৈ স্থানীয় ৰাইজে শক্তি বিভাগক দাবী জনাইছে।

## ৰূপসী উন্নয়ন খণ্ডৰ গাইখোৱা

*তিনি পৃষ্ঠাৰ পৰা* ওপৰত ১৫০ৰ পৰা ২০০ ট্ৰেক্টৰ মাটি পেলোৱা হয় । যাৰ বিনিময়ত প্ৰতি ট্ৰেক্টৰ চাৰিশ টকা হিচাপত খৰচ হয় মাত্ৰ ৬০ ৰ পৰা ৮০ হেজাৰ টকা । তাৰ বিপৰীতে পঞ্চায়ত প্ৰতিনিধিয়ে কামটোৰ বাবে ধাৰ্য কৰা ৮,০৭,২৩২ টকাৰ ভিতৰত ইতিমধ্যে ৫,৬৮,৪২৬ টকা মোকলাই লয় । ইফালে পথ চোৱাৰ কাম ভালদৰে নকৰাৰ ফলত পথছোৱাৰ ওপৰত অসংখ্য সৰু বৰ গাঁতৰ সৃষ্টি হোৱাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিব লগীয়া হৈছে। বাৰিষা দূৰৈৰ কথা খৰালিতো পথ ছোৱাৰে যাতায়াতত গাঁও বাসীৰ সমস্যাৰ সৃষ্টি হৈছে । প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈছে । শেহতীয়াকৈ পথছোৱাৰে যাতায়াতৰ সময়ত এখন ই-ৰিক্সা দুৰ্ঘটনাগ্ৰস্থ হৈ পুৰুষ-মহিলা সহ চাৰি গৰাকী লোক গুৰুতৰ ভাবে আহত হৈ চিকিৎসালয়ত চিকিৎসাধীন হ'ব লগা হৈছে ।

পথ ছোৱাৰ কাষত গাঁওখনৰে জনৈক ব্যক্তি এজনে দীঘলীয়া ড্ৰেইন এটা খান্দি আন এক সমস্যাৰ সৃষ্টি কৰা বুলিও অভিযোগ ৰাইজৰ । ৰাইজে দীৰ্ঘদিন ধৰি পথছোৱাৰ কাম সঠিক ভাবে ৰূপায়ণ কৰা আৰু উদ্দেশ্য প্ৰণোদিত ভাৱে ৰাস্তাৰ কাষত খন্দা ড্ৰেইনটো বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে পঞ্চায়ত প্ৰতিনিধি আৰু বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনোৱাৰ পিছতো কোনো ধৰণৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱা নাই গাঁওবাসীয়ে । সেয়ে ৰাইজে ৰাস্তাটোৰ কাম সঠিকভাবে ৰূপায়ন কৰা আৰু ৰাস্তাৰ কাষত খন্দা ড্ৰেইন বন্ধ কৰাৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে ধুবুৰী জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল কৰিছে । এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ দাবী কৰিছে ৰাইজে ।

## অনুমতি নথকা ই-ৰিক্সাৰ বিৰুদ্ধে ব্যৱস্থা

*তিনি পৃষ্ঠাৰ পৰা* জিলা পৰিবহণ বিষয়াই কয় যে হেলমেট পৰিধান নকৰা আৰু তীব্ৰ বেগত বাহন চলোৱা এই দুটাই দুচকীয়া বাহন দুৰ্ঘটনাত পতিত হোৱাৰ মূল কাৰণ আৰু সেয়েহে বৰ্তমান জিলা পৰিবহণ বিভাগৰ তৰফৰ পৰা নিযুক্ত কৰা এনফ'ৰ্চমেণ্টৰ দলে কঠোৰভাৱে সকলো যান বাহন আইনৰ সঠিক পালন হৈছে নে নাই সেয়া তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰি আছে আৰু নিয়মিত হেলমেট নিপিন্ধা তথা চালকৰ অনুজ্ঞাপত্ৰ নথকা সকলক আৰু পঞ্জীয়নপত্ৰ নথকা যান-বাহনসমূহৰ জৰিমনা বিহি থকা হৈছে। উপায়ুক্তই বৰ্তমানে ই-ৰিক্সাৰ পয়োভৰত জিলা সদৰৰ বাট-পথত সচৰাচৰ দেখা পোৱা অনাৱশ্যকীয় ভিৰৰ ক্ষেত্ৰত জিলা পৰিবহণ বিষয়াক বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। অনুমতি নথকা ই-ৰিক্সাসমূহে যাতে জিলা সদৰলৈ সোমাই আহি অহেতুক অসুবিধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে জিলা সদৰলৈ আহিব পৰা মূল প্ৰৱেশ পথসমূহত তালাচীৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। ঘাইপথত সংঘটিত দুচকীয়া বাহন সম্বন্ধিত দুৰ্ঘটনাসমূহৰ সন্দৰ্ভত উপায়ুক্ত ফুকনে সভাত উপস্থিত থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণৰ প্ৰতিনিধি বিষয়াক ঘাইপথৰ মাজেদি ৰাইজে নিজৰ সুবিধাৰ্থে ঠাইয়ে ঠাইয়ে সৃষ্টি কৰি লোৱা অস্থায়ী চমু ৰাস্তা সমূহ বন্ধ কৰিবলৈ সোনকালেই সেই স্থানসমূহত ৰেলিঙৰ ব্যৱস্থা আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰ্ঘটনা বেছিকৈ হৈ থকা ঠাইসমূহ চিনাক্ত কৰি প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। উক্ত সভাত জিলা পৰিবহণ বিষয়াই সোনকালেই ঘাইপথ কৰ্তৃপক্ষৰ স'তে আলোচনাত মিলিত হৈ এই স্থানসমূহ বাচি উলিওৱাৰ লগতে জিলাখনৰ অংগনৱাড়ীকৰ্মী, আশাকৰ্মী, বিদ্যালয়-মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আদি সকলোৰে সহায়ত পথ সুৰক্ষা সম্বন্ধীয় সজাগতা অভিযান আৰম্ভ কৰিব বুলি কয়। সভাত অতিৰিক্ত উপায়ুক্ত চায়নিকা ঠাকুৰীয়া, অতিৰিক্ত আৰক্ষী অধীক্ষক অলিন্দিতা গগৈ, যুটীয়া স্বাস্থ্য সঞ্চালক ড° উমেশ ফাংচুকে ধৰি সমিতিখনৰ সমূহ সদস্যভুক্ত বিষয়াৰ উপৰিও অন্যান্য সংশ্লীষ্টসকল উপস্থিত থাকে।

## মৈৰাবাৰীত জৰাজীৰ্ণ ৩৫০০ মিটাৰ

*তিনি পৃষ্ঠাৰ পৰা* কিন্তু মৈৰাবাৰীৰ ভজাইখাইটী, লেৰুৱামুখ, গবৈমাৰী পথাৰৰ বৃহৎ অঞ্চলক বানমুক্ত কৰি ৰখা ৩৫০০ মিটাৰ দৈৰ্ঘ্যৰ বান্ধটো বৰ্তমান নদীৰ গৰাৰ পৰা মাত্ৰ ১৫-২০ মিটাৰ দূৰত আছে। বিগত বৰ্ষত নদীৰ তীব্ৰ খহনীয়াই বান্ধটোলৈ তীব্ৰ প্ৰত্যাহ্বান কঢ়িয়াই আনিছিল যদিও মৰণপণ যুঁজ দি জলসম্পদ বিভাগে জোৰা-টাপলি মাৰি বান্ধটো ৰক্ষা কৰিছিল। এইবাৰ কিন্তু সেই পৰিস্থিতি হ'লে মথাউৰিটো বাৰিষাত ৰক্ষা কৰা মুঠেই সম্ভৱ নহ'ব। সেয়া হ'লে এই মথাউৰিটো ভাঙি বৃহত্তৰ মৈৰাবাৰী অঞ্চলৰ লগতে সমগ্ৰ মৰিগাঁও জিলাখনেই বানত বুৰিব। ফলত একপ্ৰকাৰ স্বপ্নভংগ হ'ব জলসম্পদ মন্ত্ৰী হাজৰিকাৰ। মৈৰাবাৰী অঞ্চলৰ ৰক্ষাকবচ স্বৰূপ মথাউৰিটো অতি জৰাজীৰ্ণ অৱস্থাত আছে যদিও মৰিগাঁও জিলা জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাই ভূৰাগাঁৱৰ পশ্চিমাঞ্চলত নাৱাৰ্ডৰ পুঁজিৰে নিৰ্মীয়মান মথাউৰিটোৰ লগতে ব্যস্ত থাকি সম্পূৰ্ণ পিঠি দিছে মৈৰাবাৰীৰ মথাউৰিটোৰ প্ৰতি। কাৰ্যবাহী অভিযন্তাজনৰ এনে অদূৰদৰ্শিতাৰ বাবে জলসম্পদ মন্ত্ৰী হাজৰিকাৰ গৃহ জিলাক বানমুক্ত কৰাৰ সপোন নিমিষতে তচনচ হোৱাৰ সম্ভাৱনাই অধিক। সমান্তৰালকৈ ভূৰাগাঁৱৰ কুপতিমাৰি বান্ধটোও কিছু মেৰামতিৰ ব্যৱস্থা নকৰিলে বাৰিষা বিপদৰ সন্মুখীন হ'ব পাৰে মৰিগাঁও জিলাৰ হেজাৰ হেজাৰ পৰিয়াল। সেয়ে আগন্তুক ১৫-২০ দিনৰ ভিতৰত মৈৰাবাৰীৰ মথাউৰিটোৰ লগতে ভূৰাগাঁও কুপতিমাৰীৰ মথাউৰিটো জলসম্পদ বিভাগে মেৰামতিৰ ব্যৱস্থা নকৰিলে নাৱাৰ্ডৰ কোটিটকীয়া মথাউৰিটো ফুলদানিতহে পৰিণত হ'ব। সেয়ে এই ক্ষেত্ৰত জলসম্পদ মন্ত্ৰী হাজৰিকাৰ হস্তক্ষেপ দাবী কৰিছে জিলাখনৰ বানাক্ৰান্ত লোকসকলে।

## শিৱসাগৰত লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** শিৱসাগৰৰ সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সৌজন্যত, বেজবৰুৱা বংশ সদনৰ উদ্যোগত, পাৰিজাত সংগীত বিদ্যালয় আৰু সাধাৰণ জাতি সুৰক্ষা সন্মিলন অসমৰ সহযোগত অহা ২৬ মাৰ্চত দিনজোৰা কাৰ্যসূচীৰে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু দিৱস উদ্‌যাপনৰ আয়োজন কৰিছে। দিখৌ দলঙৰ সমীপৰ নগৰৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত ৰসৰাজৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি উদ্যোক্তাই কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লৈছে। দ্বিতীয়ৰ পৰা নৱম শ্ৰেণীলৈ দুটা শাখাত ছবি অঁকা প্ৰতিযোগিতা, প্ৰথমৰ পৰা ষষ্ঠ শ্ৰেণীলৈ সাধু কোৱা প্ৰতিযোগিতা, চতুৰ্থৰ অষ্টম শ্ৰেণীলৈ কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগীসকলে ৭০০২৮৯৬৯০২ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাই অনুৰোধ জনাইছে।

## নাজ্‌ৰা চুলতানাৰ কবিতা

*তিনি পৃষ্ঠাৰ পৰা* অৰূপজ্যোতি দাসে আঁত ধৰা অনুষ্ঠান জ্যোৎস্না দেৱী ভাগৱতী আৰু কাবেৰী নাথ চহৰীয়াৰ মংগলাচৰণেৰে আৰম্ভ হয়।

## গাঁওৰক্ষী বাহিনীৰ তৎপৰতাত

*তিনি পৃষ্ঠাৰ পৰা* চাৰিজন অচিনাক্ত যুৱকে আশ্ৰয় লৈ থকা বুলি জানিব পাৰি ব্যক্তিজনৰ ঘৰত গৈ তালাচী চলাই নটা টেমাত ড্ৰাগছ উদ্ধাৰ কৰে। বাহিনীৰ সদস্যৰ উপস্থিতিৰ উমান পাই যুৱককেইজন পলাই যায়। পাছত নাজিৰা আৰু আমগুৰি থানাৰ আৰক্ষীয়ে ড্ৰাগছখিনি জব্দ কৰে।

## শিৱসাগৰত কেন্দ্ৰীয় জাকাত

*তিনি পৃষ্ঠাৰ পৰা* কৰা ৰাজহুৱা সভাত কেন্দ্ৰীয় জাকাত সংগ্ৰহ আৰু বিতৰণ সমিতিখন গঠন কৰা হয়। জিলা সদৰ কাজী আলহাজ চৈয়দ আহমদ কবীৰক সভাপতি, ড° মণিৰুল হুদাক কাৰ্যকৰী সভাপতি, কমৰুদ্দিন আহমেদক সাধাৰণ সম্পাদক হিচাপে লৈ ২৫ জনীয়া এখন কমিটি গঠন কৰা হয়। উক্ত সভাতেই ইমৰাল ৰচুলে শিৱসাগৰবাসীৰ বাবে এটা অক্সিজেন চিলিণ্ডাৰ প্ৰদান কৰাৰ কথা ঘোষণা কৰে।

## শিৱসাগৰত অবৈধভাৱে মাটি

*তিনি পৃষ্ঠাৰ পৰা* এই বাহনসমূহৰ দ্বাৰা অবৈধভাৱে এচাম ব্যৱসায়ীয়ে মাটি-বালি-পলস আদিৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে মিনি ডাম্পাৰেৰে অবৈধভাৱে মাটি খান্দি থকাৰ খবৰ বন বিভাগক স্থানীয় ৰাইজে অৱগত কৰাত বন বিভাগৰ দলে মাটি খান্দি থকা অঞ্চলত উপস্থিত হোৱাত কে'বাখনো মিনি ডাম্পাৰ পলাই যায় যদিও এখন এক্সেভেটৰ আৰু এখন ডাম্পাৰ জব্দ কৰাৰ লগতে এই অঞ্চলৰ পৰা পলাই যোৱা মিনি ডাম্পাৰ কেইখন স্থানীয় মহিলাসকলে ঘেৰি ধৰি বনবিভাগৰ দলটোক চমজাই দিয়ে। বন বিভাগৰ দলটোৱে আটাইকেইখন গাড়ী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়লৈ আনি এক গোচৰ ৰুজু কৰিছে।

## অসম ৰাজ্যিক জমিয়ত উলামাৰ

*তিনি পৃষ্ঠাৰ পৰা* মৌলানা কলিমউদ্দিন উইস্থিত থাকে। জমিয়ত উলামাৰ দুই-শতাধিক সদস্য উপস্থিত থকা সভাতে কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই অনুযায়ী তৃণমূল পৰ্যায়ত জমিয়তক শক্তিশালী কৰাৰ বাবে নিৰৱচ্ছিন্নভাৱে প্ৰাথমিক সদস্যভৰ্তি অভিযান অব্যাহত ৰাখিবলৈ সিদ্ধান্ত লোৱা হয়। সদস্য ভৰ্তিৰ বাবে নিৰ্ধাৰিত মাচুল বৃদ্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় জমিয়তৰ সভাপতিলৈ অনুমোদনৰ বাবে প্ৰেৰণৰ সিদ্ধান্ত লয়। তদুপৰি যোৱা ২১ মাৰ্চত অসম চৰকাৰ আৰু আছুৰ মাজত হোৱা বৈঠকৰ সিদ্ধান্ত মৰ্মে ৰাজ্য চৰকাৰে এন আৰ চি পুনৰীক্ষণৰ বাবে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিবলৈ লোৱা সিদ্ধান্তক সমালোচনা কৰি এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি ৰাজ্যিক জমিয়ত উলামাৰ সভাপতিক কেন্দ্ৰীয় জমিয়ত উলামাৰ সভাপতি মৌলানা আৰ্শ্বাদ মাদানীৰ লগত আলোচনামৰ্মে পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰি সিদ্ধান্ত লয়। অসমৰ দৰিদ্ৰ জনসাধাৰণৰ শৈক্ষিক উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যিক জমিয়ত উলামাৰ অন্তৰ্গত সকলো জিলা আৰু আঞ্চলিকৰ লগতে প্ৰাথমিক কমিটীৰ নেতা-কৰ্মীসকলক উপযুক্ত প্ৰশিক্ষণ দি ৰাজহুৱা ন্যূনতম দান-বৰঙণি সংগ্ৰহৰে শিক্ষা বিস্তাৰৰ ব্যৱস্থা ল'বলৈ প্ৰস্তাৱ লোৱা হয়। সভাই পুনৰ গঠন হ'বলগীয়া বৰপেটা, চিৰাং, বাগ্‌সা আৰু লখিমপুৰ জিলাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থালৈ আগন্তুক ৰমজান মাহৰ পাছতে উক্ত জিলা সমিতিসমূহে গঠন কৰাৰ সিদ্ধান্ত লয়।

## শিৱসাগৰ কলেজত শৈক্ষিক

*তিনি পৃষ্ঠাৰ পৰা* সমন্বয়ক ড° ত্ৰিদীপ মহন্ত আঁতধৰা এই সভাত অধ্যাপক শৰৎ চন্দ্ৰ কাকতিয়ে সাম্প্ৰতিক শিক্ষাৰ উত্তৰণৰ গতিৰ স'তে ধাৱমান হ'বলৈ সকলোকে আহ্বান জনায়। অধ্যাপক যোগেন চন্দ্ৰ কলিতাই ভাষণ প্ৰসংগত বিশ্বৰ মানদণ্ডৰ স'তে ফেৰ মাৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক গঢ় দিয়াৰ আহ্বান জনায়। অধ্যাপক শৰৎ বৰকটকীয়েও ইতিহাস প্ৰসিদ্ধ শিক্ষানুষ্ঠানখনিৰ আৰু উত্তৰণ হ'ব লাগে বুলি মত পোষণ কৰে। কলেজৰ অধ্যক্ষ ড° প্ৰফুল্ল চন্দ্ৰ কলিতাই উচ্চ স্তৰীয় দলটোৰ সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে চলিত বৰ্ষতেই কলেজখনত 'নাক'ৰ দলটিক তৃতীয়বাৰৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব বুলি ঘোষণা কৰে। উক্ত দিনাই শিৱসাগৰ কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্ৰ কলিতাই জু লজিকেল চ'ছাইটি অৱ আসামৰ এটা শাখা উদ্বোধন কৰে।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

*তিনি পৃষ্ঠাৰ পৰা* পৰীক্ষা দি থকাৰ সময়তে অকস্মাতে বন্ধ কৰি দিবলগীয়া হয় পৰীক্ষা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এনে টোগলকী কাণ্ডৰ বাবে কে'বাখনো মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড় নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ তৃতীয় ষাণ্মাসিকৰ ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰী আজি পৰীক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। ইতিমধ্যে সমগ্ৰ বিষয়টো সম্পৰ্কত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক পি কে কাকতিয়ে মহাবিদ্যালয়সমূহলৈ জাননী জাৰি কৰি পৰীক্ষা নাকচ কৰা বুলি ঘোষণা কৰাৰ লগতে পৰীক্ষাৰ বাবে পৰৱৰ্তী নতুন দিন ঘোষণা কৰা হ'ব বুলি সদৰী কৰিছে।

## শোণিতপুৰৰ পাৰদৰ্শিতা

*তিনি পৃষ্ঠাৰ পৰা* পাছত আজি তেজপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত সম্বৰ্ধনা সভাখনত মান পত্ৰ আৰু স্মাৰকৰে সম্বৰ্ধনা জনোৱা হয় পৰিচালনা সমিতিসমূহক। তেজপুৰ জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ পত্ৰিকা সম্পাদক তথা ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ সহকাৰী শিক্ষক পংকজ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানৰ আৰম্ভণিতে শিক্ষা বিভাগে পৰিচালনা সমিতিৰ ওপৰত বাণীৱদ্ধ কৰা এটা গীত পৰিবেশন কৰা হয়। ইয়াৰ পিছতেই শোণিতপুৰ জিলা শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত দ্যোতিভা বৰাই আদৰণী ভাষণত সম্বৰ্ধিত হ'ব লগা সভাপতি আৰু সদস্য সচিবসকলক অনুপ্ৰাণিত কৰি আগন্তুক সময়ত জিলাখনৰ শৈক্ষিক মানদণ্ড আৰু অধিক উন্নত কৰিবলৈ আহ্বান জনায়। শিক্ষা বিভাগৰ জিলা আঁচনি বিষয়া তথা ছেৱাৰ আঞ্চলিক সচিব কৃষ্ণ কান্ত ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা, গাভৰু শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰবি শীলৰ লগতে ঢেকিয়াজুলি খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আব্দুল খয়েৰে চমু ভাষণ দিয়া সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পংকজ কান্তি দেৱ ৰয়ে ভাষণ প্ৰদান কৰি বিদ্যালয়সমূহৰ পৰিচালনা সমিতিসমূহৰ ওপৰতেই শিক্ষাৰ মানৰ লগতে বিদ্যালয় একোখনৰ শৈক্ষিক পৰিৱেশ যিহেতু নিৰ্ভৰ কৰে সেয়েহে এনে ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা পৰিচালনা সমিতিসমূহক অনুপ্ৰাণিত কৰাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। সভাপতিৰ আসনৰ পৰা পংকজ বৰুৱাই শিক্ষা বিভাগে বিদ্যালয়সমূহক সমাজৰ স'তে জড়িত হোৱাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিচালনা সমিতিসমূহক গুৰুত্ব আৰোপ কৰি এনেদৰে অনুপ্ৰাণিত কৰোৱাৰ প্ৰয়াস এক ইতিবাচক প্ৰয়াস বুলি মন্তব্য কৰে। বিগত সময়ত চৰকাৰী বিদ্যালয়সমূহৰ প্ৰতি ৰাইজৰ আস্থা নোহোৱা হোৱাৰ পাছত শেহতীয়াকৈ এনে চৰকাৰী বিদ্যালয়ৰ কৃতিত্বৰ ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতিসমূহৰো বিশেষ ভূমিকা থাকে বুলি মন্তব্য কৰে। ইয়াৰ পিছতেই প্ৰত্যেক শিক্ষা খণ্ডৰ পাৰদৰ্শিতাৰ পৰিচয় দিয়া বিদ্যালয়সমূহৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সদস্য সচিব সকলক সভাপতি প্ৰমুখ্যে বিশিষ্ট অতিথিসকলে সম্বৰ্ধনা পত্ৰ আৰু স্মাৰক প্ৰদানেৰে সন্মানিত কৰা হয়।



ইন্ধন-ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত তিনিচুকীয়াত যোগানমন্ত্ৰীৰ পুত্তলিকা দাহ আছুৰ, বুধবাৰে।

## পঞ্জাব অভিমুখে যোৱা ড্ৰাগছ ব্যৱসায়ীক আটক ঃ খেদি খেদি গৈ বঙাইগাঁৱত যাত্ৰীবাহী বাছত তালাচী

## কামৰূপ আৰক্ষীৰ বিশেষ সফলতাঃ বৃহৎ পৰিমাণৰ আফিংসহ ড্ৰাগছ জব্দ ঃ আটক তিনি



**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২৩ মাৰ্চ ঃ** ড্ৰাগছৰ বিৰুদ্ধে কামৰূপ আৰক্ষীৰ অভিযান অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে কামৰূপ আৰক্ষীয়ে ৰঙিয়া আৰক্ষীৰ সহযোগত যোৱা নিশা বঙাইগাঁও জিলাৰ গেৰুকাবাৰীত এখন নৈশ বাছৰ পৰা বৃহৎ পৰিমানৰ আফিং আৰু ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। এই সংক্ৰান্তত বাছখনৰ পৰা দুজন আফিং ব্যৱসায়ীক আটক কৰি ৰঙিয়ালৈ লৈ আহে। এই অভিযানৰ নেতৃত্ব দিছিল স্বয়ং আৰক্ষী অধীক্ষক হীতেশ চন্দ্ৰ ৰয়ে। আজি ৰঙিয়াত আৰক্ষী অধীক্ষক ৰয়ে এক সংবাদমেলত এই বিষয়ে সদৰী কৰে। তেওঁ কয় যে মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তৰ তথ্যৰ ভিত্তিত কামৰূপ আৰু ৰঙিয়া আৰক্ষীয়ে শিলিগুড়ি অভিমুখে যোৱা এখন নিৰ্দিষ্ট নৈশ বাছক অনুসৰণ কৰে। দুৰ্বৃত্তৰ দলটোৱে ড্ৰাগছ আৰু আফিংখিনি ট্ৰাকেৰে লৈ যোৱাৰ কথা আছিল যদিও শেষ মুহূৰ্তত আৰক্ষীৰ চকুত ধুলি দি নৈশ বাছেৰে লৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু মহানগৰ আৰক্ষীৰ আয়ুক্ত মহন্ত আৰু কামৰূপ আৰক্ষী অধীক্ষক ৰয়ৰ তৎপৰতাত দুৰ্বৃত্ত দলটোৰ সকলো অভিসন্ধি ফাদিল হোৱাত নৈশ বাছখন অনুসৰণ কৰি বঙাইগাঁও জিলাৰ গেৰুকাবাৰীত বাছখন ৰখাই তালাচী লোৱাত এই বৃহৎ সফলতা অৰ্জন কৰে। আৰক্ষীয়ে ৰঙিয়া আৰক্ষীৰ সহযোগত আটকাধিন ব্যৱসায়ী কেইজনৰ পৰা ছয় কেজি ৫৪০ গ্ৰাম আফিং, বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। এই নিষিদ্ধ সামগ্ৰীখিনি পঞ্জাবলৈ লৈ যোৱাৰ অভিসন্ধিৰে শিলিগুড়ি অভিমুখী নৈশ বাছেৰে যাত্ৰা কৰিছিল। আৰক্ষীয়ে এই সন্দৰ্ভত ড্ৰাগছ ব্যৱসায়ী ৰঙিয়াৰ ইজৰাইল আলী আৰু পঞ্জাবৰ দলবিন্দৰ সিঙক আটক কৰে। তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে ৰঙিয়া উদিয়ানাৰ প্ৰদীপ চৌধাৰীৰ ঘৰত তালাচী চলাই বৃহৎ পৰিমানৰ আফিং, ড্ৰাগছ, নগদ দুইলাখ ১৯ হেজাৰ টকাসহ অন্যান্য সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে লগে লগে চৌধাৰীকো আটক কৰে। আৰক্ষী অধীক্ষক ৰয়ে জনোৱা মতে ড্ৰাগছৰ বৃহৎ ব্যৱসায়ী চৌধাৰীৰ ঘৰৰ পৰা ড্ৰাগছ পেকিং কৰাৰ বিভিন্ন ধৰণৰ ৰঙীন কাকত, ড্ৰাগছ সৰবৰাহ কৰাৰ পাত্ৰ আৰু ড্ৰাগছৰ লগত মিহলি কৰাৰ বাবে বিভিন্ন ৰাসায়নিক দ্ৰব্যৰ লগতে পাউদাৰ জাতীয় সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয় । বাছৰ পৰা আটক কৰা আফিং ব্যৱসায়ী দুজনে যোৱা নিশা ৰঙিয়াৰ চৌধাৰীৰ পৰা বৃহৎ পৰিমানৰ আফিংসহ ড্ৰাগছ ক্ৰয় কৰিছিল বুলি স্বীকাৰোক্তি দিছে। ৰঙিয়া বালাগাঁওৰ এখন ধাবাৰ ভিতৰত ব্যক্তি দুজনে আফিংসমূহ ক্ৰয় কৰি নৈশ বাছেৰে পঞ্জাব অভিমুখে যাত্ৰা কৰিছিল । গাঞ্জা ক্ৰয় সম্পৰ্কে কামৰূপ আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পৰা অবগত হয় । লগে লগে কামৰূপ আৰক্ষীয়ে ৰঙিয়া আৰক্ষীৰ সহযোগত নৈশ বাছখন ৰখোৱাৰ ব্যৱস্থা কৰে। উল্লেখ্য যে চৌধাৰীক যোৱা বৰ্ষৰ ১২ জুনত বৃহৎ পৰিমানৰ ড্ৰাগছসহ আটক কৰিবলৈ সক্ষম হৈছিল। যোৱা নিশা আটক কৰা তিনিওজনকে কামৰূপ আৰক্ষীয়ে ৰঙিয়া থানাত জেৰা অব্যহত ৰাখিছে। এক বিশেষ ৰাজনৈতিক দলৰ লগত সু সম্পৰ্ক ৰাখি চলা চৌধাৰীয়ে দীৰ্ঘদিন ধৰি ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।


## চৰম দুৰ্নীতিয়ে শিপাইছে চিৰাঙৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ

### বিভাগীয় বিষয়া-ঠিকাদাৰৰ দুৰ্নীতিত নিহত শিশু ঃ তিনি বছৰীয়া কন্যা শিশু নিহত হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে চিৰাঙত

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৩ মাৰ্চ ঃ** চিৰাঙৰ পশ্চিম এংকৰবাৰীৰ জনস্বাস্থ্য কাৰিকৰি বিভাগৰ পানী যোগান আঁচনিৰ গেট ভাঙি কন্যা শিশু নিহত হয়। পানী যোগান আঁচনিৰ চাৰিসীমাৰ গেট অতি নিম্ন মানৰ কাম কৰাৰ ফলত এই ধৰণৰ ঘটনা সংঘটিত হোৱা বুলি স্থানীয় লোকে দাবী কৰিছে। ওচৰৰ দিলীপ ৰায়ৰ কন্যা শিশু তিনি বছৰীয়া টিনা ৰায়ে খেলি থাকোতে গেট ভাঙী ওপৰত পৰাত নিহত হয় শিশুটি। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ হেমাহিৰ ফলত সংঘটিত হোৱা দুৰ্ঘটনাত নিহত হয় শিশুটি। জিলা প্ৰশাসন তথা চৰকাৰে এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰিছে স্থানীয় লোকে। বিনু বসুমতাৰী নামৰ জনস্বাস্থ্য কাৰিকৰি বিভাগৰ ঠিকাদাৰজনে কি ধৰণৰ কাম কৰিলে যে এনজী তিনি বছৰীয়া শিশুৱেই লোৰ গেট ভাঙি তলত পৰি নিহত হ'বলগীয়া ঘটনা সংঘটিত হ'ল তাৰ উপযুক্ত তদন্তৰ দাবী উত্থাপন হৈছে। কদমতলি, পশ্চিম এংকৰবাৰীৰ দুৰ্ঘটনাস্থলীত স্থানীয় লোকে প্ৰতিবাদ সাব্যস্থ কৰে জনস্বাস্থ্য কাৰীকৰি বিভাগৰ ঠিকাদাৰৰ বিৰুদ্ধে আৰু বিভাগটোৰ বিৰুদ্ধে।

গেট ভাঙি তিনি বছৰীয়া শিশু নিহত হোৱা ঘটনাই উদঙাইছে চৰম দুৰ্নীতিয়ে শিপাইছে চিৰাঙৰ জনস্বাস্থ্য কাৰীকৰি বিভাগ। বিভাগীয় বিষয়া-ঠিকাদাৰৰ দুনীতিত নিহত হ'বলগীয়া হৈছে কন্যা শিশুটি। জন স্বাস্থ্য কাৰীকৰি বিভাগৰ সৰ্বত্ৰে দুৰ্নীতিয়ে শিপাইছে। কোটি কোটি টকাৰ আঁচনি ৰূপায়ণৰ নামত বিভাগীয় বিষয়া-কৰ্মচাৰী অভিযন্তা তথা ঠিকাদৰে মিলি ব্যাপক দুৰ্নীতি কৰা পৰিলক্ষিত হৈছে। প্ৰায় সংখ্যক ঠাইতে জনস্বাস্থ্য কাৰীকৰি বিভাগৰ পানীযোগান আঁচনিৰ কাম অৰ্ধনিৰ্মিত হৈ আছে। ঠায়ে ঠায়ে কাম হৈছে যদিও সেইসমূহ অতি নিম্ন মানৰ কাম হৈছে। দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীল চৰকাৰৰ সময়তে এই ধৰণৰ ঘটনা পোহৰলৈ আহিছে।




তেজপুৰত ড্ৰাগছসহ যুৱক ধৃত, বুধবাৰে।

অগ্ৰদূত

# দেশ-দেশান্তৰ

গুৱাহাটী, ২৪ মাৰ্চ, ২০২২ বৃহস্পতিবাৰ, পৃষ্ঠা ৭

## ২৪ ঘণ্টাত দেশত ১,৭৭৮ জন ক'ভিডত আক্ৰান্ত, ৬২ জনৰ মৃত্যু



নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মাৰ্চ ঃ ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ বিগত কে'বা সপ্তাহ ধৰি নিয়ন্ত্ৰণত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতৰ বিভিন্ন ৰাজ্যত ১,৭৭৮ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। আক্ৰান্তৰ সংখ্যা দুহেজাৰৰ তলত থাকিলেও ক'ভিডত মৃত্যুৰ সংখ্যা এতিয়াও উদ্বেগজনক হৈ আছে। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত প্ৰাণ হেৰুৱালে ৬২ জন ক'ভিড ৰোগীয়ে। বৰ্তমানে ভাৰতত ২৩,০৮৭ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## স্বাধীনতাৰ ৭৫ বৰ্ষ উপলক্ষে এইসকল কাৰাবন্দীক চৰকাৰে দিব মুক্তি



নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মাৰ্চ ঃ দেশৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষ উপলক্ষে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে কেন্দ্ৰীয় চৰকাৰে। নৰেন্দ্ৰ মোদীৰ চৰকাৰে 'আজাদী কী অমৃত মহোৎসৱ'ৰ অংগ হিচাপে কিছু নিৰ্দিষ্ট কাৰাবন্দীক মুক্তি দিয়াৰ সিদ্ধান্ত ল'লে। তিনিটা পৰ্যায়ত কয়দীক মুক্তি দিয়া হ'ব। ১৫ আগষ্ট, ২৬ জানুৱাৰী আৰু ২০২৩ৰ ১৫ আগষ্টত মুঠ তিনিটা পৰ্যায়ত কাৰাবন্দীসকলক চৰকাৰে মুক্তি দিব। অৱশ্যে কাৰাগাৰত থকাৰ সময়ত বন্দীসকলে কেনে ধৰণৰ শৃংখলিত জীৱন যাপন কৰিছে, কিমান সুআচৰণ কৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখিহে মুক্তিৰ বাবে কয়দীক বিবেচনা কৰা হ'ব। ঘৃণনীয় অপৰাধ সংঘটিত কৰা বন্দীক মুক্তি দিয়া নহ'ব। ৫০ বছৰ বা ততোধিক বয়সীয়া তথা ৫০ শতাংশ শাস্তি ভোগ কৰা মহিলা কয়দী, ৫০ উৰ্দ্ধৰ বয়সৰ ৫০ শতাংশ শাস্তি ভোগ কৰা ৰূপান্তৰকামী কয়দী, ৫০ শতাংশ শাস্তি ভোগ কৰা ৬০ উৰ্দ্ধৰ পুৰুষ বন্দী, ৫০ শতাংশ শাস্তি ভোগ কৰা ৭০ শতাংশ প্ৰতিবন্ধী কাৰাবন্দী, জৰিমনা আদায়ত অক্ষম কাৰাবন্দী, ৫০ শতাংশ শাস্তি ভোগ কৰা ১৮-২১ বছৰ বয়সত অপৰাধ কৰা কয়দীক চৰকাৰে মুক্তি দিব।

## দুশ কোটি টকাৰ ক্লাবত অন্তৰ্ভুক্ত হ'ল 'দ্য কাশ্মীৰ ফাইলছ্'

**নিউজ ব্যুৰ'**
**মুম্বাই, ২৩ মাৰ্চ ঃ** বক্স অফিচত দপ্‌দপনি অব্যাহত আছে বিবেক অগ্নিহোত্ৰী পৰিচালিত সদ্যমুক্তিপ্ৰাপ্ত হিন্দী চলচ্চিত্ৰ 'দ্য কাশ্মীৰ ফাইলছ্'ৰ। কাশ্মীৰী পণ্ডিতে যোৱা শতিকাৰ ৯০ দশকত কাশ্মীৰ উপত্যকাত সন্মুখীন হোৱা ভয়াৱহ নিৰ্যাতনৰ ঘটনাৰ আধাৰত নিৰ্মাণ কৰা 'দ্য কাশ্মীৰ ফাইলছ' ছবিখনে ইতিমধ্যে দেশৰ বক্স অফিচত ২০০ কোটি টকাৰ ব্যৱসায় কৰিলে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষক তৰণ আদৰ্শই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি মঙলবাৰে 'দ্য কাশ্মীৰ ফাইলছ্'-এ ২০০ কোটিৰ ক্লাবত স্থান লাভ কৰিলে। ছবিখনত অনুপম খেৰ, মিঠুন চক্ৰৱৰ্তী, পল্লৱী যোশী আদিয়ে অভিনয় কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, 'দ্য কাশ্মীৰ ফাইলছ্'ত অভিনয়ৰ বাবদ অনুপমে এক কোটি টকা, মিঠুনে ডেৰ কোটি টকা, পল্লৱীয়ে ৫০-৭০ লাখ টকাৰ পাৰিশ্ৰমিক গ্ৰহণ কৰিছিল। আনহাতে, পৰিচালক হিচাপে অগ্নিহোত্ৰীৰ পাৰিশ্ৰমিক আছিল এক কোটি টকা।




## পুটিন বিৰোধী নেতা নাভালনিক ন বছৰৰ কাৰাদণ্ড



নিউজ ব্যুৰ', মস্কো, ২৩ মাৰ্চ ঃ ইউক্ৰেইনৰ স'তে ৰাছিয়াৰ যুঁজ অব্যাহত থকাৰ সময়তে ৰাছিয়াৰ মূল বিৰোধী নেতা এলেক্সেই নাভালনিক ন বছৰৰ কাৰাদণ্ড বিহিলে এখন আদালতে। বিগত কে'বা বছৰ ধৰি কাৰাগাৰতে আছে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ সমালোচক হিচাপে খ্যাত নাভালনি। ক্ৰেমলিনৰ ভিতৰত চলি অহা দুৰ্নীতিৰ বিৰুদ্ধে নাভালনিয়ে ধাৰাবাহিকভাৱে সৰব হৈ আহিছে। ৰাছিয়াৰ এখন আদালতে জালিয়াতি আৰু দুৰ্নীতিসহ একাধিক অভিযোগত নাভালনিক দোষী সাব্যস্ত কৰি ন বছৰৰ কাৰাদণ্ডৰ ৰায় দিয়ে। তদুপৰি পুটিন বিৰোধী নেতাজনক আদালতে ১২ লাখ ৰুবল জৰিমনাও বিহে।

**ডেল্টা আৰু অ'মিক্ৰনৰ সংক্ৰমণ একেলগে হ'লে ৰোগী যথেষ্ট ক্ষতিগ্ৰস্ত হ'ব পাৰে ঃ বিশেষজ্ঞৰ মত**

# হাইব্ৰীড ক'ভিড ঃ দেশৰ সাত ৰাজ্যত কৰ'নাৰ যুগ্ম সংক্ৰমণ চিনাক্ত

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৩ মাৰ্চ ঃ** দেশত ক'ভিড বিধি প্ৰত্যাহাৰ হ'ল যদিও কৰ'নাৰ এক নতুন সংকটে দেখা দিলে। এইবাৰ একেলগে কৰ'নাৰ দুই ৰূপৰ সংক্ৰমণ চিনাক্ত হ'ল। বিশ্বৰ কে'বাখনো দেশত বহু লোকৰ শৰীৰত ক'ভিডৰ এই যুগ্ম সংক্ৰমণ ধৰা পৰিছিল। ভাৰততো শেহতীয়াভাৱে সাতখন ৰাজ্যত হাইব্ৰীড ক'ভিডৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। প্ৰকাশিত তথ্য অনুসৰি কৰ্ণাটকত ২২১, তামিলনাডুত ৯০, মহাৰাষ্ট্ৰত ৬৬, গুজৰাটত ৩৩, পশ্চিমবংগত ৩২, তেলেংগানাত ২৫ আৰু নতুন দিল্লীত ২০ জন হাইব্ৰীড ক'ভিড আক্ৰান্ত ৰোগীক ইতিমধ্যে চিনাক্ত কৰা হৈছে। হাইব্ৰীড ক'ভিডৰ সংক্ৰমণক লৈ বিশ্ব স্বাস্থ্য সংস্থা (হু)ই উদ্বেগ প্ৰকাশ কৰিছে।

বিশেষজ্ঞসকলে প্ৰকাশ কৰা অনুসৰি কৰ'না ভাইৰাছে নিৰন্তৰ ৰূপ সলনি কৰি আহিছে। পূৰ্বে এই ভাইৰাছৰ দুটা প্ৰজাতিয়ে মানৱ শৰীৰক একেলগে সংক্ৰমিত কৰিব পৰা নাছিল। কিন্তু এতিয়া এই ভাইৰাছৰ চৰিত্ৰ যথেষ্ট সলনি হৈছে আৰু যিকোনো লোকৰ শৰীৰত একে সময়তে দুই ধৰণৰ ক'ভিড প্ৰজাতিয়ে সংক্ৰমণ ঘটাব পাৰে। এয়াই হৈছে হাইব্ৰীড ক'ভিডৰ সংক্ৰমণ। স্বাস্থ্য বিজ্ঞানীসকলৰ মতে, ডেল্টা আৰু অ'মিক্ৰনৰ সংক্ৰমণ একেলগে হ'লে ৰোগী যথেষ্ট ক্ষতিগ্ৰস্ত হ'ব পাৰে। হাইব্ৰীড ক'ভিডৰ উপসৰ্গ হৈছে প্ৰচণ্ড জ্বৰ, বুকু আৰু পিঠিৰ তাপমাত্ৰা স্বাভাৱিকতকৈ অধিক বৃদ্ধি, দীৰ্ঘ সময় ধৰি কাহ হোৱা ইত্যাদি। বিশেষজ্ঞসকলৰ মতে, হাইব্ৰীড ক'ভিডত সংক্ৰমিত হোৱাৰ পৰা সুৰক্ষা লাভ কৰিবলৈ হ'লে টিকাকৰণতে ভৰসা কৰিব লাগিব। যিসকল লোকৰ অন্যান্য জটিল ৰোগ আছে, তেওঁলোক অধিক সতৰ্ক হ'ব লাগিব বুলিও চিকিৎসকে পৰামৰ্শ দিছে।





## দিল্লী এইমছৰ সঞ্চালক ডাঃ গুলেৰিয়াৰ কাৰ্যকাল তিনিমাহ বৃদ্ধি


নিউজ ব্যুৰ'
নতুন দিল্লী, ২৩ মাৰ্চ ঃ দিল্লীস্থ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ সঞ্চালক ডাঃ ৰণদীপ গুলেৰিয়াৰ কাৰ্যকাল চৰকাৰে তিনিমাহ বৃদ্ধি কৰিলে। উল্লেখ্য যে এইমছৰ সঞ্চালক হিচাপে আজি ডাঃ গুলেৰিয়াৰ কাৰ্যকালৰ অন্তিম দিন আছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে ডাঃ গুলেৰিয়াৰ কাৰ্যকাল তিনিমাহ বৃদ্ধি কৰাৰ সিদ্ধান্ত ল'লে। কৰ'না কালত চৰকাৰৰ ৰণনীতিকাৰ হিচাপে ডাঃ গুলেৰিয়াই বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। উল্লেখ্য যে এইমছৰ নিয়ম অনুসৰি যিকোনো চিকিৎসকে সঞ্চালক হিচাপে পাঁচ বছৰ কাৰ্যৰত হ'ব পাৰে।



## দুবছৰ পাছত দেশত সকলো ক'ভিড বিধি প্ৰত্যাহাৰ

নিউজ ব্যুৰ'
নতুন দিল্লী, ২৩ মাৰ্চ ঃ অৱশেষত দুবছৰ পাছত ভাৰতত প্ৰত্যাহাৰ কৰা হ'ল সকলো ক'ভিড বিধি নিষেধ। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে এই সিদ্ধান্ত গ্ৰহণ কৰি আজি জনোৱা অনুসৰি অহা ৩১ মাৰ্চৰ পৰা দেশত কৰ'না সংক্ৰান্ত সকলো বিধি নিষেধ প্ৰত্যাহাৰ কৰা হ'ব। দেশৰ ক'ভিড পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিলে। ৩১ মাৰ্চৰ পৰা দেশত ক'ভিড বিধি বাতিল হ'ব যদিও মাস্ক পৰিধান আৰু শাৰীৰিক দূৰত্ব বিধি পালন কৰাটো অত্যাৱশ্যকীয় হ'ব। উল্লেখ্য যে ২০২০ৰ ২৪ মাৰ্চত ভাৰতত কৰ'না নিয়ন্ত্ৰণৰ বাবে প্ৰথমবাৰ চৰকাৰে তলাবন্ধ ঘোষণা কৰিছিল।

## ছাত্ৰীৰ বাবে আফগানিস্তানত পুনৰ মাধ্যমিক বিদ্যালয় বন্ধ কৰিলে তালিবানে



নিউজ ব্যুৰ', কাবুল, ২৩ মাৰ্চ ঃ তালিবানে আফগানিস্তানত ছাত্ৰীৰ বাবে মাধ্যমিক বিদ্যালয় পুনৰ মুকলি কৰাৰ অনুমতি দিছিল যদিও হঠাতে পুনৰ ছাত্ৰীৰ বাবে বিদ্যালয়ৰ দুৱাৰ বন্ধ ৰাখিবলৈ নিৰ্দেশ দিলে। তালিবানৰ মুখপাত্ৰ ইনামুল্লাহ ছমাংগানীয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা অনুসৰি ছাত্ৰীসকলক বিদ্যালয়ৰ পৰা ঘৰলৈ উভতাই পঠোৱা হৈছে। যোৱা বছৰৰ আগষ্টত তালিবানে কাবুল দখল কৰাৰ পাছত ছাত্ৰীৰ বাবে বিদ্যালয় বন্ধ কৰা হৈছিল। শেহতীয়াভাৱে মাধ্যমিক বিদ্যালয়সমূহত ছাত্ৰীক অধ্যয়নৰ পুনৰ সুবিধা প্ৰদান কৰাৰ কথা তালিবান চৰকাৰে ঘোষণা কৰিছিল। কিন্তু বিদ্যালয় খোলাৰ কেইঘণ্টামানৰ পাছতে শিক্ষকে সকলো ছাত্ৰীক ঘৰলৈ উভতি যাবলৈ নিৰ্দেশ দিয়ে। শিক্ষকে এইদৰে ছাত্ৰীসকলক শিক্ষাগ্ৰহণৰ পৰা বঞ্চিত কৰাত বিদ্যালয়লৈ অহা ছাত্ৰীসকলে চকুলো টুকি ঘৰলৈ উভতি যায়।

## পঞ্জাৱবাসীয়ে প্ৰত্যক্ষভাৱে মুখ্যমন্ত্ৰীক দিব পাৰিব দুৰ্নীতিৰ অভিযোগ, হেল্পলাইন নম্বৰ মুকলি

**নিউজ ব্যুৰ', চণ্ডীগড়, ২৩ মাৰ্চ ঃ** পঞ্জাৱত বিধানসভাৰ নিৰ্বাচনত আম আদমী পাৰ্টি (আপ)য়ে প্ৰতিশ্ৰুতি দিছিল যে দলে চৰকাৰ গঠন কৰিলে ৰাজ্যখনৰ পৰা দুৰ্নীতি-ভ্ৰষ্টাচাৰক বিদায় দিব। পঞ্জাৱত চৰকাৰ গঠনৰ পাছত মুখ্যমন্ত্ৰী ভগৱন্ত মান নেতৃত্বাধীন আপৰ চৰকাৰে ঘোষণা কৰি কয় যে এতিয়াৰে পৰা ৰাজ্যবাসীয়ে দুৰ্নীতিৰ প্ৰসংগত প্ৰত্যক্ষভাৱে মুখ্যমন্ত্ৰীক অভিযোগ দিব পাৰিব। ছহিদ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী মানে নিজৰ হোৱাটছএপ্ নম্বৰ ৯৫০১২০০২০০লৈ পঞ্জাৱবাসীক দুৰ্নীতিৰ প্ৰসংগত প্ৰত্যক্ষভাৱে অভিযোগ দিবলৈ অনুৰোধ জনায়। দুৰ্নীতি বিৰোধী এই হেল্পলাইন নম্বৰ মুকলি কৰি মুখ্যমন্ত্ৰীজনে কয় যে ৰাজ্যবাসীয়ে এই নম্বৰলৈ ফটো, অডিঅ' আৰু ভিডিঅ' প্ৰেৰণ কৰি দুৰ্নীতি ভ্ৰষ্টাচাৰৰ অভিযোগ দাখিল কৰিব পাৰিব। অভিযোগ লাভৰ লগে লগে চৰকাৰে প্ৰয়োজনীয় তদন্ত চলোৱাৰ লগতে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মানে ৰাজ্যবাসীক প্ৰতিশ্ৰুতি দিলে। পঞ্জাৱক দুৰ্নীতিমুক্ত কৰাৰ লক্ষ্যৰে এই হেল্পলাইন নম্বৰ মুকলি কৰা বুলি মানে জানিবলৈ দিয়ে।






## কাশ্মীৰত অনুপ্ৰৱেশৰ ঘটনা হ্ৰাস, ২০১৮-২১ বৰ্ষত ৩৬৬ অনুপ্ৰৱেশৰ ঘটনা সংঘটিত

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মাৰ্চ ঃ** কেন্দ্ৰীয় চৰকাৰে লোকসভাত দাখিল কৰা তথ্য অনুসৰি জম্মু-কাশ্মীৰত ২০১৮ৰ পাছৰে পৰা সীমান্তৰ সিপাৰৰ পৰা নিয়ন্ত্ৰণ ৰেখাত অনুপ্ৰৱেশৰ ঘটনা হ্ৰাস পাইছে। লোকসভাত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে দাখিল কৰা তথ্যত উল্লেখ কৰা মতে, ২০১৮ৰ পৰা ২০২১ৰ সময়ছোৱাত জম্মু-কাশ্মীৰত ৩৬৬টা অনুপ্ৰৱেশৰ ঘটনা সংঘটিত হৈছিল। মন্ত্ৰীজনে এক লিখিত প্ৰশ্নৰ উত্তৰত কয় যে বিগত চাৰি বছৰত জম্মু-কাশ্মীৰত ৩৬৬ টা অনুপ্ৰৱেশৰ অপচেষ্টাৰ ঘটনা সংঘটিত হোৱাৰ তথ্য লাভ কৰা হৈছিল।

## হিজাবৰ পাছত এইবাৰ মুছলমানক মন্দিৰৰ সন্মুখত ব্যৱসায়ত বাধা

**নিউজ ব্যুৰ'**
**বাংগালুৰু, ২৩ মাৰ্চ ঃ** কৰ্ণাটকত হিজাব বিতৰ্কৰ পাছত আৰম্ভ হ'ল ষ্টল বিতৰ্ক। দৰাচলতে ৰাজ্যখনৰ একাংশ মন্দিৰৰ চৌহদত মুছলমান ব্যৱসায়ীক বিপণী খোলাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। ইতিমধ্যে এই ঘটনাৰ সন্দৰ্ভত কৰ্ণাটকৰ গৃহমন্ত্ৰী অৰাগা জ্ঞানেন্দ্ৰই আৰক্ষীৰ পৰা প্ৰতিবেদন বিচাৰিছে। মন্ত্ৰীজনে প্ৰতিশ্ৰুতি দি কয় যে চৰকাৰে ৰাজ্যৰ আইন-শৃংখলাৰ প্ৰতি কঠোৰ দৃষ্টি ৰাখিছে। আজি গৃহমন্ত্ৰীজনে এই বিষয়ত মন্তব্য কৰি কয়, 'মই সংবাদ মাধ্যমৰ জৰিয়তে মুছলমান ব্যৱসায়ীক মন্দিৰত বিপণী খোলাৰ অনুমতি নিদিয়াৰ বাতৰি প্ৰত্যক্ষ কৰিছো। এই বিষয়ত মই আৰক্ষীৰ পৰা প্ৰতিবেদন বিচাৰিছো। ৰাজ্য চৰকাৰে কঠোৰ দৃষ্টি ৰাখিছে আৰু যিকোনো অপ্ৰিয় ঘটনা ৰোধ কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।'

কৰ্ণাটকত হিজাব বিতৰ্কৰ পাছতে কে'বাটাও মন্দিৰৰ পৰিচালনা সমিতি আৰু মেলা আয়োজক সমিতিয়ে মুছলমান ব্যৱসায়ীক বিপণী খোলাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। উল্লেখ্য যে বছৰ বছৰ ধৰি মুছলমান ব্যৱসায়ীয়ে ৰাজ্যখনত এই ধৰণৰ বাৰ্ষিক মেলাত মন্দিৰত বিপণী মুকলি কৰি আহিছে। শিৱমোগ্গাৰ ঐতিহাসিক কোটে মৰিকম্বা যাত্ৰাৰ আয়োজক সমিতিয়ে ঘোষণা কৰা অনুসৰি কালিৰে পৰা অনুষ্ঠিত হোৱা পাঁচদিনীয়া উৎসৱৰ সময়ত কেৱল হিন্দু ব্যৱসায়ীকহে বিপণী খোলাৰ বাবে অনুমতি দিয়া হ'ব। ইয়াৰ পাছতে বিষয়টোক লৈ ৰাজ্যজুৰি ব্যাপক বিতৰ্ক অব্যাহত আছে।



## সাংবাদিকক অপদস্থ কৰাৰ অভিযোগত ছলমান, দেহৰক্ষীলৈ আদালতৰ জাননী



নিউজ ব্যুৰ', মুম্বাই, ২৩ মাৰ্চ ঃ ২০১৯ বৰ্ষত এজন সাংবাদিকক ধমক দিয়া আৰু অপদস্থ কৰাৰ অভিযোগত মুম্বাইৰ এখন স্থানীয় আদালতে বলিউডৰ মহাতাৰকা অভিনেতা ছলমান খান আৰু তেওঁৰ দেহৰক্ষক নৱাজ শ্বেখলৈ চমন জাৰি কৰিলে। মহানগৰ দণ্ডাধীশ আৰ আৰ খানে এক নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি আৰক্ষীয়ে অভিযোগনামাত ছলমান আৰু নৱাজৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৫০৪ আৰু ৫০৬ ধাৰাত গোচৰ ৰুজু কৰিছে। অহা পাঁচ এপ্ৰিলত ছলমান আৰু নৱাজক দণ্ডাধীশৰ আদালতত হাজিৰ হ'বলৈকো আদালতে নিৰ্দেশ দিছে। উল্লেখ্য যে সাংবাদিক অশোক পাণ্ডেয়ে উত্থাপন কৰা অভিযোগ অনুসৰি, ছলমানে মুম্বাইৰ ৰাজপথত চাইকেল চলোৱাৰ সময়ত তেওঁৰ ম'বাইল ফোন কাঢ়ি লৈছিল। অভিনেতাজনে তেওঁৰ স'তে কাজিয়া কৰা আৰু ধমক দিয়াৰ অভিযোগো পাণ্ডেয়ে উত্থাপন কৰিছিল।

## অনাস্থা ভোটৰ পূৰ্বে ইমৰানৰ সংগ ত্যাগ তিনি সহযোগী দলৰ



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৩ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ সমস্যা বৃদ্ধি পালে। প্ৰকাশিত বাতৰি অনুসৰি ইমৰানৰ বিৰুদ্ধে অনুষ্ঠিত হ'ব লগা অনাস্থা ভোটৰ পূৰ্বে তিনিটা সহযোগী দলে পাক প্ৰধানমন্ত্ৰীৰ সংগ ত্যাগ কৰিলে। এই তিনিটা দলে প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে অনাস্থা উত্থাপন কৰা বিৰোধী দলৰ পক্ষত থিয় দিয়াৰ সম্ভাৱনাও আছে। উল্লেখ্য যে অহা ২৫ মাৰ্চত ইমৰানৰ বিৰুদ্ধে অনাস্থা ভোট গ্ৰহণ কৰা হ'ব। অনাস্থা ভোটৰ পূৰ্বে মুট্টাহিদা কৌমি ম'ভমেণ্ট পাকিস্তান, পাকিস্তান মুছলিম লীগ (কিউ) আৰু বেলুচিস্তান আৱামী পাৰ্টিয়ে ইমৰানৰ সংগ ত্যাগ কৰিলে। ৩৪২ সদস্য বিশিষ্ট সদনত ইমৰানক চৰকাৰ সুৰক্ষিত ৰাখিবলৈ ১৭২ সাংসদৰ সমৰ্থনৰ প্ৰয়োজন হ'ব।

## অস্বাভাৱিক উষ্ণতা বৃদ্ধি দক্ষিণ মেৰুত, ৪০ ডিগ্ৰীলৈ উত্তাপ বৃদ্ধি এণ্টাৰ্কটিকাত

নিউজ ব্যুৰ'
**ৱাশ্বিংটন, ২৩ মাৰ্চ ঃ** গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত সমগ্ৰ বিশ্বতে হাহাকাৰ অব্যাহত আছে। উষ্ণতা বৃদ্ধিৰ পৰিণতিত সমুদ্ৰৰ জলস্তৰ বৃদ্ধি পাইছে। বৰ্তমানৰ হাৰত সমুদ্ৰৰ জলস্তৰ বৃদ্ধি অব্যাহত থাকিলে আগন্তুক সময়ত মুম্বাই, জাকাৰ্টা, কলকাতা, ঢাকাৰ দৰে চহৰসমূহ পানীত ডুব যাব পাৰে বুলি গৱেষকসকলে শংকা প্ৰকাশ কৰিছে। জলবায়ু পৰিৱৰ্তনৰ কুপ্ৰভাৱ পৰিছে বিশ্বৰ দুই মেৰুত। ফলত দুই মেৰুত অস্বাভাৱিক উত্তাপ বৃদ্ধি পাইছে। দক্ষিণ মেৰুত ইতিমধ্যে তাপমাত্ৰা স্বাভাৱিকতকৈ ৪০ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পাইছে। যোৱা শুকুৰবাৰে এণ্টাৰ্কটিকাৰ বতৰ বিজ্ঞান বিভাগে নথিভুক্ত কৰা তাপমাত্ৰাই অভিলেখ ভংগ কৰিলে। ৩২৩৪ মিটাৰ উচ্চতাত অৱস্থিত কনকৰ্ডিয়া বতৰ বিজ্ঞান কেন্দ্ৰত যোৱা শুকুৰবাৰে তাপমাত্ৰা আছিল মাইনাছ ১২.২ ডিগ্ৰী চেলছিয়াছ আৰু এয়া স্বাভাৱিক তাপতকৈ ৪০ ডিগ্ৰী অধিক আছিল। এণ্টাৰ্কটিকাৰ উচ্চতৰ ভ'ষ্টক কেন্দ্ৰত তাপমাত্ৰা শুকুৰবাৰে মাইনাছ ১৭.৭ ডিগ্ৰী চেলছিয়াছ আছিল। যোৱা শুকুৰবাৰে সমগ্ৰ এণ্টাৰ্কটিকা মহাদেশত স্বাভাৱিক তাপমাত্ৰাৰ তুলনাত ৪.৮ ডিগ্ৰী চেলছিয়াছ অধিক তাপমাত্ৰা লিপিবদ্ধ হৈছিল।




## মাজ আকাশত নিয়ন্ত্ৰণ হেৰুৱাই ভূপতিত হ'ল পাক বায়ুসেনাৰ বিমান, নিহত দুই



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৩ মাৰ্চ ঃ** বিমান দুৰ্ঘটনাৰ পৰিণতিত পাকিস্তানত প্ৰাণ হেৰুৱালে দেশখনৰ বায়ুসেনাৰ দুজন বৈমানিকে। মঙলবাৰে পেছোৱাৰত পাকিস্তানৰ বায়ুসেনা বাহিনীৰ এখন বিমান হঠাতে ভূপতিত হৈছিল। মাজ আকাশত উৰণৰ সময়তে যান্ত্ৰিক বিজুতি সংঘটিত হোৱা বিমানখন তললৈ বাগৰি পৰে। বিমানৰ ভিতৰত থকা পাক বায়ুসেনাৰ দুজন বৈমানিকক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। উল্লেখ্য যে পাকিস্তানৰ বৈমানিকৰ যোগ্যতাক লৈ সময়ে সময়ে প্ৰশ্ন উত্থাপিত হৈ আহিছে। দেশখনৰ স্বয়ং বিমান পৰিবহণ মন্ত্ৰীয়ে বহু বৈমানিকে ভুৱা অনুজ্ঞাপত্ৰৰে বিমানচালনা কৰাৰ তথ্যও ধৰা পেলাইছিল।

## ইউক্ৰেইন আক্ৰমণৰ প্ৰভাৱ পুটিন পৰিয়ালত, স্বামীৰে বৈবাহিক জীৱনৰ অৱসান ঘটিল পুটিন কন্যাৰ



নিউজ ব্যুৰ', মস্কো, ২৩ মাৰ্চ ঃ ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াই যুদ্ধ অব্যাহত ৰখাৰ সময়তে ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ জ্যেষ্ঠ কন্যা ডাঃ মাৰিয়া ভ'ৰ'নটছ'ভাৰ বৈবাহিক জীৱনত অঘটন সংঘটিত হ'ল। ৩৬ বছৰীয়া ডাঃ মাৰিয়াৰ স'তে ব্যৱসায়ী স্বামীৰ বিবাহ বিচ্ছেদ সম্পন্ন হ'ল। ৰুছ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, যুদ্ধৰ প্ৰভাৱতে পুটিন কন্যাৰ স'তে বৈবাহিক সম্পৰ্কৰ অৱসান ঘটোৱাৰ সিদ্ধান্ত ল'লে ডাঃ মাৰিয়াৰ বিদেশী স্বামীয়ে। উল্লেখ্য যে পুটিনে কে জি বিৰ চোৰাংচোৱা হিচাপে কৰ্মৰত হোৱাৰ সময়তে কন্যা মাৰিয়াৰ জন্ম হৈছিল। বৰ্তমানে মাৰিয়াই ৰাছিয়াৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ নেচনেল মেডিকেল ৰিচাৰ্ছ চেণ্টাৰ ফ'ৰ এণ্ড্ৰক্ৰাইন'ল'জিত মুখ্য গৱেষক হিচাপে কৰ্মৰত। মাৰিয়াই শিশুৰ মাজত হোৱা অতি বিৰল জেনেটিক ৰোগৰ সন্দৰ্ভত গৱেষণামূলক অধ্যয়ন চলাই আহিছে। হঠাতে পুটিনৰ ইউক্ৰেইন আক্ৰমণৰ পৰিণতিত নিজৰ বৈবাহিক জীৱন সংকটৰ সন্মুখীন হোৱাত ডাঃ মাৰিয়াই ৰাছিয়াত বিদেশী নাগৰিকৰ বাবে এখন অতি অত্যাধুনিক চিকিৎসালয় মুকলি কৰাৰ পৰিকল্পনা বাতিল কৰিব লগা হ'ল। ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰাৰ পাছৰে পৰা সামাজিক মাধ্যমত ডাঃ মাৰিয়াই বহু লোকৰ কটুক্তি শুনিব লগা হৈছে। নেদাৰলেণ্ডছৰ এজন ধনাঢ্য ব্যৱসায়ীৰ স'তে ডাঃ মাৰিয়াৰ বিবাহ সম্পন্ন হৈছিল। কিন্তু পুটিনৰ ইউক্ৰেইন আগ্ৰাসী আচৰণে ডাঃ মাৰিয়াৰ বৈবাহিক জীৱনৰ অৱসান ঘটালে।

## পাকিস্তানত নিৰাপত্তা বাহিনীৰ গুলিত ধৰাশায়ী চাৰি সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ', লাহোৰ, ২৩ মাৰ্চ ঃ** পাকিস্তানৰ খাইবাৰ পখটুনখাৱা প্ৰদেশত নিৰাপত্তা বাহিনীয়ে চলোৱা এক অভিযানত ধৰাশায়ী হ'ল চাৰিজন সন্ত্ৰাসবাদী। পাকিস্তানৰ সেনাবাহিনীয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, অঞ্চলটোৰ বাজৌৰ কবায়লী জিলাৰ ব্ল'ৰুত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সেনাই চলোৱা অভিযানত নিৰাপত্তা বাহিনীৰ গুলিত চাৰি সন্ত্ৰাসবাদীয়ে প্ৰাণ হেৰুৱালে। অঞ্চলটোত ঘাটিপতা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত সেনায়ো গুলিৰে প্ৰত্যুত্তৰ দিছিল। উভয়পক্ষৰ মাজত দীৰ্ঘ সময় ধৰি চলা গুলীয়াগুলিৰ পাছত অঞ্চলটোৰ পৰা চাৰি সন্ত্ৰাসবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

# লাহৰীঘাটত বৃদ্ধাক ধৰ্ষণৰ চেষ্টা যুৱকৰ

## ■ কলংক সহ্য কৰিব নোৱাৰি ঘটনা বিৱৰি কৈ শোকত মূৰ্চ্ছা গ'ল বৃদ্ধা ■ অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত লেলাবড়ীত প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৩ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত এইবাৰ বৃদ্ধাক ধৰ্ষণৰ চেষ্টা পুত্ৰ-নাতিনসম যুৱকৰ। এই ঘটনাটো সংঘটিত হৈছে লাহৰীঘাট থানাৰ অন্তৰ্গত লেলাবড়ী গাঁৱত। যোৱা দেওবাৰে এই ঘটনাটো সংঘটিত হৈছিল যদিও গাঁৱৰ ৰাইজে ঘটনাটো ৰাজহুৱা নকৰি লাহৰীঘাট আৰক্ষীৰ কাষ চাপিছিল সোমবাৰে। কিন্তু সোমবাৰে তেওঁৰ বিৰুদ্ধে লাহৰীঘাট থানাত এজাহাৰ দাখিল কৰা পাছতো আজি পৰ্যন্ত অভিযুক্তক কৰায়ত্ব নকৰাত ৰাইজ ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰাত ঘটনাটো পোহৰলৈ আহে। আজি আবেলি চাৰিমান বজাত অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত লেলাবড়ীত অঞ্চলৰ দুই শতাধিক পুৰুষ-মহিলাই লাহৰীঘাট আৰক্ষীৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি-লাহৰীঘাট থানা আৰক্ষী হুঁছিয়াৰ, আৰক্ষীৰ দালালি নচলিব আদি শ্ল'গানেৰে উত্তাল কৰে। যোৱা দেওবাৰে লাহৰীঘাট থানা অঞ্চলৰ এগৰাকী ৬০ বছৰীয়া বৃদ্ধাক মাছ মাৰি থকাৰ অৱস্থাতে অঞ্চলটোৰ বোৱালগুৰি গাঁৱৰ পুত্ৰ-নাতিসম ছেইকুল ইছলাম নামৰ এজন যুৱকে ধৰ্ষণৰ চেষ্টা চলায়। মহিলা গৰাকীয়ে চিঞৰ-বাখৰ কৰি কোনোমতে লম্পটটোৰ দুহাতৰ পৰা মুকলি হ'বলৈ সক্ষম হয় যদিও এই কাণ্ডত মহিলাগৰাকী আহত হ'বলগীয়া হয়। ঘটনাৰ সবিশেষ বৃদ্ধা গৰাকীয়ে গাঁৱত ৰাজহুৱা কৰে আৰু ৰাইজৰ মত সাপেক্ষে মহিলাগৰাকীয়ে সোমবাৰে লাহৰীঘাট থানাত এখন এজাহাৰ দাখিল কৰে। অভিযোগ মতে এনে এটা জঘন্য ঘটনাৰ এজাহাৰ লাভ কৰিও আজিলৈকে ঘটনাৰ তদন্ত নকৰি লাহৰীঘাট আৰক্ষীয়ে ধৰ্ষণকাৰীজনক পলায়নৰ সুযোগ প্ৰদান কৰে। লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আলিমউদ্দিন আহমেদৰ এনে কাণ্ডৰ বাবে ক্ষুব্ধ হৈ পৰে অঞ্চলবাসী। ফলত যুৱকজনক গ্ৰেপ্তাৰৰ দাবীত আজি অঞ্চলটোৰ পুৰুষ-মহিলা ওলাই আহি আজি লাহৰীঘাট আৰক্ষীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হয়। ইফালে, নিৰ্যাতিতা বৃদ্ধা মহিলাগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কলংকিত ঘটনাটোৰ কথা বিবৰি কান্দি মাটিত বাগৰি মুৰ্চ্ছা যায়। প্ৰতিবাদকাৰীসকলে লাহৰীঘাট থানা আৰক্ষীক কঠোৰ ভাষাৰে সমালোচনা কৰি ক্ষোভ উজাৰি কয় লাহৰীঘাট থানাত চলা দালালৰাজৰ বাবেই আইতাৰ বয়সৰ এগৰাকী ৬০ বছৰীয়া বৃদ্ধাৰ এনে হিয়া ভঙা কান্দোনে হৃদয় চুব পৰা নাই। বিস্কুট চোৰক ঔপিটন দিয়া লাহৰীঘাট আৰক্ষীৰ বিৰুদ্ধে এনে অপৰাধীক ৰক্ষণা-বেক্ষণ দিয়া অভিযোগে যথেষ্ট তাৎপৰ্য বহন কৰিছে।

# অসম কৃষি বাণিজ্য-গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত পৰীক্ষামূলক ভ্ৰমণ



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৩ মাৰ্চ ঃ** মঙলবাৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষি বিজ্ঞান কেন্দ্ৰ মৰিগাঁৱৰ অসম কৃষি-বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প (APART)ৰ অধীনত এটা পৰীক্ষামূলক ভ্ৰমণ (Exposure Visit) ৰূপায়ণ কৰা হয়। ইয়াত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয় বস্তু বিশেষজ্ঞ দুগৰাকীৰ লগতে এপাৰ্ট প্ৰকল্পৰ এগৰাকী বৈজ্ঞানিক, আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা কেন্দ্ৰৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ দুগৰাকী বৈজ্ঞানিক, অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যান বিজ্ঞান মহাবিদ্যালয়ৰ ২১ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু সোনতলি কৃষক উৎপাদক গ্ৰুপৰ কেইগৰাকীমান কৃষক উপস্থিত থাকে। তেওঁলোকে মূলতঃ বানমূৰী গাঁৱৰ মাকৈ শস্যৰ খেতিপথাৰত তেওঁলোকৰ সহায়ত কৃষকে ধান খেতি কৰা ঠাইত মাকৈ শস্যৰ উৎপাদন কৰা পদ্ধতিৰ ঠাই দেখা কৰি কৃষকসকলক কিছু উপদেশ দিয়াৰ লগতে বৰচলাস্থিত কাষ্টম হায়াৰিং চেণ্টাৰত আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা কেন্দ্ৰৰ বৈজ্ঞানিক ড° ৰোহিত নোমদাৰে ধান বনা যন্ত্ৰ, ধান কটা যন্ত্ৰ, কঠীয়া ৰোৱা যন্ত্ৰৰ লগতে ড্ৰাম চিদাৰৰ ভূমিকা সকলোৰে আগত অৱগত কৰায়। তদুপৰি তেওঁ যুৱ খেতিয়কসকলক স্বাৱলম্বী হোৱাৰ পথ দেখুৱাই উৎসাহিত কৰে। অৱশেষত উদ্যান বিজ্ঞান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বৰমানীপুৰত অৱস্থিত ৩.৫ বিঘা মাটিৰ বগৰী গছৰ বাগিচা এখন দেখুৱাই ভ্ৰমণটো সাফল্যমণ্ডিত কৰে ।

# কুৰুৱাবাহীত যুৱকৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৩ মাৰ্চ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত কুৰুৱাবাহীত আজি পুৱা এজন যুৱকে আত্মহত্যা কৰাৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই যুৱকজন হৈছে কুৰুৱাবাহীৰ নিবাসী খগেন বৰাৰ পুত্ৰ জ্যোতিময় বৰা(২০)। তথ্য মতে, যুৱকজনে ঘৰৰ কিছু নিলগতে পথৰ দাঁতিত থকা এজোপা গছত চিপ লৈ আত্মহত্যা কৰে। প্ৰাতঃভ্ৰমণৰ বাবে অহা স্থানীয় লোকে যুৱকজনক ওলমি থকা অৱস্থাত প্ৰত্যক্ষ কৰি লগে লগে জাজৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# শিমুলটাপুত পকী পথৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৩ মাৰ্চ ঃ** স্বাধীনতাৰ সাত দশক অতিক্ৰম হোৱাৰ পাছতো চৰকাৰী উন্নয়নৰ কোনো আঁচনি ৰূপায়ণ নোহোৱা দুই নম্বৰ শিমুলটাপু গাঁৱত আজি এটি পকী পথ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে বিবিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ সমষ্টিৰ পৰিষদীয় সদস্যসজল কুমাৰ সিংহই। উক্ত অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই সিংহই নিজৰ প্ৰচেষ্টাৰে তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গুড উইল মিছনৰ পুঁজিৰ পৰা আবণ্টিত ১.৭২ লাখ টকাৰে নিৰ্মাণ হ'বলগীয়া পথটোৰ আধাৰশিলা স্থাপন কৰি সিংহই কয় যে তেওঁৰ কাৰ্যকালত অঞ্চলটোক দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ বাবে তেওঁ যৎপৰোনাস্তি চেষ্টা অব্যাহত থাকিব।

# বিচিপিএলত শ্ৰমিকৰ ধৰ্মঘটঃ উৎপাদন বন্ধ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৩ মাৰ্চ ঃ** ডিব্ৰুগড়ৰ গেছ ক্ৰেকাৰ প্ৰকল্প চমুকৈ বিচিপিএলত আজি শ্ৰমিকৰ প্ৰতিবাদত উৎপাদন ব্যহত হয়। বিচিপিএলৰ শ্ৰমিকক কৰ্তৃপক্ষই অন্যায়ভাৱে বহিস্কৃত কৰি ৰখাকে ধৰি কেঁবাটাও দাবীৰ প্ৰতিবাদত পুৱাৰে পৰা প্ৰৱেশদ্বাৰৰ সন্মুখত শ্ৰমিকসকলে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে। গেছ ক্ৰেকাৰ প্ৰকল্পৰ ঠিকাদাৰী শ্ৰমিকসকলে এই প্ৰতিবাদ সাব্যস্ত কৰে। বিচিপিএলত শ্ৰমিকক কামৰপৰা অন্যায়ভাৱে বহিস্কৃত কৰাৰ প্ৰতিবাদত শ্ৰমিকসকলে অনশন ধৰ্মঘট ৰূপায়ন কৰে। বিচিপিএলত কৰ্মৰত দুজন শ্ৰমিক নেতা ক্ৰমে ইন্দ্ৰকান্ত গগৈ আৰু সোণেশ্বৰ দুৱৰাক বিচিপিএলৰ কৰ্তৃপক্ষই অন্যায়ভাৱে কৰ্মৰ পৰা বহিস্কৃত কৰি ৰখাৰ অভিযোগত আজি পুৱা আঠ বজাৰ পৰা দিনৰ তিনি বজালৈ বিচিপিএলৰ 'মুখ্য গেটৰ' প্ৰতিভা গেটৰ সন্মুখত কে'বাশ পুৰুষ-মহিলা শ্ৰমিকে অনশন ধৰ্মঘট পালন কৰে। যাৰ ফলত আজি বিচিপিএলৰ স্বাভাৱিক কাম-কাজৰ লগতে উৎপাদন স্থবিৰ হৈ পৰে। আনহাতে শ্ৰমিক সংগঠনৰ দাবীৰ সন্দৰ্ভত কতৃপক্ষই শীঘ্ৰে ব্যৱস্থা গ্ৰহণ নকৰিলে প্ৰকল্প বন্ধ কৰি দিয়াৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিব বুলি শ্ৰমিকসকলে সকিয়নী প্ৰদান কৰিছে।

# নটুৱাগাঁও নাৰী সমাজৰ সহযোগত নাৰী সজাগতা সভা

# ৰাজ্যৰ প্ৰতিখন জিলাৰ সদৰত আইদেউ সন্দিকৈৰ প্ৰতিমূৰ্তি স্থাপনৰ দাবী মহিলা সমাজৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৩ মাৰ্চ ঃ** আইদেউ সন্দিকৈ শাখা লেখিকা সংস্থাৰ উদ্যোগত নটুৱাগাঁও নাৰী সমাজৰ সহযোগত বুধবাৰে মৰিগাঁৱৰ নটুৱাগাঁৱত এখন নাৰী সজাগতা সভাখন অনুষ্ঠিত হয়। নটুৱাগাঁও প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এই সজাগতা সভাখনত অঞ্চলটোৰ প্ৰায় শতাধিক মহিলাই অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। বিশেষকৈ আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থাৰ সভানেত্ৰী ৰীণাৰাণী শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে বিশিষ্ট শিক্ষাবিদ তথা মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পুনাৰাম নাথে আইদেউ সন্দিকৈৰ জীৱন দৰ্শনৰ ওপৰত বক্তব্য আগবঢ়োৱাৰ সামান্তৰালভাৱে বৰ্তমান সমাজ ব্যৱস্থাপনাত নাৰীসকল কেনেদৰে আগবাঢ়িব লাগিব সেই সন্দৰ্ভত সৰলভাৱে বক্তব্য আগবঢ়ায়। আনহাতে, বিশিষ্ট অতিথি হিচাপে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি প্ৰতাপ হাজৰিকাই নাৰীৰ সুৰক্ষা, অধিকাৰ, সৱলীকৰণ' বিষয়ক কেন্দ্ৰ কৰি কে'বাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ ভাষণ প্ৰসংগত নাৰী সকল জন্মগতভাৱে পুৰুষতকৈ যথেষ্ট পৰিমাণে আগবঢ়া বুলি আন এক গুৰুত্বপূৰ্ণ বক্তব্য ৰাখে। আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থাৰ সম্পাদিকা গীতাঞ্জলি বৰদলৈয়ে উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সজাগতা সভাখনত কৃষি বিষয়া মুকুল ভাৰতী নাথ, আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থাৰ কাৰ্যকৰী সভাপতি ভাগ্য মহন্ত, মৰিগাঁও জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদক বলদেৱ নাথ, নটুৱাগাঁও গ্ৰামোন্নয়ন সমিতিৰ উপদেষ্টা বিপুল নাথ, সম্পাদক পুষ্পনাথ কাকতি, নটুৱাগাঁও আঞ্চলিক নাথ যোগী সন্মিলনৰ সভাপতি ৰমেশ চন্দ্ৰ নাথ, সমাজকৰ্মী যোগেন নাথ, আইদেউ সন্দিকৈ সাংস্কৃতিক বহুমুখী সংস্থাৰ সাংগঠনিক সম্পাদিকা অনিতা পাঠক সমন্নিতে নটুৱাগাঁও নাৰী সমাজৰ সভাপতি বিনিতা দেৱী, সম্পাদিকা কল্পনা দেৱীসহ সমিতিৰ বিষয়ববীয়াসকলে বিয়ানাম, সমবেত সংগীত, কবিতা পাঠ, প্ৰবন্ধ পাঠ কৰাৰ লগতে শিশু শিল্পী অন্তৰা দেৱীৰ বৰগীত পৰিবেশনেৰে অনুষ্ঠানটো জীপাল কৰি তুলে। সজাগতা সভাখন আৰম্ভ হোৱাৰ প্ৰাক্‌মুহূৰ্তত মহিয়সী নাৰী আইদেউ সন্দিকৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাপণ কৰে বিনুপ্ৰভা দেৱীয়ে। সঞ্চালিকাৰ ভাষণ প্ৰসংগত অসমৰ প্ৰতিখন জিলাৰ সদৰত একোটিকৈ মহিয়সী নাৰী আইদেউ সন্দিকৈৰ প্ৰতিমূৰ্তি স্থাপন কৰিবলৈ অসম চৰকাৰলৈ দাবী জনায়।



# মৰিয়নি মহাবিদ্যালয়ত 'বিশ্ব কবিতা দিৱস' উদযাপন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৩ মাৰ্চ ঃ** মৰিয়নি মহাবিদ্যালয়ৰ অসমীয়া আৰু ইংৰাজী বিভাগৰ যুটীয়া উদ্যোগত আৰু সাহিত্য মঞ্চৰ সহযোগত আজি 'বিশ্ব কবিতা দিৱস' উদযাপন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ভৱনত সাহিত্য মঞ্চৰ সভানেত্ৰী, জ্যেষ্ঠা অধ্যাপিকা ড° বাণী বৰাৰ সঞ্চালনাত অনুষ্ঠান অনুষ্ঠিত হয়। সাহিত্য মঞ্চৰ সদস্যা, শিক্ষা বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা মিনতি বৰঠাকুৰে হীৰেন ভট্টাচাৰ্যৰ 'নীল নক্ষত্ৰ' কবিতা পাঠেৰে উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা ড° মানৱী গগৈয়ে মই, মোৰ সত্ত্বা আৰু বুকুৰ কাঁইটডাল, অৰ্চনা শইকীয়াই ন-ব'হাগৰ আগমন, ববীতা ফুকনে ফাগুন আৰু ভেলেন্টাইন, অৰূপাঞ্জলি বৰাই লাইফ, মনালিছা বৰঠাকুৰে দেৱাল, শিল, আলহী, পল্লৱী কলিতাই চেনাই, আকাশৰ বিশালতা শীৰ্ষক স্বৰচিত কবিতা পাঠ কৰে। উদেষ্ণা টায়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত সঞ্চালিকা ড° বাণী বৰাই 'বিশ্ব কবিতা দিৱস'ৰ তাৎপৰ্য ব্যাখ্যা কৰি মানসিক উৎকৰ্ষ সাধনৰ বাবে কবিতাৰ দৰে সৃষ্টিশীল সাহিত্যৰ চৰ্চা অব্যাহত ৰখাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায় ।



*অসম বিধানসভা সচিবালয়ৰ বিষয়া সমিত চৌধুৰীৰ 'ৰিলিজিয়নছ, নেচনেলিজিম, ইণ্ডিয়ানাইজেচন এণ্ড ইণ্ডিয়া'ছ পলিটিকেল কালচাৰ' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰিছে ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে।*

# ধলাইবিলত বিজেপিৰ নদুৱাৰ মণ্ডল যুৱ মৰ্চাৰ ছহিদ দিৱস উপলক্ষে স্বচ্ছতা অভিযান



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৩ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ধলাইবিলথ সংস্থাপিত উত্তৰ জামুগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ প্ৰাংগণত ভাৰতীয় জনতা যুৱ মৰ্চাৰ নদুৱাৰ মণ্ডলৰ উদ্যোগত আজি ছহিদ দিৱস উপলক্ষে স্বচ্ছতা অভিযানৰ কাৰ্যসূচী ৰূপায়ণৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। যুৱমৰ্চাৰ শতাধিক সদস্যই চিকিৎসালয় চৌহদত চাফাই অভিযান চলাই পৰিষ্কাৰ পৰিচ্ছন্ন কৰি তোলাৰ পাছতে অনুষ্ঠিত হয় ছহিদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। নদুৱাৰ মণ্ডল যুৱমৰ্চাৰ সভাপতি ভাস্কৰ শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত দেশমাতৃৰ হকে আত্ম বলিদান দিয়া বীৰ ছহিদ ভগৎ সিং,সুখ দেৱ আৰু ৰাজ গুৰুৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে নদুৱাৰ মণ্ডল বিজেপিৰ সভাপতি জয়ন্ত বৰা, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ৰূপক বৰুৱা, বিশ্বনাথ জিলা যুৱ মৰ্চাৰ সভাপতি মাধুৰ্য বৰা, নদুৱাৰ মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী ৰূপালী বৰুৱা, দক্ষিণ মূড়াদল গাঁওপঞ্চায়তৰ সভাপতি দিলীপ সেনাপতি আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যা ৰূপালী বৰাৰ লগতে যুৱমৰ্চাৰ সদস্য সকলে। অনুষ্ঠানত তিনিও গৰাকী বীৰ ছহিদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া ভাষণ প্ৰসংগত মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া তথা সু বক্তা ডাঃ বৰুৱাই কয় যে ভাৰতৰ স্বাধীনতা আন্দোলনৰ তিনিগৰাকী বীৰ ছহিদে এটা বেলেগ ধাৰা প্ৰতিফলিত কৰিছিল। ছহিদ ভগৎ সিঙে ব্ৰিটিছৰ এজন উচ্চ পদস্থ বিষয়াৰ লগতে তেওৰ এজন অনুচৰক গুলীয়াই হত্যা কৰিছিল। ইয়াৰ বিচাৰ স্বৰূপেই ভগৎ সিঙক ফাঁচিকাঠত ওলমাইছিল ব্ৰিটিছে। ফাঁচিৰ পুৰ্ব্বে ভগৎ সিঙে ব্ৰিটিছক কৈছিল তোমালোকে মোৰ শৰীৰটোকহে ধ্বংস কৰিব পাৰিবা; কিন্তু মোৰ আত্মাক কেতিয়াও ধ্বংস কৰিব নোৱাৰা। এই মন্তব্য কৰি জ্যেষ্ঠ চিকিৎসকজনে আৰু কয় যে উক্ত কথা সত্য প্ৰতিপন্ন হোৱাৰ বাবেই ছহিদগৰাকী আজি মৰিও অমৰ হৈ জীয়াই আছে আমাৰ মাজত। সমগ্ৰ দেশবাসীয়ে আজি তেওঁৰ লগতে আন দুগৰাকী ছহিদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অমৰত্ব প্ৰদান কৰিছে।

# ঘগ্ৰাপাৰত যুৱ মৰ্চাৰ উদ্যোগত ছহিদ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৩ মাৰ্চ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বিজেপিৰ বড়িগোগ বনভাগ কাৰ্যালয়ত ভাৰতীয় জনতা যুৱ মৰ্চা বড়িগোগ বনভাগ মণ্ডল সমিতিৰ উদ্যোগত ভগৎ সিং, সুখদেৱ আৰু ৰাজগুৰুৰ মৃত্যু তিথি উপলক্ষে ছহিদ দিৱস পালন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন সোঁৱৰণী সভা আৰু ৰাজহুৱা অনুষ্ঠানত যুৱ সতীৰ্থসকলে স্বচ্ছতা অভিযানত অংশগ্ৰহণ কৰে। দেশমাতৃৰ স্বতন্ত্ৰতাৰ বাবে নিজৰ জীৱনকো তুচ্ছ কৰি সংগ্ৰামী সত্ত্বাৰে ঔপনিৱেশকি ব্ৰিটিছৰ শোষণ-বঞ্চনাৰ বিৰুদ্ধে বিদ্ৰোহ কৰা মহান সংগ্ৰামী ছহিদ ভগৎ সিং, সুখ দেৱ আৰু ৰাজগুৰুৰ মৃত্যু তিথিত যুৱ মৰ্চাই শ্ৰদ্ধাসহকাৰে সোঁৱৰণ কৰে। বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাসে সভাপতিত্ব কৰা অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডলৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই কয় যে এই মহান সংগ্ৰামীসকলৰ স্বদেশৰ প্ৰতি দুৰ্বাৰ প্ৰেম আৰু আত্মবলিদানৰ নিদৰ্শন প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰভাৱিত কৰি আহিছে। এইসকল মহান পুৰুষৰ আপোচহীন আদৰ্শ সাৰোগত কৰি আমি স্বদেশ-স্বজাতিৰ প্ৰতি দায়বদ্ধ হোৱা উচিত বুলিও তেওঁ মন্তব্য কৰে। সভাত যুৱ মৰ্চাৰ বড়িগোগ বনভাগৰ মণ্ডলক প্ৰভাৰী হৰিদেৱ ৰাজবংশী আৰু সহকাৰী প্ৰভাৰী বিশাল বৰ্মন আদিকে ধৰি শতাধিক কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

# অভিনেতা চন্দ্ৰ মজুমদাৰৰ মৃত্যু

বিশেষ সংবাদদাতা

**বৰপেটা, ২৩ মাৰ্চ ঃ** বৰপেটাত নাট্য আন্দোলনৰ অগ্ৰগণী গুৰি ধৰোতা, অভিনেতা, অসম নাট্য সন্মিলনৰ বৰপেটা শাখাৰ প্ৰাক্তন সভাপতি, বৰপেটা চহৰৰ আমোলাপট্টি নিবাসী চন্দ্ৰ মজুমদাৰ (৮২)ৰ আজি বিয়লি বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। বিজেপিৰ বৰপেটা জিলা সমিতিৰ প্ৰাক্তন সভাপতি মজুমদাৰে বিগত কে'বামাহ ধৰি অসুস্থ হৈ আছিল। তেওঁ নাট্য সন্মিলন বৰপেটা জিলাৰ প্ৰাক্তন উপদেষ্টাৰ উপৰি মৃত্যুৰ সময়লৈকে নাট্য সন্মিলন বৰপেটা শাখাৰ উপদেষ্টা আছিল। মজুমদাৰে ৬০ৰ দশকত গণনাট্য সংঘৰ স'তেও সক্ৰিয়ভাৱে জড়িত আছিল। ১৯৭৪ত মুক্তিপ্ৰাপ্ত অমৰ পাঠক পৰিচালিত 'সন্তান' আৰু গণেশ দাসৰ চিত্ৰনাট্য ১৯৮৫ত মুক্তিপ্ৰাপ্ত 'মানস কন্যা' নামৰ অসমীয়া চলচ্চিত্ৰৰ পাৰ্শ্ব চৰিত্ৰত অভিনয় কৰিছিল। কে'বাখনো নাটকত বলিষ্ঠ অভিনয়েৰে সুখ্যাতি অৰ্জন কৰা মজুমদাৰৰ বিয়োগত নাট্য সন্মিলন বৰপেটা শাখা, ৰংঘৰ, জনান্তিক, ইনভিকটাছ, বৰপেটা প্ৰেছ ক্লাব, বৰপেটা সাহিত্য সভা, তাঁতিকুছি যুৱ-ছাত্ৰ পৰিষদ বৰপেটা জিলা সমিতি, শিৱ শংকৰ ক্লাব, সমাহাৰ গোষ্ঠী আদি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# হজৰত বান্দাশ্বাহ দৰগাহ চৌহদত বনৰীয়া হাতীৰ আক্ৰমণ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১০ কিলোমিটাৰ নিলগত অৱস্থিত পানীদিহিং পক্ষী অভায়াৰণ্যৰ কাষৰ দিচাং নদীৰ গাতে লাগি থকা হজৰত বান্দাশ্বাহ পীৰ দৰগাহ শ্বৰীফতসঘনে বনৰীয়া হাতীৰ উপদ্ৰপে জনসাধাৰণৰ নিদ্ৰা হৰণ কৰিছে। খাদ্যৰ সন্ধানত অহা হাতীৰ জাকটোৱে বিগত দিনত অঞ্চটোত সন্ত্ৰাস সৃষ্টি কৰি অঞ্চলবাসীৰ ঘৰ-দুৱাৰ ভাঙি তহিলং কৰিছে। বন বিভাগে এই ক্ষেত্ৰত বিভিন্ন সময়ত বনৰীয়া হাতী খেদাই দুৰলৈ পঠাই যদিও অত্যাধুনিক হাতী খেদা সা-সৰঞ্জাম নথকাৰ বাবে বন বিভাগৰ কৰ্মচাৰীসকলেও এই ক্ষেত্ৰত আশানুৰূপ ৰাইজ সন্তোষ্ট হোৱাকৈ সহযোগিতা আগবঢ়াব পৰা নাই। শেহতীয়াকৈ পুনৰ কালি এই বনৰীয়া হাতীজাকে ঐতিহাসিক হজৰত বান্দাশ্বাহ পীৰ দৰগাহৰ চৌহদত প্ৰৱেশ কৰি তাত থকা খাদিমজনৰ ঘৰ ধ্বংস কৰে। ৰিৰিয়া অঞ্চলৰ দিচাং নদীৰ কাষত অৱস্থিত হজৰত বান্দাশ্বাহ বাবাৰ দৰগাহত যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত কথমপি প্ৰাণ ৰক্ষা পৰে দৰগাহৰ খাদিমৰ পৰিয়াল। দৰগাহৰ খাদিম চফি আলীয়ে ঘটনাৰ বিষয়ে কয় যে যোৱা নিশা প্ৰায় ৮.৩০ বজাত তেওঁৰ পৰিবাৰে ভাত ৰান্ধি থকা সময়তে তিনিটা প্ৰকাণ্ড বনৰীয়া হাতীয়ে দৰগাহৰ চৌহদত থকা তেওঁৰ বাসগৃহত উপস্থিত হৈ ঘৰৰ বেৰত আক্ৰমণ কৰে। সেই সময়তে খাদিমে তেওঁৰ পত্নীৰ স'তে দুই সন্তান লৈ ঘৰৰ পাছফালে এডাল জখলায়েদি বগাই নদীৰ কাষেৰে পলাবলৈ চেষ্টা কৰে। কিছু সময়ৰ পাছত জোলাটোপৰ কাষত উপস্থিত হৈ দিচাং নদীখন পাৰ কৰাই দিবৰ বাবে স্থানীয় ৰাইজলৈ বাৰ্তা প্ৰেৰণ কৰে। নিশা স্থানীয় ৰাইজে খাদিম চফি আলীৰ পৰিয়ালটোক নিৰাপদ স্থানলৈ আঁতৰাই নিয়ে। খাদিমজনে জানিবলৈ দিয়া মতে খাদ্যৰ সন্ধানত কাষৰ চিতলীয়া অঞ্চলৰ পৰা প্ৰায়েই হাতীৰ জাকটো আহি উক্ত স্থানত উপস্থিত হয় আৰু পথাৰৰ শস্যবিলাক নষ্ট কৰে। কালিও এই তিনিটা হাতী খাদ্যৰ সন্ধান বিচাৰি আহি তেওঁৰ ঘৰটোত আক্ৰমণ কৰিছিল।

# ভৰত মুনিৰ নাট্য শাস্ত্ৰ হ'ল পঞ্চম বেদ ঃ বুজৰবৰুৱা

অগ্ৰদূত বাৰ্তা

**টিহু, ২৩ মাৰ্চ ঃ** 'ভৰত মুনিৰ নাট্য শাস্ত্ৰ হ'ল পঞ্চম বেদ। কিয়নো চাৰিখন বেদ ক্ৰমে ঋকবেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদৰ পৰা বিভিন্ন উপাদান নাট্য শাস্ত্ৰত সংযোজিত কৰা হৈছে।' এই ভাষ্য কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰাতুল বুজৰবৰুৱাৰ। টিহু মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ উদ্যোগত কালি অনুষ্ঠিত 'ভাৰতীয় ধ্ৰুপদী নাটৰ ক্ৰমবিকাশঃ ইয়াৰ উৎস আৰু বিকাশ' শীৰ্ষক আলোচনা চক্ৰত অধ্যাপক ড° বুজৰবৰুৱাই পুনৰ কয় যে কাব্যৰ ভিতৰত শ্ৰেষ্ঠ হ'ল নাটক। তেওঁ আলোচনা চক্ৰত ব্যাস, কালিদাস, ভট্টনাৰায়ণ, ভৱভূতি, শুদ্ৰক, শ্ৰীহট্ট আদি বিশ্ববিখ্যাত নাট্যকাৰৰ বিষয়ে আলোকপাত কৰে। টিহু মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক গৌতম গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ বাবুল ডেকাই আদৰণি ভাষণ দিয়ে। ড° জেউতি তালুকদাৰে আলোচনা চক্ৰত ভাৰতীয় নাট্য সাহিত্যৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে।

# দক্ষিণপাটত 'স্পৃহাৰ এনিশা' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৩ মাৰ্চ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া দক্ষিণপাট অঞ্চলৰ শিক্ষক তথা সমাজকৰ্মী ৰিপনজিৎ দাস আৰু চিত্ৰলেখা তালুকদাৰ দাসৰ চতুৰ্থ শ্ৰেণীত অধ্যয়নৰত দুহিতা স্পৃহাৰাণী দাসক আৰ্শীবাদ তথা শুভেচ্ছা জনোৱাৰ বাবে কালি নিশা 'স্পৃহাৰ এনিশা' শীৰ্ষক বিশেষ এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। স্কুলীয়া ছাত্ৰী স্পৃহাৰাণীৰ পিতৃৰ একান্ত ব্যক্তিগত প্ৰচেষ্টাত তেওঁলোকৰ দক্ষিণপাটৰ বাসগৃহৰ চোতালত কালি নিশা চাৰে ন বজাৰ পৰা আয়োজিত এই অনুষ্ঠানটি নগাঁও মহকুমা অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ নৰেন চন্দ্ৰ দাসে আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে যুৱ কৰ্মী হীৰকজ্যোতি দাসে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জেষ্ঠ শিক্ষক তথা সমাজ সংগঠক লৱকান্ত শৰ্মাই ভাগলৈ বৰ্তমান সমাজ জীৱনৰ লগত আমি কেনেদৰে আগবাঢ়ি সেই দিশত নিজা অনুভৱেৰে সাৱলীল বক্তব্য আগবঢ়ায়। বেবেজীয়া প্ৰেছ ক্লাবৰ সভাপতি তথা ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, অসম সাংবাদিক সুৰক্ষা মঞ্চৰ সাংগঠনিক সম্পাদক জয়ন্ত মুদৈ, দক্ষিণপাট ব্যৱসায়ী সন্থাৰ প্ৰাক্তন সভাপতি ভূপেন হাজৰিকা, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া ধীৰেন দাস আৰু সমাজসেৱিকা জিনু দাসকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানত জনপ্ৰিয় কণ্ঠ শিল্পী স্বৰাজ দাস আৰু মন্দিৰা ভৰদ্বাজ আদিয়ে মাজনিশা পৰ্যন্ত গীত পৰিবেশনৰে উপস্থিত ৰাইজক আপ্লুত কৰিবলৈ সক্ষম হয়। সংগীতানুষ্ঠানৰ মাজতে 'কৃতজ্ঞতা' নামৰ আন এক অনুষ্ঠানত ৰিপনজিৎ দাসে তেওঁৰ ব্যক্তিগত তথা সমাজ জীৱনত ঘটা উত্তৰণৰ দিশত সহায় কৰা প্ৰয়াত আৰু জীৱিত লোকসকলক শ্ৰদ্ধাৰে স্মৰণ কৰি আৰ্শীবাদ প্ৰাৰ্থনাৰে বিশেষভাৱে সম্বৰ্ধনা জনায়। উল্লেখ্য যে এই অনুষ্ঠানটিৰ বাবে স্পৃহাৰাণীৰ বাসগৃহৰ চোতালত সু-সজ্জিত মঞ্চখন ধ্ৰুৱ কুমাৰ ৰাজা(মান্না)ই দুহাতৰ নিপুন পৰশেৰে কাঠ-বাঁহ আদি সঁজুলিৰে সজাই তুলি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে।



# যুৱ মৰ্চাৰ বৰভাগ মণ্ডলৰ বলিদান দিৱস পালন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৩ মাৰ্চ ঃ** নলবাৰী জিলাৰ কালাগ গাঁৱত ভাৰতীয় জনতা যুৱ মৰ্চাৰ বৰভাগ মণ্ডলৰ উদ্যোগত আজি বলিদান দিৱস পালন কৰা হয়। উল্লেখ্য যে ইয়াৰ অংশ হিচাপে ঐতিহ্যমণ্ডিত কালাগ দৌল কৰা প্ৰাংগণত পুৱা ভাৰত মাতাৰ সু সন্তান ভগত সিং, সুখদেৱ আৰু ৰাজগুৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি প্ৰদান কৰা হয়। তদুপৰি এই মহান বীৰসকলৰ বীৰত্বৰ বিষয়ে সোঁৱৰণ কৰাৰ উদ্দেশ্যে কালাগ দৌল প্ৰাংগণত যুৱ মৰ্চা বৰভাগ মণ্ডলৰ উদ্যোগত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। যুৱ মৰ্চাৰ শতাধিক কাৰ্যকৰ্তাৰ উপৰি ৰাইজৰ সহযোগত সমগ্ৰ অঞ্চলটো পৰিষ্কাৰ-পৰিচ্ছন্ন কৰা হয়। উল্লেখ্য যে কাৰ্যসূচীত নলবাৰী জিলা যুৱ মৰ্চাৰ উপ-সভাপতি তথা বৰভাগ মণ্ডলৰ আমন্ত্ৰিত সদস্য লক্ষী কলিতা, বৰভাগ মণ্ডল যুৱ মৰ্চাৰ সম্পাদক মৃণাল কলিতাৰ লগতে বৰভাগ মণ্ডল যুৱ মৰ্চাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। যুৱ মৰ্চাৰ বৰভাগ মণ্ডলৰ এনে কাৰ্যক বৃহত্তৰ অঞ্চলটোৰ ৰাইজে প্ৰশংসা কৰিছে।

■ পঞ্চৰত্নত পাহাৰৰ নিজৰাৰ পানীয়ে হৈছে ৰাজিৰ ভৰষা

# গোৱালপাৰাত বিশুদ্ধ খোৱা পানীৰ অভাৱ

**অগ্ৰদূত বাৰ্তা,**
**মাটিয়া ২৩ মাৰ্চ ঃ** প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱা পানী যোগানৰ নামত চৰকাৰে সম্প্ৰতি জলজীৱন মিছন আঁচনিৰ অধীনত কোটি কোটি টকা খৰচ কৰি আহিছে। কিন্তু বিভাগীয় কৰ্তৃপক্ষৰ গুৰুত্বহীনতাৰ বাবেই গোৱালপাৰা জিলাৰ একাংশ লোকে বিশুদ্ধ খোৱা পানী যোগানৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। উদাহৰণ স্বৰূপে জিলাখনৰ পঞ্চৰত্নৰ একাংশ ৰাইজে নিজৰাৰ পানী খাই জীৱন ধাৰণ কৰিবলগীয়া হৈছে। গোৱালপাৰা চহৰৰ নিলগতে থকা পঞ্চৰত্নৰ প্ৰায় শতাধিক ৰাইজে পাহাৰৰ পৰা বৈ অহা নিজৰাৰ পানী খাই জীৱন ধাৰণ কৰিবলগীয়া হৈছে । উল্লেখ্য যে পাহাৰৰ ওপৰৰ পৰা বৈ অহা নিজৰাৰ পানীত বিভিন্ন জীৱ-জন্তুৱে পানী সেৱন কৰি অপৱিত্ৰ কৰে। তাদুপৰি বৰষুণৰ পাছত পাহাৰৰ ওপৰত মৰি থকা বিভিন্ন জীৱ-জন্তুৰ মৰাশ আহে। ফলত আইৰণযুক্ত দূষিত পানী সেৱন কৰি অঞ্চলবাসীয়ে বিভিন্ন বেমাৰ আজাৰত ভূগিবলগীয়া হৈছে বুলি অভিযোগ উঠিছে। গাঁওবাসীয়ে বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক বাৰে বাৰে আবেদন-নিবেদন কৰি থকাৰ পাছতো কোনো ধৰণৰ সুফল পোৱা নাই। পঞ্চৰত্ন পাহাৰ আৰু ব্ৰহ্মপুত্ৰ নদীৰ দাঁতিকাষৰীয়া অঞ্চলটোত দমকল, তাৰা হেণ্ডপাম্প আদি বহুৱাৰ সুযোগ নথকাৰ ফলত নিজৰাৰ পানী সেৱন কৰিবলগীয়া হয় । গাঁওখনত এটা কুঁৱা আছে যদিও গাঁৱৰ সকলোৱে সেই পানী ব্যৱহাৰ কৰাটো অসম্ভৱ হৈ পৰে। বিশেষকৈ খৰালি সময়ত কুঁৱাৰ পানী কমি গৈ দুটা পৰিয়ালৰে নাটনি পৰে। সেয়ে অতি শীঘ্ৰে অঞ্চলটোত বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ জিলা উপায়ুক্তৰ হস্তক্ষেপ বিচাৰিছে ৰাইজে।



*সৰুপথাৰত ছহিদ দিৱস উপলক্ষে যুৱ মৰ্চাৰ কাৰ্যসূচী, বুধবাৰে।*

## বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ লেখা আহ্বান

**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৩ মাৰ্চ ঃ** ধেমাজি জিলাৰ প্ৰথমখন হাইস্কুল বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ উদ্‌যাপনৰ স্মৃতিগ্ৰন্থৰ বাবে স্মৃতিগ্ৰন্থ সমিতিয়ে লেখাৰ আহ্বান জনাইছে। উল্লেখ্য যে ১৯৪৬তে প্ৰতিষ্ঠা লাভ কৰা আৰু ১৯৭৯ত চৰকাৰীভাৱে উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত বৰদলনি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে প্ৰতিষ্ঠাৰ ৭৫ বছৰ অতিক্ৰম কৰা উপলক্ষে এই বৰ্ষত মহাৰজত জয়ন্তী উদ্‌যাপন আয়োজন কৰিছে। উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থৰ বাবে বিদ্যালয়খন প্ৰাক্তন শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীৰ বিদ্যালয়খন সম্পৰ্কত অনুভৱ, ৰোমন্থন আদি বিষয়ত লেখা আহ্বান জনোৱা হৈছে। souvenirbhssplatinumjubilee@gmail.com ঠিকনাত ইমেইল কৰি প্ৰেৰণ কৰিব লাগিব। লেখা পঠিওৱাৰ শেষ তাৰিখ ৩১ মে'। এই ক্ষেত্ৰত লেখকে ৬০০২৬৮৯৮৬৬ আৰু ৯৪৩৫৬০৭৩১৭ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব। বেণীমাধৱ বৰা আৰু সম্পাদিকা আকাশবন্তি গগৈয়ে সদৰী কৰিছে।

## ছাত্ৰ-ছাত্ৰীক পুথি সংৰক্ষণৰ মানসিকতা গঢ় দিয়া উচিত

■ বড়িগোগ-বনভাগ শিক্ষাখণ্ডত

### বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ আৰম্ভ

**অগ্ৰদুত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৩ মাৰ্চ ঃ** নলবাৰীৰ ঘগ্ৰাপাৰত অৱস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয়বোৰৰ মাজত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ কালি আৰম্ভ কৰা হয়। ঘগ্ৰাপাৰ হৰিমন্দিৰ প্ৰাংগণত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক নগেন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মনীষা কলিতা, কৃতী শিক্ষক অচ্যুত গোস্বামীকে ধৰি বিশিষ্ট ব্যক্তিসকল। সাংবাদিক বীৰেণ কলিতাই বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা সভাখনত শিক্ষাখণ্ডটোৰ তিনিখন বিদ্যালয়লৈ বিনামূলীয়া পাঠ্যপুথি আগবঢ়োৱা হয়। খণ্ডটোৰ শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই আদৰণী ভাষণত কয় যে নিৰ্ধাৰিত সময়ৰ ভিতৰত শিক্ষাখণ্ডটোৰ অন্তৰ্ভুক্ত ১৪৫খন প্ৰাথমিক বিদ্যালয়, ১৭ খন মধ্য ইংৰাজী বিদ্যালয়, ১১ খন মজলীয়া বিদ্যালয়, ৩২খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক প্ৰাদেশীকৃত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অপ্ৰাদেশীকৃত ১৭খন প্ৰাথমিক, ন খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পাঠ্যপুথি বিতৰণ কৰা হ'ব। সৰ্বমুঠ ১৫১১৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত পৰ্যায়ক্ৰমে এই পাঠ্যপুথি বিতৰণ কৰা হ'ব বুলি ব্লক এম আই এছ সুশান্ত মল্ল বুজৰ বৰুৱাই কয়। উক্ত সভাত ভাষণ দি খণ্ড সমল ব্যক্তি সুভাষ বৰ্মনে কয় যে সৃজন-মনন ত্বৰান্বিত কৰাৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীক পুথি সংৰক্ষণৰ মানসিকতা গঢ় দিয়া উচিত। বি আৰ পি নৰ কুমাৰ দাসে আঁত ধৰা সভাখনত সহকাৰী পৰিদৰ্শক জ্যোতিষ দাস, বি আৰ পি প্ৰাঞ্জল ৰাজবংশীকে ধৰি বিভিন্ন সমল কেন্দ্ৰৰ সমন্বয়কসকল আৰু শিক্ষাখণ্ডটোৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষকে অংশগ্ৰহণ কৰা লগতে সাংবাদিক তপন দাস, ৰাতুল চন্দ্ৰ ডেকা, দ্বিজেন ডেকা, ৰবীন্দ্ৰ নাথ কলিতা উপস্থিত থাকে। উক্ত সভাত ঘগ্ৰাপাৰ ছোৱালী হাইস্কুল, ধীৰদত্ত চৌধুৰী মধ্য ইংৰাজী বিদ্যালয় আৰু ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী বিদ্যালয়লৈ আনুষ্ঠানিকভাৱে কিতাপৰ টোপোলা আগবঢ়োৱা হয়।



■ পৌৰসভাৰ নিৰ্বাচিত পৌৰ সদস্যক সম্বৰ্ধনা

## মৰিয়নিৰ উন্নয়নৰ স্বাৰ্থত কাম কৰিবলৈ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৩ মাৰ্চ ঃ** মৰিয়নি পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰসদস্যসকলক মৰিয়নি নাগৰিক সমিতিয়ে সম্বৰ্ধনা জনায়। এই উপলক্ষে মৰিয়নিৰ ট্ৰেন্সপৰ্ক্স'ৰ্ট টাৰ্মিনাছ ডেভেলপমেন্ট কমিটী টি টি ডি চি এক কাৰ্যালয়ত কালি সন্ধিয়া এক উক্ত সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানতে মৰিয়নিৰ আটাইকেইগৰাকী বিজয়ী ৱাৰ্ড সদস্যক মৰিয়নি নাগৰিক সমিতিৰ উদ্যোগত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মৰিয়নি নাগৰিক সমিতিৰ কাৰ্যকৰী সভাপতি, শিক্ষাবিদ নেকিবুল ইছলামে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়াই নাগৰিক সমিতিৰ সভাপতি তথা বিশিষ্ট শিক্ষাবিদ আনন্দ শইকীয়াই । দুয়ো মৰিয়নি নগৰৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত কাম কৰিবলৈ পৌৰ সদস্যসকলৰ প্ৰতি আহ্বান জনায় । উক্ত অনুষ্ঠানটোত বিজয়ী পৌৰ সদস্য প্ৰদীপ দাস, শংকৰ চক্ৰৱৰ্তী, ৰঞ্জুশ্ৰী দাস, কস্তুৰী আগৰৱালা গগৈ, চুমকি মজুমদাৰ দত্ত, গায়ত্ৰী চক্ৰৱৰ্তী, বিশ্বপ্ৰভা শইকীয়া আৰু বিজন মজুমদাৰক সম্বৰ্ধনা জ্ঞাপন কৰে । আনহাতে, অনুষ্ঠানটোত দুই বিজয়ী পৌৰ সদস্য কাজল ভট্টাচাৰ্য আৰু পিকলু ৰয় অনুপস্থিত থাকে । সম্বৰ্ধনা গ্ৰহণ কৰি আটাইকেইগৰাকী পৌৰ সদস্যই ৰাজনীতিৰ উৰ্দ্ধত থাকি নগৰখনৰ উন্নয়নৰ হকে কাম কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁলোকে কয় যে ৰাজনীতি প্ৰয়োজন যদিও নগৰখনৰ উন্নয়নৰ বিষয়ৰটো ৰাজনীতিতকৈও আগত। সেয়েহে প্ৰাথমিক দৃষ্টিতে মৰিয়নি নগৰৰ উন্নয়ন কৰাৰ বাবে ৰাইজৰ ওচৰত আমি দায়বদ্ধ বুলিও মন্তব্য কৰে । দিব্যজ্যোতি শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত মৰিয়নিৰ সমাজকৰ্মী, মৰিয়নি জাতীয় বিদ্যাপীঠৰ অধ্যক্ষ ৰঞ্জিত গোহাঁইবৰুৱা, বিশিষ্ট শিল্পী তৰুণ শইকীয়া, সমাজকৰ্মী-নাট্যকাৰ সমৰেশ চক্ৰৱৰ্তী, অজিত চক্ৰৱৰ্তী, পুলিন সন্দিকৈ, ৰতন সিং, বিশিষ্ট ব্যৱসায়ী মানৱ দাস, শিক্ষক নৃপেন শৰ্মা, তপন চক্ৰৱৰ্তী আদি কে'বাগৰাকী ব্যক্তিয়েও বক্তব্য প্ৰদান কৰি মৰিয়নি নগৰৰ উন্নয়নৰ দিশটোৰ প্ৰতি অধিক গুৰুত্ব দিবলৈ বিজয়ী ৱাৰ্ড সদস্যসকলক আহ্বান জনায়। আনহাতে, প্ৰাক্তন ৱাৰ্ড সদস্য দীপেন দাসে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত মৰিয়নিৰ জ্যেষ্ঠ ব্যক্তি প্ৰসাদ আগৰৱালা, মইনুল ইছলাম, সুশান্ত ঘোষ, তপন দেৱ, মুজিব ৰহমান, উৎপল চক্ৰৱৰ্তী, ত্ৰিদীপ গগৈ, প্ৰশান্ত দাস আদি বহুসংখ্যক ব্যক্তি উপস্থিত থাকে ।



## সৰুপথাৰত ভগৎ সিং, ৰাজগুৰু, সুখদেৱক স্মৰণ ঃ যুৱ মৰ্চাৰ স্বচ্ছ অভিযান




**অগ্ৰদূত বাৰ্তা**
**সৰুপথাৰ, ২৩ মাৰ্চ ঃ** ৰাজ্যিক আৰু জিলা সমিতিৰ নিৰ্দেশ মৰ্মে সৰুপথাৰত ভাৰতীয় জনতা যুৱ মৰ্চাই আজি ছহিদ ভগৎ সিং, ৰাজগুৰু আৰু সুখদেৱৰ মৃত্যু তিথি স্মৰণ কৰি এখ স্বচ্ছতা অভিযান চলায়। পুৱা আঠ বজাতে বিজেপিৰ সৰুপথাৰ জনতা যুৱ মৰ্চাৰ সদস্যসকলে সৰুপথাৰ নগৰত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি আৰু সৰুপথাৰ টাউন নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়ৰ চৌহদত সমূহীয়াভৱে চাফাই অভিযান চলায়। পাছত তেওঁলোকে বন্তি প্ৰজ্বলন কৰি ছহিদসকলক স্মৰণ কৰে। উক্ত অভিযানত সৰুপথাৰ পৌৰসভাৰ নৱনিৰ্বাচিত পৌৰনেত্ৰী উষা আগৰৱালাই সহযোগিতা আগবঢ়ায়।

## তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সমিতিৰ দায়িত্বভাৰ অৰ্পণ-শপত গ্ৰহণ



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২৩ মাৰ্চ ঃ** সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ নতুন সমিতিৰ দায়িত্বভাৰ প্ৰদান আৰু শপত গ্ৰহণ অনুষ্ঠান কালি তিনিচুকীয়াস্থিত সাধনী ভৱনত সদ্য বিদায়ী সভাপতি ৰতন বড়াৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰহিম শইকীয়াই। সভাত শদিয়া মহকুমা আঞ্চলিক সমিতি ভংগ ঘোষণা কৰাৰ লগতে নতুন সমিতিখনক দায়িত্ব দিয়া হয়। সভাত নৱনিৰ্বাচিত সভাপতি ৰহিম শইকীয়া আৰু সাধাৰণ সম্পাদক ৰিতু চুতীয়াসহ ৩১ জনীয়া নতুন সমিতিখনত শপত পাঠ কৰায় তিনিচুকীয়া জিলাৰ মুখ্য উপদেষ্টা ৰতন বড়াই। উক্ত সভাতে তিনিচুকীয়া জিলাৰ বিভিন্ন সমস্যাৰ লগতে আগন্তুক বীৰাংগনা সাধনী দিৱস ডুমডুমাত আয়োজন কৰাৰ আলোচনা কৰা হয়। সভাত জিলাখনৰ আঞ্চলিক সমিতিসমূহৰ কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্তৰ লগতে জিলা কাৰ্যসূচী প্ৰস্তাৱ গ্ৰহণ কৰে। ২৮ মাৰ্চত গুৱাহাটীত হ'ব লগা কেন্দ্ৰীয় কাৰ্যসূচীত জিলা সমিতিৰ ৩০ জন প্ৰতিনিধি উপস্থিত থকাৰ সিদ্ধান্ত লোৱা হয় লগতে তিনিচুকীয়া জিলাৰ চুতীয়া জনগোষ্ঠীৰ নানা সমস্যাৰ সমাধানৰ বাবে কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ লোৱা হয়।

## পাৰঘাটত নাও খেলৰ ৰাজ্যিক ৰেফাৰী পৰীক্ষাৰ আয়োজন

**ছয়গাঁও, ২৩ মাৰ্চ ঃ** অসম পৰম্পৰাগত ক্ৰীড়া আৰু ড্ৰেগন নাও সন্থাৰ উদ্যোগত ছয়গাঁও থানা অঞ্চলৰ পাৰঘাটত অহা ২৭ মাৰ্চত পৰম্পৰাগত নাও খেলৰ ৰাজ্যিক ৰেফাৰী পৰীক্ষাৰ আয়োজন কৰা হৈছে। পাৰঘাটত ২৬ আৰু ২৭ মাৰ্চত অনুষ্ঠিত হ'ব লগা দ্বিতীয় অসম আন্তঃজিলা নাও খেল প্ৰতিযোগিতাৰ সময়তে এই পৰীক্ষা অনুষ্ঠিত হ'ব । পুৰুষ-মহিলা সকলোৰে বাবে মুকলি এই ৰেফাৰী পৰীক্ষাত অৱতীৰ্ণ হ'ব খোজা ইচ্ছুক প্ৰাৰ্থীসকলক ২৬ মাৰ্চৰ ভিতৰত সন্থাৰ কাৰিকৰী সমিতিৰ আহ্বায়ক পংকজ ভড়ালীৰ লগত যোগাযোগ ফোন নম্বৰ ৯৩৯৪৫ ৫১৮৯৮ কৰিবলৈ সন্থাৰ সাধাৰণ সম্পাদক অনুপ চৌধুৰীয়ে আহ্বান জনাইছে । ২৭ মাৰ্চৰ পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা পৰীক্ষাত পৰীক্ষাৰ্থীয়ে লগত বয়স, শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ লগত লৈ অহাৰ লগতে পৰীক্ষা মাচুল ৩০০ টকা জমা দিব লাগিব ।

## ডিব্ৰুগড়ত বিটিচি বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ২৩ মাৰ্চ ঃ** ডিব্ৰুগড় জিলাৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত কালি দিনজোৰা কাৰ্যসূচীৰে বিটিচিৰ বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন হয়। কেন্দ্ৰটোৰ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। যোৱা ১৪ৰ পৰা ১৭ মাৰ্চলৈ অনুষ্ঠিত বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ বাৰ্ষিক সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰিবলৈ অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানতে মিছ বিটিচি খিতাপ অৰ্জন কৰা প্ৰিয়াৰাণী ৰাজকোঁৱৰক বঁটা প্ৰদান কৰা হয়। দিহানাম, বিহুনৃত্য আদি প্ৰশিক্ষাৰ্থীসকলে পৰিৱেশন কৰা অনুষ্ঠানত উপস্থিত থাকে পানীতোলা আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী পাৰুল বৰুৱা, কেন্দ্ৰটোৰ কৰ্মী গীতাঞ্জলি ফুকনকে ধৰি অন্যান্য ব্যক্তিসকল। অনুষ্ঠানত পাৰুল বৰুৱাই ইতিহাস বিৰজিত স্মৃতিসমূহ ভাষণত তুলি ধৰে। কেন্দ্ৰটোৱে আয়োজন কৰা বিভিন্ন ক্ৰীড়া কাৰ্যসূচীত বাল্যকালতে অংশগ্ৰহণ কৰাৰ সুবিধা পাইছিল বুলি ব্যক্ত কৰে বৰুৱাই। চাবুৱাৰ এই অনুষ্ঠানটোৰ স'তে অঞ্চলৰ সকলো শৈক্ষিক প্ৰতিষ্ঠানে যিকোনো কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ সুবিধা কৰি আহিছে বুলি উল্লেখ কৰে আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰীগৰাকীয়ে।

## যোৰহাটত বিশ্ব জল দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২৩ মাৰ্চ ঃ** যোৰহাট এনভায়ৰনমেন্ট ফ'ৰাম আৰু সৃষ্টিয়ে সাহপুৰীয়া কেচিএলপি স্কুলত কালি বিশ্ব জল দিৱস পালন কৰে। এই বছৰৰ বিষয় ভূ-গৰ্ভৰ জল-অদৃশ্যক দৃশ্যমান কৰা বিষয়ত নেইষ্টৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড° পৰাণ বৰুৱা আৰু ড° প্ৰমোদ চন্দ্ৰ নেওগে বক্তব্য আগবঢ়ায়। সৃষ্টিৰ সভাপতি ৰমেন শইকীয়াৰ সঞ্চালনাত বিদ্যালয়খনৰ প্ৰধান শিক্ষক জিতেন ভূঞাই আঁতধৰা সভাত বিদ্যালয়খনৰ শিক্ষাৰ্থী, অভিভাৱকৰ লগতে সাহপুৰীয়া খোৱা পানী যোগান আঁচনিৰ উপভোক্তাসকল উপস্থিত থাকে। সমল ব্যক্তিদ্বয়ে দৈনন্দিন জীৱনত পানীৰ প্ৰয়োজনীয়তা, পানীৰ বিস্তৃতি, পানীৰ ব্যৱহাৰ, পানীৰ সংকট, পানীৰ সংৰক্ষণ, পানীৰ মিতব্যয়ী ব্যৱহাৰ, খোৱা পানীৰ উৎস, খোৱা পানীৰ গুণাগুণৰ মান, খোৱাপানী বিশুদ্ধকৰণৰ ব্যৱস্থা, কেনে পানী খোৱা উচিত, পানীৰ পৰিশোধন, পানী প্ৰদূষণ হোৱাৰ কাৰণ, দূষিত পানী খালে হোৱা ৰোগ, গা-ধুলে হোৱা ৰোগ, পানীৰ উৎসৰ প্ৰদূষণ ৰোধ আৰু জনসাধাৰণৰ কৰ্তব্যৰ সম্পৰ্কত উপস্থিত ৰাইজক অৱগত কৰে। উল্লেখ্য যে, ১৯৯২ত ৰিঅ' চহৰত হোৱা এখন সভাত জল দিৱস পালনৰ সিদ্ধান্ত কৰে আৰু ১৯৯৩ৰ পৰা প্ৰতিবছৰে বিশ্বজুৰি জল দিৱস পালন কৰি আহিছে। এই দিৱসত প্ৰতিবছৰে একোটা বিষয় নিৰ্ধাৰণ কৰি ৰাইজক পানীৰ সম্পৰ্কত সজাগ-সচেতন কৰি অহা হৈছে। ১৯৭৪তে গ্ৰহণ কৰা জল প্ৰদূষণ আইন প্ৰয়োগত গুৰুত্ব দিবলৈও সমল ব্যক্তিদ্বয়ে বক্তব্যত উল্লেখ কৰে। ৪৩৯ নম্বৰ ঢাপকটা প্ৰাথমিক বিদ্যালয়তো বিশ্ব জল দিৱস ২২ মাৰ্চত পালন কৰা হয়। বিদ্যালয়খনৰ প্ৰধান মীৰাজ কাকতিয়ে আঁত ধৰা, ৰমেন শইকীয়াৰ সঞ্চালনাত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উদ্যোগত অনুষ্ঠিত বিশ্ব জল দিৱসত শিক্ষাৰ্থী, অভিভাৱকৰ লগতে স্থানীয় ভালেসংখ্যক লোক উপস্থিত থাকে।

## জনীয়াত বিশ্ব জল দিৱস সন্দৰ্ভত সজাগতা সভা



**কলগাছিয়া, ২৩ মাৰ্চ ঃ** কালি বিশ্ব জল দিৱসৰ স'তে সংগতি ৰাখি বৰপেটা জিলাৰ জনীয়াৰ মিলন বজাৰত বিশ্ব জল দিৱসৰ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। গোবিন্দপুৰ গাঁও পঞ্চায়তৰ গুৰলা, মিলন বজাৰত বৰপেটা জিলা পানী আৰু অনাময় মিছনৰ উদ্দোগত ছ'চিঅ ইকোনোমিক ডেভলপমেন্ট অৰ্গেনাইজেছনৰ সহযোগত এই সজাগতা সভাখন অনুষ্ঠিত হয়। সজাগতা সভাত ভূগৰ্ভস্থ জল অদৃশ্যক দৃশ্যমান কৰাৰ বাবে ৰাইজৰ আগত বক্তব্য প্ৰদান কৰে বৰপেটা জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জল জীৱন মিছনৰ জিলা সমন্বয়ক প্ৰাজল ডেকাই। উল্লেখ্য যে, পানীৰ গুণা গুণৰ সন্দৰ্ভত বিতংকৈ ৰাইজৰ মাজত বক্তব্য দাঙি ধৰে ডেকাই। বীজাণুযুক্ত পানী পান কৰিলে কেনেধৰণৰ বেমাৰ-আজাৰ হ'ব পাৰে, পানী সংৰক্ষণ আৰু কিদৰে পানী বিশুদ্ধ কৰিব পাৰি তাৰো বিষয়ে দোহাৰে। চৰকাৰৰ জল জীৱন মিছনক আন্তৰিকতাৰে ৰাইজক আদৰি লবলৈ আহ্বান জনায় প্ৰাঞ্জল ডেকাই।

## পটীয়া গাঁৱত আত্মসহায়ক গোটৰ কাৰ্যালয় মুকলি-সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা,**
**লাহদৈগড়, ২৩ মাৰ্চ ঃ** আজি ৩৫ নম্বৰ পটীয়া ফকলা গাঁও পঞ্চায়তৰ চৌহদত উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ 'গাঁও সংগঠনৰ সমন্বয়' সমিতিৰ এটা কাৰ্যালয় মুকলি কৰা হয়। ৩৫ নম্বৰ পটীয়া ফকলা গাঁও পঞ্চায়তৰ সভাপতি ৰাজু দত্তই মুকলি কৰা কাৰ্যালয়টোত ৮৫ টা আত্মসহায়ক গোটৰ প্ৰায় ১০০০ গৰাকী মহিলা উপকৃত হ'ব বুলি মতপোষণ কৰে আৰু সভাপতি দত্তই মহিলাসকলৰ চৰকাৰী কাম-কাজ পৰিচালনা আৰু উৎপাদনমূলক কামত ব্যৱহাৰ কৰিব পৰাকৈ গৃহটো পঞ্চায়তৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে বুলিও উল্লেখ কৰে। স্থানীয় সমাজহিতৈষী মহিলা ৰুণু কলিতাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা কাৰ্যসূচীৰ পাছতে এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। পঞ্চায়তৰ সভাপতি ৰাজু দত্তৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত স্থানীয় গাঁও প্ৰধান অচিন্ত দত্ত আৰু জিতু শইকীয়াই ভাষণ প্ৰদান কৰে । সংযোগ সখী ঋতুপৰ্ণা ভূঞা বৰাই উদ্দেশ্য বাখ্যা আগবঢ়োৱা সভাখনত স্বচ্ছ ভাৰত অভিযানৰ ওপৰত বক্তব্য আগবঢ়ায় সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই আৰু প্লাষ্টিক মুক্ত ভাৰত গঢ়া আৰু অনাময় মুক্ত ভাৰত গঢ়াৰ সম্পৰ্কত ভাষণ প্ৰদান কৰা সভাখনত যোৰহাট জিলা যক্ষ্মা নিয়ন্ত্ৰণ কোষৰ জিলা সম্বন্বয়ক বিজু কামানে ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনিৰ সম্পৰ্কত ৰাইজক বহলাই কয়। প্ৰায় ৮৫ টা আত্মসহায়ক গোটৰ সদস্যাসকল উপস্থিত থকা সভাখনত নীলোৎপল বৰা, গাঁও পৰ্যায়ৰ সমন্বয়ক ৰূপা বৰা ভৰালী, আভ্যন্তৰীণ গুৰু (আই মেণ্টৰ) দীপা বৰুৱা , তুল তুল শৰ্মা, দিপাঞ্জলী দত্ত, সংগীতা দাস, অঞ্জনা দেৱী, ৰশ্মি শইকীয়া আদি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত সভাতে দীপা বৰাক গোটসমূহৰ হৈ এখন গামোচাৰে সম্ভাষণ জনায়।

■ নিয়ন্ত্ৰণ নাই প্ৰশাসন-পৰিবহণ বিভাগৰ ■ সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদৰ স্মাৰকপত্ৰ

# যাত্ৰীবাহী বাহনত অত্যধিক ভাড়া

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৩ মাৰ্চ ঃ** ক'ভিডসৃষ্ট পৰিস্থিতিৰ সুযোগ লৈ একাংশ যাত্ৰীবাহী বাহনে যাত্ৰীৰ পৰা খেয়াল খুচি মতে অত্যধিক ভাড়া আদায় কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। যোৰহাট জিলাৰ মৰিয়নি-নকছাৰী, মৰিয়নি-তিতাবৰ, মৰিয়নি-যোৰহাট পথত চলাচল কৰা মেজিক-মেক্সিমোসমূহে যাত্ৰীৰ পৰা অত্যধিক ভাড়া আদায় কৰি আহিছে । এতিয়া এনে এক পৰ্যায় পাইছেগৈ যে, মেজিক - মেক্সিমোৰ দৰে একাংশ যাত্ৰীবাহী বাহনত উঠিলেই নিম্নতম ভাড়া হিচাপে ৩০ টকালৈকে ভাড়া দিবলগীয়া হৈছে যাত্ৰীয়ে। এই সন্দৰ্ভত সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসমৰ মৰিয়নি আঞ্চলিক সমিতিয়ে যোৰহাট জিলা উপায়ুক্তলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। মৰিয়নি ৰজহ চক্ৰ বিষয়াৰ যোগেদি এই স্মাৰকপত্ৰ প্ৰেৰণ কৰি এই ক্ষেত্ৰত শীঘ্ৰেই ব্যৱস্থা লোৱাৰ দাবী জনাইছে । একেদৰে যোৰহাট জিলাৰ পৰিবহণ বিষয়াকো একেই স্মাৰকপত্ৰ প্ৰদান কৰি এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসমে । সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসমৰ মৰিয়নি আঞ্চলিক সমিতিৰ সভাপতি বিতুল বৰা আৰু সম্পাদক নবীন সন্দিকৈৰ লগতে কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক পবিত্ৰ প্ৰাণ বৰঠাকুৰে এই সন্দৰ্ভত কয় যে মৰিয়নি-যোৰহাটৰ ১৮ কিলোমিটাৰ দূৰত্বত ৪০ টকা ভাড়া আংশিকভাৱে গ্ৰহণযোগ্য যদিও মৰিয়নিৰ পৰা দেৰেৰাপাৰ চাৰিআলিলৈকে ন কিলোমিটাৰ পথত ৩০ টকা, মৰিয়নি- তিতাবৰ ১২ কিলোমিটাৰ দূৰত্বৰ পথত ৩০-৪০ টকাকৈ প্ৰতিজন যাত্ৰীৰ বাবদ ভাড়া আদায় কৰি আহিছে। উল্লেখ্য যে মৰিয়নিৰ পৰা নগাধুলীলৈকে চাৰি-পাঁচ কিলোমিটাৰ পথত ২০-৩০ টকা মৰিয়নি-দিহিঙীয়াপাৰ চাহ বাগিচালৈকে চাৰি-পাঁচ কিলোমিটাৰ পথত ২০-৩০ টকাকৈ আদায় কৰি আহিছে। মৰিয়নিৰ পৰা খাটিসোণালৈকে ৩০ টকালৈকে একাংশ যাত্ৰীবাহী বাহনে ভাড়া আদায় কৰি আহিছে । আনকি দুই-এক এনে বাহনৰ চালকজনে যাত্ৰীৰ পৰা জোৰ- জুলুম কৰি অত্যধিক ভাড়া আদায় কৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে । তেওঁলোকে কয় যে, ক'ভিড মহামাৰীয়ে আৰ্থিকভাৱে জুৰুলা কৰা সৰ্বসাধাৰণ দুখীয়া লোক এনে অত্যধিক ভাড়াৰ ফলত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে । এনে পৰিস্থিতিত অত্যধিক ভাড়া দিবলৈ অপাৰগ সৰ্বসাধাৰণ ৰাইজে ভাড়া নিয়ন্ত্ৰণৰ বাবে চৰকাৰ-প্ৰশাসনক কাকূতি-মিনতি কৰিছে যদিও কোনো সুফল পোৱা নাই । আনহাতে, সমস্যাৰ সন্মুখীন হৈছে বিদ্যালয় - মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। অত্যধিক ভাড়া নিদিয়া বুলি কৈ বহু যাত্ৰীবাহী বাহনে বিদ্যালয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অনা-নিয়া নকৰাৰ অভিযোগো বহু পুৰণি। তদুপৰি অধিকাংশ তেনে বাহনেই অতিৰিক্ত যাত্ৰী কঢ়িওৱাৰ অভিযোগো সততে উত্থাপিত হৈ আহিছে । তৎসত্ত্বেও স্থানীয় প্ৰশাসন অথবা পৰিবহণ বিভাগে এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। উক্ত স্মাৰকপত্ৰৰ যোগেদি এই ক্ষেত্ৰত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰি সৰ্বসাধাৰণ ৰাইজক কিছু সকাহ দিবলৈ সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসমৰ মৰিয়নি আঞ্চলিক সমিতিয়ে সংশ্লিষ্ট সকলো পক্ষকে দাবী জনাইছে। অন্যথা ইয়াৰ প্ৰতিবাদত গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলিও সকীয়াই দিছে ।

# জনজাতিকৰণৰ দাবীত বঙাইগাঁৱত অৱস্থান ধৰ্মঘট

## প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰী চৰম মিছলীয়া



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৩ মাৰ্চঃ** ৰাজ্যৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতিকৰণ আৰু পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠনৰ দাবীত আজি কোচ ৰাজবংশী জাতীয় পৰিষদে বঙাইগাঁও চহৰৰ বৰপাৰাস্থিত ৰাজহুৱা খেলপথাৰত তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত বঙাইগাঁও উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কোচ ৰাজবংশী জনগোষ্ঠীকে ধৰি পাঁচ জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়টোত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব প্ৰদান নকৰি চৰম প্ৰতাৰণা কৰাৰ প্ৰতিবাদত কোচ ৰাজবংশী জাতীয় পৰিষদে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে 'বিজেপি চৰকাৰ হায় হায়', 'এছ টি আমাৰ ন্যায্য দাবী', 'কমতাপুৰ আমাক লাগিবই', 'অতিশীঘ্ৰে জনজাতিকৰণ কৰক' আদি শ্ল'গান দিয়ে। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰি কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে কয়, 'জনজাতিকৰণ বিষয়টোক অসম চৰকাৰে সমাধান কৰিম বুলি প্ৰতিশ্ৰুতি দি এতিয়া অতি নিকৃষ্ট ৰাজনীতিৰে জনগোষ্ঠীটোক কুঠাৰাঘাত কৰিলে।' চৰকাৰৰ এই নিকৃষ্ট ষড়যন্ত্ৰ আৰু প্ৰতাৰণাৰ প্ৰতিবাদত আজি কোচ ৰাজবংশী জাতীয় পৰিষদে বঙাইগাঁও চহৰৰ বৰপাৰা খেলপথাৰত তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট ১৩ পৃষ্ঠাত চাওক

# জুৰীয়াৰ বৰালিমাৰীত চিপ লৈ আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**
**জুৰীয়া, ২৩ মাৰ্চ ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত বৰালিমাৰীত আৰক্ষীৰ ভয়ত ইক্ৰামূল হুছেইন নামৰ এজন লোকে চিপ লৈ আত্মহত্যা কৰে। গাঁওখনৰ লোকজনে আৰক্ষীৰ ভয়তে আত্মহত্যাৰ পথ বাচি লোৱা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। উত্থাপিত অভিযোগ মতে, পাৰিবাৰিক অশান্তিৰ বাবে ইক্ৰামূলৰ বিৰুদ্ধে পত্নীয়ে জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত সুঁতিৰপাৰ আৰক্ষী পহৰা চকীত গোচৰ ৰুজু কৰিছিল। ইয়াৰ পাছতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ভয়ত আতংকিত হৈছিল তিনি সন্তানৰ পিতৃ ইক্ৰামূল। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, শিয়ালী চাপৰিৰ বিল্লাল নামৰ এজন কুখ্যাত দালালৰ স'তে মিলি ইক্ৰামূলৰ পত্নীয়ে স্বামীৰ বিৰুদ্ধে ভুৱা গোচৰ ৰুজু কৰিছিল। সেইবাবে আজি ইক্ৰামূলে চিপ লৈ আত্মহত্যা কৰে। ইতিমধ্যে ঘটনাস্থলীত সুঁতিৰপাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

# নলবাৰীত আপৰ সাংগঠনিক তৎপৰতা ঃ ধমধমাত শতাধিকৰ যোগদান



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৩ মাৰ্চ ঃ** আম আদমী পাৰ্টিয়ে পঞ্জাৱত চৰকাৰ গঠন কৰাৰ পাছতে অসমতো দলটোৱে সাংগঠনিক তৎপৰতা আৰম্ভ কৰিছে। ইয়াৰ অংশ হিচাপে আজি জিলাখনৰ ধমধমাত দলটোৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। যোগদান কাৰ্যসূচীত বৃহত্তৰ ধমধমা অঞ্চলৰ শতাধিক লোকে আম আদমী পাৰ্টিত যোগদান কৰে। এই উপলক্ষে অনুষ্ঠিত যোগদান কাৰ্যসূচীত দলটোৰ নেতা তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা নাৰায়ণ দত্ত ভূঞা, দলটোৰ নলবাৰী জিলা সমন্বয়ক আনচুল হকে দলটোৰ প্ৰাসংগিকতা সম্পৰ্কত পৰ্যালোচনা আগবঢ়ায়।

# টিংখাঙত তিনিদিনীয়াকৈ বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**
**টিংখাং, ২৩ মাৰ্চ ঃ** ডিব্ৰুগড় জিলাৰ জয়পুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত টিংখাঙৰ কুঁৱৰী গাঁও (বি) সমল কেন্দ্ৰৰ অন্তৰ্গত গড়গুৰি মজলীয়া বিদ্যালয়ত বিদ্যালয়সমূহৰ পৰিচালনা সমিতিৰ তিনিদিনীয়া প্ৰশিক্ষণ আজিৰে পৰা আৰম্ভ হৈছে। অহা ২৫ মাৰ্চত সামৰণি পৰিব লগা হয় প্ৰশিক্ষণত কুঁৱৰী গাঁও বি সমল কেন্দ্ৰ আৰু টিংখাং বি সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছয় জনকৈ সদস্য-সদস্যাই যোগদান কৰে। পুৱা ১০ বজাত সমূহীয়া প্ৰাৰ্থনাৰে কাৰ্যসূচী আৰম্ভ কৰা প্ৰশিক্ষণৰ আঁত ধৰে সমন্বয়ক প্ৰণৱ শৰ্মাই। উক্ত সমল অনুষ্ঠানত সমল ব্যক্তিৰূপে যোগদান কৰে নৱ গগৈ আৰু চন্দন দিহিংগীয়াই। আনহাতে, আদৰণি বক্তব্য আগবঢ়ায় শিক্ষক ভৱ গগৈ আৰু অজিত গগৈয়ে। মূল বিষয়বস্তু সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে প্ৰণৱ শৰ্মা, নৱ গগৈ আৰু চন্দন দিহিংগীয়াই। প্ৰশিক্ষকসকলে বিদ্যালয়ৰ সামগ্ৰিক উন্নয়ন আৰু পৰিচালনা সমিতিৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে মনোজ্ঞ প্ৰশিক্ষণ কৰা হয়।

# যোৰহাটত কাব্যশ্ৰী হাজৰিকা বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপ'টাৰ**
**যোৰহাট, ২৩ মাৰ্চ ঃ** যোৰহাট জিলা সাহিত্য সভাই কাব্যশ্ৰী হাজৰিকা ন্যাস বঁটা ২০২২ এইবাৰ বিশিষ্ট শিশু-সাহিত্যিক তথা যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তিলো সোণোৱালক প্ৰদান কৰিব । কাব্যশ্ৰী হাজৰিকা ন্যাসৰ দ্বাৰা প্ৰৱৰ্তন কৰা উক্ত বঁটা প্ৰদানৰ উদ্দেশ্যে অহা ২৭ মাৰ্চত জিলা সভাৰ স্থায়ী কাৰ্যালয় সমাজৰত্ন ডাঃ নবীন চন্দ্ৰ বৰদলৈ স্মৃতি সদনত এক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পুৱা ১১-৩০ বজাৰ পৰা অনুষ্ঠিতব্য উক্ত অনুষ্ঠানত পৌৰোহিত্য কৰিব জিলা সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাই। যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে উদ্বোধন কৰিবলগীয়া অনুষ্ঠানটোত মুখ্য অতিথিৰূপে উপস্থিত থাকিব পদ্মশ্ৰী সূৰ্য হাজৰিকা। আনহাতে, ন্যাসদাতা মহেন্দ্ৰনাথ হাজৰিকা আৰু ৰূপা নেওগ হাজৰিকাই বন্তি প্ৰজ্বলন কাৰ্যসূচী সম্পন্ন কৰিব। অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা লেখক সাংবাদিক ড° সৌমাৰজ্যোতি মহন্ত, জ্যেষ্ঠ সাংবাদিক যোগেশ ওজা, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ৰমানন্দন বৰা, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ক্ষীৰোদ দাস আদি। উল্লেখ্য যে উক্ত অনুষ্ঠানতে বঁটা প্ৰাপক তিলো সোণোৱালৰ শিশু আৰু কিশোৰ ৰচনাৱলীৰ দ্বিতীয় খণ্ড উন্মোচন কৰিব জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা বিশিষ্ট কবি সাহিত্যিক ড° জ্যোতিৰেখা হাজৰিকাই।

# বিশ্বনাথ নগৰৰ বিদ্যালয়ৰ সন্মুখত যান-বাহনে সমস্যাত পেলাইছে ৰাইজক

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চৰিআলি, ২৩ মাৰ্চ ঃ** প্ৰতিদিনে তীব্ৰ যান-জঁটৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে বিশ্বনাথ নগৰৰ এখন বিদ্যালয়ৰ কণ কণ ছাত্ৰ- ছাত্ৰী। যিকোনো মুহূৰ্ততে এই যান- জঁটৰ সমস্যাৰ বাবে ভয়াবহ দুৰ্ঘটনাৰ সন্মুখীন হ'ব পাৰে কণ কণ ছাত্ৰ- ছাত্ৰী। হয় বিশ্বনাথ নগৰৰ বিশ্বনাথ মহাবিদ্যালয়ৰ সমীপৰ এইখন হৈছে বিশ্বনাথৰ সুনাম থকা লিটিল ষ্টাৰ স্কুল। বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিবলৈ প্ৰতি বছৰে এই বিদ্যালয়খনত বিশ্বনাথৰ বহু অভিভাৱকৰ লাইন লাগে। কাৰণ এই বিদ্যালয়খনৰ অধ্যয়ন কৰা ছাত্ৰ- ছাত্ৰীৰ পৰীক্ষাৰ ফলাফল বিশ্বনাথৰ ভিতৰতে ভাল বুলি জনাজাত।কিন্তু এই বিদ্যালয়ত অভিভাৱকসকলে নিজ কণ কণ শিশুসকলক অধ্যয়নৰ বাবে বিদ্যালয়খনলৈ অনা নিয়া সময়তে বহু দুৰ্ভোগ ভুগিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। কাৰণ বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী অনা-নিয়া ১৩ পৃষ্ঠাত চাওক

**গোৱালপাৰা চহৰৰ নয়াপাৰাত বন্ধ হৈ পৰা নলা খন্দাৰ দাবী**

# অভিযোগ-প্ৰতিঅভিযোগে সৃষ্টি কৰিছে উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া ২৩ মাৰ্চ ঃ** গোৱালপাৰাৰ আগিয়া-গোৱালপাৰা পথৰ পৰা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়লৈ যোৱা পথৰ পকী বেৰৰ কাষেদি থকা নলা বন্ধ হোৱাক কেন্দ্ৰ কৰি কালি স্থানীয় একাংশ ৰাইজে প্ৰতিবাদমুখৰ হৈ পৰে। প্ৰতিবাদকাৰী ৰাইজে অভিযোগ কৰা মতে, মুকুতা বেগম নামৰ এগৰাকী মহিলাই নলা বন্ধ কৰি পথ নিৰ্মাণ কৰা বাবেই সমস্যাৰ সৃষ্টি হৈছে। ইপিনে, কেৱল নলা বন্ধ কৰাই নহয় একেই চৌহদত থকা আন কে'বাটাও নিৰ্মীয়মাণ ঘৰলৈ অহা-যোৱা কৰাত বেগমে বাধা আৰোপ কৰিছে। এই সন্দৰ্ভত যোৱা ১৫ মাৰ্চত সাতগৰাকীকৈ লোকে জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰিছে। ইছফাকুল ওৱাৰিছ, ছাফিনা ইয়াছমিন, নজৰুল হক, ইফতিখাইৰুল হক, ৰছিদুল হক, নাদিৰা বেগম আৰু মোকছেদুল ইছলাম স্বাক্ষৰিত অভিযোগ পত্ৰত উল্লেখ কৰা মতে, ২০২১ৰ ২৯ জুলাইত নয়াপাৰাৰ ১২১ নম্বৰ দাগ আৰু ১৪৯ নম্বৰ পট্টাভূক্ত ১৩ লেছা জমি ৬৯৫/৬৫৪ নম্বৰ দলিলযোগে ইছফাকুল ওৱাৰিছে ক্ৰয় কৰি আৰচিচি গৃহ নিৰ্মাণ আৰম্ভ কৰে; কিন্তু কিছুদিন পূৰ্বে মুকুতা বেগমে আগিয়া- গোৱালপাৰা পথৰ পৰা ইছফাকুল ওৱাৰিছৰ নিৰ্মীয়মাণ গৃহলৈ যোৱা পথৰ মূল গেটত তলা ওলমাই দিয়ে। ফলত ইছফাকুলৰ নিৰ্মীয়মাণ গৃহৰ লগতে অভিযোগ পত্ৰত স্বাক্ষৰিত লোকসকলৰ অহা-যোৱাৰ পথ বন্ধ হৈ পৰে। অভিযোগকাৰী ১৩ পৃষ্ঠাত চাওক



*মঙলদৈত গ্ৰামীণ স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ বিত্তীয় সাক্ষৰতা প্ৰশিক্ষণৰ অনুষ্ঠানৰ দৃশ্য।*

# তামুলপুৰত সদৌ চানতাল কল্যাণ সংস্থাৰ তদৰ্থ সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৩ মাৰ্চ ঃ** চানতাল জনগোষ্ঠীৰ লোকসকলৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক বিকাশ সাধন কৰাৰ লক্ষ্যৰে তামুলপুৰ জিলাৰ কুমাৰীকাটাস্থিত চানতাল ভৱনত যোৱা ২১ মাৰ্চত অনুষ্ঠিত এক সভাত 'সদৌ চানতাল কল্যাণ সংস্থা 'চমুকৈ' 'এচো' নামৰ এক নতুন সংগঠন গঠন কৰা হয়। কুমাৰীকাটাৰ বিশিষ্ট সমাজকৰ্মী চাইমন হাচদাৰ সভাপতিত্বত তামুলপুৰ, বাগসা, ওদালগুৰি আদি কে'বাখনো জিলাৰ শতাধিক প্ৰতিনিধিৰ উপস্থিতিতত অনুষ্ঠিত সভাত চোলেইমান মুৰ্মূ, হৰেন টুডু, ডানিয়েল, মাৰ্ডী, লাজৰুছ মূৰ্মূ, হিজেল কুস্কু, ৰাফেল হেম্বৰম আদি কে'বাগৰাকী সমাজকৰ্মী তথা যুৱ নেতাই চানতাল জনগোষ্ঠীৰ লোকসকলৰ বিভিন্ন সমস্যা সম্পৰ্কে বক্তব্য আগবঢ়োৱাৰ লগত জনগোষ্ঠীটোৰ সমস্যাসমূহ সমাধানৰ কাৰণে নেতৃত্ব দিবলৈ এটি সংগঠন গঠনৰ পোষকতা কৰে। উক্ত সভাতেই গেব্ৰিয়েল মাৰ্ডীক সভাপতি, প্ৰকাশ মাৰ্ডীক সাধাৰণ সম্পাদকৰূপে লৈ ২৫জনীয়া চানতাল কল্যাণ সংস্থাৰ তদৰ্থ সমিতিখন গঠন কৰা হয়। নৱ গঠিত সদৌ চানতাল কল্যাণ সংস্থাৰ তদৰ্থ সমিতিৰ সভাপতি গেব্ৰিয়েল মাৰ্ডী আৰু সাধাৰণ সম্পাদক প্ৰকাশ মাৰ্ডীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা নিজস্ব ভাষা-সাহিত্য-সংস্কৃতি থকা চানতালসকল ভাৰতবৰ্ষৰ এটা অতি প্ৰাচীন জনগোষ্ঠী হৈয়ো চানতাল জনগোষ্ঠীৰ লোকসকলৰ সৰ্বাংগীণ উন্নয়ন সাধন কৰি অইন জনগোষ্ঠীৰ সমানে আগুৱাই নিয়াৰ স্বাৰ্থত সদৌ চানতাল কল্যাণ সংস্থা গঠন কৰা বুলি জানিবলৈ দিয়ে। অহা এপ্ৰিলৰ ভিতৰত সংগঠনটোৰ এক অভিৱৰ্তন অনুষ্ঠিত কৰি সংগঠনটোৰ পূৰ্ণাংগ সমিতি গঠন কৰাৰ লগতে পৰ্যায়ক্ৰমে জিলা আৰু আঞ্চলিক সমিতি সমূহো গঠন কৰা হ'ব বুলি জানিবলৈ দিয়ে নৱ গঠিত সংগঠনটোৰ সভাপতি আৰু সম্পাদকে।

# লখিমপুৰত শিক্ষা বিভাগৰ পাঠ্যপুথি বিতৰণ

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৩ মাৰ্চ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ অধীনৰ লখিমপুৰ শিক্ষা খণ্ডৰ প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়সমূহৰ ২০২২-২৩ শিক্ষাবৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। এই সন্দৰ্ভত উত্তৰ লখিমপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নাতালি নতাশা সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া বিনোদ মৰাণে চৰকাৰৰ নিৰ্দেশ অনুসৰি পাঠ্যপুথি বিতৰণৰ সামগ্ৰিক পৰিকল্পনা সন্দৰ্ভত সমিতিক অৱগত কৰে। উল্লেখ্য যে সভাত অহা পহিলা এপ্ৰিলৰ ভিতৰত শিক্ষা খণ্ডৰ অধীনৰ সকলো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে পাঠ্যপুথি লাভ কৰে তাৰ বাবে যাৱতীয় ব্যৱস্থা কৰে।

# কেৰখাবাৰীত ৰেলে কাটিলে এজনক

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৩ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা ৰেলৱে আৰক্ষী থানাৰ অন্তৰ্গত কেৰখাবাৰীত আজি পুৱা চলন্ত ৰেল এখনে যুৱক এজনৰ শৰীৰ দ্বিখণ্ডিত কৰাত থিতাতে নিহত হয়। পুৱা ৯-৪৫ বজাত নিউ বঙাইগাঁৱৰ পৰা গুৱাহাটীলৈ যোৱা উজনিমুৱা ৰেল এখনে কেৰখাবাৰী পাওতে চাইকেল আৰোহী যুৱক এজনে চাইকেলৰ পৰা নামি ৰেলখনৰ ওচৰলৈ আহে। পাছত ৰেলখনে যুৱকজনক মুণ্ডচ্ছেদ কৰাত থিতাতে নিহত হয়। পাছত ৰেলৱে আৰক্ষীয়ে মৃতদেহটো চমজি লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃত যুৱকজন পশ্চিম আমগুৰিৰ চন্দন মণ্ডল (২৮) বুলি চিনাক্ত কৰা হৈছে।

# শ্ৰীমন্ত শংকৰদেৱ কষ্টিয়াছনেছ ছ'চাইটি অৱ ইণ্ডিয়াৰ কলকাতাত সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰ

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ২৩ মাৰ্চ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক ভাবাদৰ্শ, সংস্কৃতি-সাহিত্য প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে কলকাতাত ২০১৬তে স্থাপন হৈছিল শ্ৰীমন্ত শংকৰদেৱ কষ্টিয়াছনেছ ছ'চাইটি অৱ ইণ্ডিয়া নামৰ এটা সংস্থা। কলকাতা নিবাসী অসমীয়াসকলৰ এই সংস্থাই নতুনকৈ স্থাপন কৰিবলৈ লৈছে এটা সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰ। এই উপলক্ষে যোৱা ২০ মাৰ্চত কলকাতাৰ অসম ভৱনত সংস্থাৰ গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়।সংস্থাৰ সভাপতি প্ৰণৱ কুমাৰ হাজৰিকাৰ সভাপতিত্বত হোৱা সভাত সংস্থাৰ উপ-সভাপতি ৰিজু পাঠক, সম্পাদক সুজিত চক্ৰৱৰ্তীয়ে উদ্দেশ্য, লক্ষ্য সন্দৰ্ভত বক্তব্য আগবঢ়ায়। মন কৰিবলগীয়া উক্ত সভাত কলকাতাৰ বিশ্বৰঞ্জন ঘটকে কলকাতাৰ নিকটৱৰ্তী পিয়ালী নামৰ স্থানত লক্ষণ চক্ৰৱৰ্তী নামৰ ব্যক্তিজনে নামঘৰ আৰু সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে ভূমি আগবঢ়োৱা বুলি সদৰী কৰে। সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে কে'বাজনো ব্যক্তিয়ে নিজা বৰঙণি আগবঢ়ায় আৰু পুঁজি সংগ্ৰহৰ বাবে এখন সমিতি গঠন কৰে। সভাত ড° অনামিকা সৰকাৰে স্ব-ৰচিত কবিতা পাঠ, ৰিজু পাঠকে বৰগীত পৰিবেশন কৰে।

# গোৰেশ্বৰৰ যোগী সত্যানন্দ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

**প্ৰধান শিক্ষয়িত্ৰীক বিদ্যালয় পৰিদৰ্শক ভৱেন দেউৰীয়ে ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ আছুৰ**

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ২৩ মাৰ্চ ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ মহৰিপাৰাস্থ যোগী সত্যানন্দ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী নমিতা দেৱীয়ে নিজৰ খেয়াল-খুচিত বিদ্যালয় পৰিচালনা তথা বিদ্যালয়ৰ আন্তঃগাঁথনিৰ ধনকে ধৰি অন্যান্য শিতানৰ ধন আত্মসাতৰ অভিযোগৰ তথ্য প্ৰমাণ পোৱাৰ পাছতো ৰহস্যজনক কাৰণত জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৱেন দেউৰীয়ে প্ৰধান শিক্ষয়িত্ৰীগৰাকীক ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ উত্থাপন কৰিছে আছুৰ উত্তৰ বেতনা আঞ্চলিক সমিতিৰ লগতে নাৰী শিক্ষানুষ্ঠানখনৰ শুভকাংক্ষী ৰাইজ আৰু অভিভাৱক সমাজে আছুৰ উত্তৰ বেতনা আঞ্চলিক সমিতিৰ সভাপতি নয়নজ্যোতি কলিতা আৰু সাধাৰণ সম্পাদক কমলজ্যোতি কলিতাই এক বিবৃতিত কয় যে উত্তৰ বেতনা (মহৰিপাৰা)অঞ্চলৰ একমাত্ৰ নাৰী শিক্ষানুষ্ঠান যোগী সত্যানন্দ ছোৱালী হাইস্কুলৰ অভিভাৱক সমাজৰ অভিযোগ মৰ্মে আছুৰ এটা ১৩ পৃষ্ঠাত চাওক

# ৰঙালীক আদৰিবলৈ ব্যস্ততা টীয়কৰ সংগীত বাদ্যযন্ত্ৰী শিল্পীৰ

**অগ্ৰদূত বাৰ্তা**
**কাকজান, ২৩ মাৰ্চ ঃ** ৰঙালী বিহুলৈ মাজত মাথোঁ কেইটামান দিন বাকী। হেঁপাহৰ ৰঙালী বিহুটি আদৰিবলৈ এইবাৰ ব্যস্ততা দেখা গৈছে ৰাজ্যবাসীক। ঠায়ে ঠায়ে বিহুৰ কৰ্মশালা গঢ়ি উঠিছে প্ৰান্তত। ব'হাগ বুলিলে অসমীয়া ৰাইজৰ মন-প্ৰাণ উঠলি উঠা দেহ-মন আনন্দত পুলকিত হৈ পৰা এটা মাহ। এই ব'হাগক আদৰিবলৈ বিহুৱলীয়া সকলো ৰাইজ সাজু হোৱা পৰিলক্ষিত হৈছে। সমগ্ৰ ৰাজ্যতে এই বাপতি সাহোন বিহুটি আদৰিবলৈ সাজু হোৱাৰ লগে লগে সংগীত শিল্পী আৰু বাদ্যযন্ত্ৰী শিল্পীসকলৰ ব্যস্ততা দেখা গৈছে। টীয়কৰ লাহদৈগড়ৰ 'ইগল মিউজিক বেণ্ডো' সাজু হৈছে সংগীতানুষ্ঠান কৰিবলৈ। গায়ক পংকজ, ৰিংকু, কৌস্তৱ, মিউজিচিয়ান পাৰ্থটিংকু, মৃগাংক, স্পন্দন, প্ৰাণজিৎ, নিপন, সৌৰভে জানিবলৈ দিয়া মতে বিগত বছৰত ক'ভিডৰ বাবে অসমীয়াৰ হিয়াৰ আঁমঠু ব'হাগ বিহুটি পালন কৰিব পৰা নাছিল। এইবাৰ বাপতি সাহোন ব'হাগ বিহুটি পালন কৰিব পাৰিব বুলি অতিশয় আনন্দিত হৈছে শিল্পীসকল। দুবছৰীয়া ক'ভিডৰ ভয়াৱহতাৰ মাজতে শিল্পীসকলৰ আৰ্থিক দৈন্যৰ কথা বৰ্ণনা কৰি এইবাৰ তেওঁলোক বহুত আশাবাদী বুলি সদৰী কৰিছে।

**ছহিদ ভগৎ সিঙৰ ৯০ সংখ্যক মৃত্যু দিৱস পালন**

# শোষণৰ বিৰুদ্ধে সমদল



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৩ মাৰ্চ ঃ** ছহিদ ভগৎ সিঙৰ ৯০ সংখ্যক মৃত্যু দিৱস আজি মহিলা সাংস্কৃতিক সংগঠন, গণতান্ত্ৰিক ছাত্ৰ সংগঠন, গণতান্ত্ৰিক যুৱ সংগঠনৰ উদ্যোগত উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত উদ্‌যাপন কৰা হয়। সভাত নিৰ্দিষ্ট বক্তাৰূপে গণতান্ত্ৰিক ছাত্ৰ সংগঠনৰ সদৌ অসম সমিতিৰ সভাপতি প্ৰৌজল দেৱে ভগৎ সিঙৰ জীৱন, আদৰ্শ দেশপ্ৰেমৰ মূল্যায়ন কৰাৰ লগতে ব্ৰিটিছৰ শোষণ নীতি আজিও পুঁজিপতিৰ শ্ৰেণীৰ হাতত ন্যস্ত থকাৰ বাবে স্বাধীনতা আন্দোলনত জীৱন আহুতি দিয়া বীৰ বীৰাংগণাৰ ত্যাগক সঁচা অৰ্থাৎ অপমান কৰা হৈছে বুলি উল্লেখ কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে গণতান্ত্ৰিক ছাত্ৰ সংগঠনৰ সভাপতি বিৰিঞ্চি পেগুৱে। উল্লেখ্য যে ছহিদ দিৱস উপলক্ষে যোৱা ২১, ২২ আৰু ২৩ মাৰ্চলৈ উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ভগৎ সিঙৰ অমৰবাণী আৰু ফটো প্ৰদৰ্শন কৰা হয়। আজি পুৱাৰ ভাগত উক্ত স্থানত ছহিদ ভগৎ সিঙৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰা হয়। তদুপৰি শোষণ নীতিৰ বিৰুদ্ধে এক সমদলো ফলিওৱা হয়। উল্লেখ্য যে ভগৎ সিঙৰ মৃত্যু দিৱসৰ সমান্তৰালভাৱে বগী নদী, চুকুলীভৰীয়া, কাকৈ ৰাজগড়তো উদ্‌যাপন কৰা হয়।

# কৰ্মচাৰী পৰিষদৰ অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২৩ মাৰ্চ ঃ** শিৱসাগৰ জিলা কৰ্মচাৰী পৰিষদৰ অষ্টবিংশতিতম বাৰ্ষিক অধিবেশন আৰু গৌৰীসাগৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বিবাৰ্ষিক অধিবেশনখন অহা ২৩ এপ্ৰিলৰ পৰা দুদিনীয়াকৈ গৌৰীসাগৰত অনুষ্ঠিত হ'ব। যোৱা ২১ মাৰ্চত জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বিজয়কৃষ্ণ দত্ত আৰু সম্পাদক ভাস্কৰ বিশ্ব নাথৰ লগতে কে'বাজনো জিলা বিষয়ববীয়াৰ উপস্থিতিত গৌৰীসাগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাতে মনজিৎ ফুকনক সভাপতি, পবিত্ৰ কুমাৰ দাসক কাৰ্যকৰী সভাপতি, আদিত্য ভট্টাচাৰ্যক সম্পাদকৰূপে লৈ এখন অভ্যৰ্থনা সমিতিৰ লগতে কে'বাখনো উপ-সমিতি গঠন কৰা হয়।

# ওদালগুৰিত পৰিবহণ বিভাগৰ সংগ্ৰহ ১০ কোটিতকৈ অধিক কৰ


**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২৩ মাৰ্চ ঃ** 'ওদালগুৰি জিলাৰ যিসকল বাহনৰ গৰাকীয়ে বৰ্তমানেও নিজৰ বাহনৰ কৰসমূহ পৰিশোধ কৰা নাই, তেওঁলোকে আগন্তুক ৩১ মাৰ্চৰ ভিতৰত কৰসমূহ পৰিশোধ কৰক।' এই মন্তব্য ওদালগুৰি জিলা পৰিবহণ বিষয়া ধজেন বসুমতাৰীৰ। তেওঁ আজি এইদৰে ৰাইজক আহ্বান জনাই কয় যে চলিত বৰ্ষত আজি পৰ্যন্ত জিলাখনত ১০.৪৫ কোটি টকাৰ কৰ সংগ্ৰহ কৰা হৈছে। জিলাখনত ১১ কোটি টকাৰ কৰ সংগ্ৰহৰ লক্ষ্য বান্ধি লোৱা হৈছে বুলি তেওঁ কয় যে ৰাইজৰ সুবিধাৰ্থে অহা চতুৰ্থ শনিবাৰ আৰু দেওবাৰ বন্ধৰ দিন দুটাটো কাৰ্যালয় খোলা ৰখা হ'ব।

# মঙলদৈত বিহুৰ কৰ্মশালা

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২৩ মাৰ্চ ঃ** অহা একৰ পৰা সাত এপ্ৰিললৈ মঙলদৈত অনুষ্ঠিত ৰঙালী বিহুৰ কৰ্মশালা। আন্তঃমঙলদৈ ছাত্ৰ সন্থা আৰু মঙলদৈ সাংস্কৃতিক বিহুৱা দলৰ উদ্যোগত মঙলদৈৰ সৰবৰহী ব্যক্তি, সমাজকৰ্মী সঞ্জীৱ ডেকা (অপুল)ৰ সোঁৱৰণত ছহিদ ভৱনত অনুষ্ঠিত হ'ব এই কৰ্মশালা।

**আগন্তুক সংস্কৃত ভাষাৰ আন্তঃৰাষ্ট্ৰীয় মহাধিৱেশন হ'ব মঙলদৈত**

# ভাৰতক বিশ্বগুৰু কৰিবলৈ সংস্কৃত ভাষাই সৰ্বোত্তম পন্থা



**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৩ মাৰ্চ ঃ** সংস্কৃত ভাষা আৰু ভাৰতীয় সংস্কৃতিৰ প্ৰচাৰ উত্তৰ পূৰ্বাঞ্চলত কৰাৰ উদ্দেশ্যে লোকভাষা প্ৰচাৰ সমিতি, ভাৰতৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় সংস্কৃত মহাধিৱেশন অহা বছৰ মঙলদৈ নগৰত অনুষ্ঠিত হ'ব। দেশ-বিদেশৰ সহস্ৰাধিক সংস্কৃত বিদ্বান, অধ্যাপক, সমাজকৰ্মী, সেৱক, বিদ্যাৰ্থী, যুৱক-যুৱতীৰ অংশগ্ৰহণেৰে এই মহাধিৱেশন তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। আজি মঙলদৈত এক সংবাদ মেলত এই কথা সদৰী কৰে লোকভাষা প্ৰচাৰ সমিতিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ, ড° সনানন্দ দীক্ষিতে। সমিতিৰ ৰাষ্ট্ৰীয় মহাসচিব কুশল কলিতা, বিভূতি নাৰায়ণ কৰ আৰু উৰিষ্যা শাখাৰ সভাপতি ড° বিপিন বিহাৰী শতপথীৰ উপস্থিতিত সংবাদ মেল সম্বোধন কৰি তেওঁ কয়, ভাৰতক বিশ্বগুৰু কৰিবলৈ সংস্কৃত ভাষাই সৰ্বোত্তম পন্থা। ভাৰতীয় সংস্কৃতি, সভ্যতাৰ পৰিবাহক সংস্কৃত ভাষা ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৰা ক্ৰমশঃ আঁতৰি যোৱাৰ বাবে আজি ভাৰত দেশৰ নাগৰিক 'ভাৰতীয়' আৰু 'ইণ্ডিয়ান' এই দুভাগত বিভক্ত হৈ পৰিছে। পৃথিৱীৰ কোনো দেশৰ দুটা নাম নাই, একমাত্ৰ ভাৰতৰ দুটা নাম, ইংৰাজীত ইণ্ডিয়া, অন্যান্য ভাৰতীয় ভাষাত 'ভাৰত'। ই এক বহিৰাগত চক্ৰান্ত, যাৰ দ্বাৰা ভাৰতীয় নাগৰিকক আত্মিকভাৱে ভাৰতীয় ভাৱনাৰে সমৃদ্ধ হোৱাৰ পৰা বঞ্চিত কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ জনগাঁথনিৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰান্তত সংস্কৃত আৰু ভাৰতীয় সংস্কৃতিৰ বিশাল প্ৰচাৰ প্ৰয়োজন হৈ পৰিছে। তেওঁ পুনৰ কয় যে সংস্কৃত ভাৰতৰ একতাৰ একমাত্ৰ সূত্ৰ। প্ৰতিখন ৰাজ্যক মানুহে সংস্কৃত বুজে, জানে কিন্তু ব্যৱহাৰ নকৰে। ইয়াক ব্যৱহাৰত অনাটোৱে লোকভাষা প্ৰচাৰ সমিতিৰ মূল কাম। উল্লেখ্য যে কালি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিবলৈ লোকভাষা প্ৰচাৰ সমিতিৰ কেন্দ্ৰীয় নেতৃত্ব মঙলদৈত উপস্থিত হয়। উক্ত সন্মিললনত অসমৰ ১৭ খন জিলাৰ প্ৰায় তিনি শতাধিক প্ৰতিনিধি উপস্থিত থাকে। অসম সাহিত্য সভাৰ উপ-সভানেত্ৰী মৃণালিনী দেৱী, গুৱাহাটী ইছকন মন্দিৰৰ শ্ৰীজীৱ দাস প্ৰভু, উদ্যোগপতি মুকুল ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জগদীশ শৰ্মা, নলবাৰী সংস্কৃত বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ছবিলাল উপাধ্যায় ১৩ পৃষ্ঠাত চাওক

## নগাঁৱৰ বিভিন্ন অঞ্চলৰ পৰা তিনিটা অবৈধ কাঠমিল জব্দ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৩ মাৰ্চ ঃ** নগাঁও বন সংমণ্ডল বিষয়া ভাস্কৰ ডেকাৰ নিৰ্দেশমৰ্মে নগাঁও জিলা বন সুৰক্ষা শাখাৰ বনাঞ্চলিক বিষয়া ৰাজেন চৌধুৰীৰ নেতৃত্বত যোৱা এটা বন বিভাগৰ দলে আজি নগাঁও বন বিভাগৰ বিভিন্ন স্থানত অভিযান চলাই তিনিটাকৈ অবৈধ কাঠফলা মিল জব্দ কৰিবলৈ সক্ষম হয়। অভিযানকাৰী দলটোৱে এক বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই মৈৰাবাৰীৰ হাঁহচৰাৰ পৰা এটা, লাহৰীঘাটৰ বোৱালগুৰিৰ পৰা দুটা অবৈধ কাঠ মিল জব্দ কৰে। অভিযানৰ সময়ত দলটোৱে অবৈধ মিলকেইটাৰ পৰা বুজন পৰিমাণৰ চোৰাং কাঠ জব্দ কৰে। অৱশ্যে অভিযানৰ সময়ত দলটোৱে কোনো লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহ'ল। অভিযানত লাহৰীঘাট আৰক্ষী, মৰিগাঁও জিলা বন বিষয়া আদিয়ে সহযোগিতা আগবঢ়ায়।

## ডুমডুমাত দুৰ্ঘটনাত এজনৰ মৃত্যু, আহত এজন

**ডুমডুমা, ২৩ মাৰ্চ ঃ** তিনিচুকীয়া জিলাত আৰক্ষী প্ৰশাসনে যানবাহন আইন মানি চলিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি অহাৰ সময়তে ডুমডুমাৰ ৰূপাই চাইডিং বিষ্ণু নগৰ তিনিআলিত আজি এক শোকাৱহ পথ দুৰ্ঘটনাত এজন ২০ বছৰীয়া যুৱকৰ মৃত্যু হোৱাৰ লগতে এজন আহত হয়। তালাপ ধূলিজান নিবাসী কৰ্ণেল বণিয়া (২০) নামৰ যুৱকজন টিপুক চাহ বাগিচাৰ দিব্যজ্যোতি বৰা নামৰ সতীৰ্থ এজনৰ স'তে মটৰ চাইকেলত তীব্ৰ গতিত ডুমডুমাৰ পৰা ধলা দিশত গৈ থাকোতে বিপৰীত দিশৰ পৰা অহা এখন আই-১০ বাহনৰে মুখামুখি সংঘৰ্ষ হয়। ফলত মটৰ চাইকেলৰ আৰোহী হিচাপে অহা কৰ্ণেল বণিয়া উফৰি পৰে। তেওঁ মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। চালক হিচাপে থকা আনজন যুৱক দিব্যজ্যোতি বৰা সামান্যভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় লোকে যুৱক দুজনক কাষৰ নাৰ্ছিংহোমত ভৰ্তি কৰে যদিও কৰ্ণেল বণিয়াৰ মৃত্যু হয়।

## ডিগবৈৰ প্ৰান্তে প্ৰান্তে বিশুদ্ধ খোৱা পানীৰ অভাৱত ভুগিছে জনসাধাৰণ

## চৰকাৰী অভিলাষী আঁচনিয়ে ঢুকি নোপোৱাত হাহাকাৰ পৰিস্থিতি গঞাৰ

**ডিগবৈ, ২৩ মাৰ্চ ঃ** চৰকাৰে জল জীৱন আঁচনিৰ লগতে বিভিন্ন উন্নয়নমূলক আঁচনিৰে ৰাইজৰ বিশুদ্ধ খোৱাপানীৰ যোগান ধৰিবলৈ চেষ্টা চলাইছে যদিও ৰাজ্যৰ বিভিন্ন ঠাইত আজিও খোৱাপানীৰ বাবে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। তৈলনগৰী ডিগবৈ মূল চহৰখনৰ লগতে পাৰ্শ্ববৰ্তী গ্ৰামাঞ্চলত আজিও বিশুদ্ধ খোৱা পানীৰ আঁচনিয়ে ঢুকি পোৱা নাই। চহৰৰ লগতে পাৰ্শ্ববৰ্তী অঞ্চলৰ ৰাইজে বছৰ বছৰ ধৰি এই সমস্যাত ভুগি আছে যদিও জনপ্ৰতিনিধিয়ে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। বিশেষকৈ বৃহত্তৰ বৰজান, বালিজান গাঁৱৰ ন-১০ টা চুবুৰিৰ ছয়-সাত হেজাৰ ৰাইজৰ বিশুদ্ধ খোৱা পানী সমস্যাই জ্বলা-কলা খুৱাইছে। বালিজান গাঁওখনৰে কচুজান, কেন্দুগুৰি, শ্বিলংবস্তি মাঝিগাঁও, নিউ কল'নী আদি চুবুৰীৰ ৰাইজে এটুপি খোৱাপানীৰ বাবে হাহাকাৰ কৰিছে। বালিজান গাঁওখনৰ উল্লিখিত চুবুৰিৰ কোনো কোনো ঠাইত জল জীৱন আঁচনিৰ অধীনত ঠিকাদাৰে পানী যোগানৰ বাবে টেপসমূহ সংযোগ কৰিছিল যদিও সেইসমূহ টেপত পুৱাৰ পৰা সন্ধিয়ালৈ পানী নোলায়। বিভাগীয় কৃৰ্তপক্ষই সংযোগ কৰিলে যদিও আজি পৰ্যন্ত যোগান ধৰা নহ'ল বিশুদ্ধ খোৱা পানী। তদুপৰি ডিগবৈ চহৰখনৰ পৰা প্ৰায় ছয় কিলোমিটাৰ নিলগত অৱস্থিত বৰজানগাঁৱৰ ৰাইজে বালিজানবাসীতকৈয়ো অধিক সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। বহু যুগ যুগান্তৰ পৰাই বৰজান গাঁৱৰ আৰম্ভণিতে পানী যোগান প্ৰকল্প এটা আছে যদিও প্ৰকল্পটোৰ দুৰৱস্থা দেখিলে চকু কপালত উঠিব। ছয় কিলোমিটাৰ আৰৰা গাঁৱৰ অধিকাংশ লোকৰে খোৱা পানীৰ অভাৱ। গাঁৱৰ ৰাইজে গাঁঠিৰ ধন ব্যয় কৰি ১৫০ ফুট পৰ্যন্ত পাইপ বৰিং কৰাৰ পাছতো নোলায় পানী। ফলত চৰকাৰী পানী যোগান আঁচনিৰ ওপৰতে ৰাইজে নিৰ্ভৰ কৰিবলগীয়া হৈছে; কিন্তু পৰিতাপৰ বিষয় বৰজানগাঁৱৰ আৰম্ভণিতে অৱস্থিত জল জীৱন আঁচনিৰ অধীনত পুৰণা পানী যোগান প্ৰকল্পটোক নবীকৰণ কৰি উদ্বোধন নোহোৱাকৈয়ে পানী যোগানৰ ব্যৱস্থা কৰিছিল যদিও বৰজান গাঁৱৰ ২৫শ লোকৰ বিপৰীতে মাত্ৰ ন-১০ ঘৰকহে পানী যোগান দিবলৈ সক্ষম হৈছে। বৰজান পানী যোগান আঁচনিৰ কাম কৰা ঠিকাদাৰ পক্ষই ইতিমধ্যে জল জীৱন আঁচনিৰ অধীনত বৃহৎ প্ৰকল্পৰ কাম সমাপ্ত কৰিলে যদিও আজি পৰ্যন্ত ৰাইজে পানী পাবলৈ সক্ষম হোৱা নাই। তদুপৰি লাৰোপীয়া চুবুৰিৰ ডেৰশৰ পৰা দুশটা পৰিয়ালৰ অৱস্থাও একেবাৰে পুতৌজনক। উক্ত চুবুৰিৰ ভূ-পৃষ্ঠৰ পানীৰ তৰপ বহু নিম্নগামী হোৱা হেতুকে জংঘলৰ পৰা বৈ অহা এটা সৰু জুৰিয়ে একমাত্ৰ সম্বল হৈ পৰিছে; কিন্তু চলিত বৰ্ষত বৰষুণৰ পৰিমাণ কম হোৱাত একমাত্ৰ পানীৰ উৎস জুৰিটোও শুকাই গৈছে। ফলত ৰাইজৰ লগতে পশু ধনেও পানী লাভৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। বৰজান লাৰোপীয়া চুবুৰিত কিছু বছৰৰ পূৰ্বে বিধায়কৰ আছুতীয়া পুঁজিৰে কেঁবালাখ টকা ব্যয় সাপেক্ষে এটা অভিলাষী পানী যোগান আঁচনিৰ প্ৰকল্প উদ্বোধন কৰিছিল। উদ্বোধনৰ পৰা ছমাহ পানী যোগান প্ৰকল্পটোৰ পৰাই বৃহৎ সংখ্যক ৰাইজে বিশুদ্ধ খোৱা পানী সংগ্ৰহ কৰিছিল। কিন্তু উক্ত প্ৰকল্পটোৰ যন্ত্ৰ বিকল হোৱাত পুনৰ খোৱা পানী সমস্যাই গা কৰি উঠে। উল্লেখ্য যে বিধায়কৰ আছুতীয়া পুঁজিৰে নিৰ্মাণ কৰা প্ৰকল্পটোৰ যন্ত্ৰপাতিসমূহ কলকাতাৰ পৰা আনি প্ৰকল্পটোত ব্যৱহাৰ কৰা হেতুকে জনসাধাৰণে নিজাববীয়াকৈ মেৰামতি কৰি প্ৰকল্পটো পুনৰ কাৰ্যক্ষম কৰিব নোৱাৰিলে। উক্ত প্ৰকল্পটোৰ সন্দৰ্ভত বিধায়ক সুৰেন ফুকনক পুনৰ কাৰ্যক্ষম কৰিবলৈ বাৰম্বাৰ ৰাইজে আবেদন-নিবেদন কৰে যদিও বিগত ডেৰ বছৰে এই ক্ষেত্ৰত কোনো সুফল লাভ কৰা নাই। ৰাইজে এই ক্ষেত্ৰত চৰকাৰৰ লগতে স্থানীয় জনপ্ৰতিনিধিক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

## দেশৰ নাম 'ভাৰত' আৰু 'ইণ্ডিয়া'

*১২ পৃষ্ঠাৰ পৰা* তথা অন্যান্য সকলৰ উপস্থিতিত এই সন্মিলনত নগাঁৱৰ প্ৰসিদ্ধ সংস্কৃত গায়ক, গীতিকাৰ, অনুবাদক ৰঞ্জন বেজবৰুৱাক 'ৰাষ্ট্ৰীয় সংস্কৃত গীতি কবি' 'সন্মানেৰে বিভূষিত কৰাৰ লগতে অসমৰ বিভিন্ন ঠাইৰ ৪৫ গৰাকী মেধাবী বিদ্যাৰ্থীক' 'ড° মুকুন্দ মাধৱ শৰ্মা স্মাৰক বঁটা'ৰে সন্মানিত কৰা হয়। অসম শাখাৰ অধ্যক্ষ ড° ভাৰতী গোস্বামীয়ে অধ্যক্ষতা কৰা, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মনিমুগ্ধ বৰঠাকুৰে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটোত 'মধুৰং সংস্কৃতম' নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়।

## বিশ্বনাথ নগৰৰ বিদ্যালয়ৰ সন্মুখত যান

*১২ পৃষ্ঠাৰ পৰা* সময়তে যান-জঁটৰ সমস্যাৰ বাবে বহু হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হয় অভিভাৱকসকল। কেৱল অভিভাৱকসকলেই নহয়, যিকোনো মুহূৰ্ততে পথ দুৰ্ঘটনাৰ মুখামুখি হ'ব পাৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকল। বিশ্বনাথৰ কলেজ ৰোড, মধপুৰ অথবা বিশ্বনাথ ঘাট ৰোডৰ পৰা বিশ্বনাথ নগৰ সংযোগী এই পথটোত প্ৰতি দিনে নিজ গাড়ী মটৰ চাইকেল লৈ নগৰৰ দিশে বহু লোক অহা-যোৱা কৰে। বিশেষকৈ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱকে অনা-নিয়া কৰা সময়ত এই স্থানত তীব্ৰ যান-জঁটৰ সমস্যাই হাৰাশাস্তিত ভুগিবলগীয়া হয় অভিভাৱকসকল। যাৰ বাবে বাবে বিদ্যালয়খনত অধ্যয়ন কৰা ছাত্ৰী-ছাত্ৰীসকলৰ অভিভাৱকসকলেও আহ্বান জনাইছে যে অন্তত স্কুলীয়া সময়ত যাতে ৰাইজে এই বিদ্যালয় সন্মুখৰ ৰাস্তাৰে নগৈ বিকল্প পথ ব্যৱহাৰ কৰক লগতে আৰক্ষী প্ৰশাসনেও যাতে স্কুলীয়া সময়ত এই স্থানত স্কুলৰ বাদে আন গাড়ী মটৰ চাইকেল চলাচলত কিছুসময়ৰ বাবে প্ৰৱেশ নিষেধৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনলৈ আহিব লগীয়া অনাকাংক্ষিত দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰ আহ্বান জনাইছে অভিভাৱকে।

## জনজাতিকৰণৰ দাবীত বঙাইগাঁৱত

*১২ পৃষ্ঠাৰ পৰা* পালন কৰা বুলি নেতাদ্বয়ে কয়। কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বৰ্মন, সাধাৰণ সম্পাদক ৰায়ে বিষোদগাৰ কৰি কয়, '২০১৯ৰ লোকসভা নিৰ্বাচন আৰু ২০২১ৰ বিধানসভা নিৰ্বাচনত কোচ ৰাজংশী জনগোষ্ঠীৰ ভোট লাভৰ ৰাজনীতিৰে যে কোচ ৰাজবংশীকে ধৰি অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বিধেয়ক ৰাজ্যসভাত উত্থাপন কৰিছিল সেই কথা এতিয়া প্ৰমাণিত হৈছে।' পৰিষদৰ নেতাদ্বয়ে পুনৰ কয় যে জনজাতিকৰণ সমস্যা সমাধানৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া মন্ত্ৰী মণ্ডলীৰ অধ্যক্ষ তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই জনজাতিকৰণৰ প্ৰতিবেদন আজিলৈকে কেন্দ্ৰীয় চৰকাৰক দিয়াৰ পৰা বিৰত আছে আৰু সেইকাৰণে কোচ ৰাজবংশীৰ লগতে পাঁচ জনগোষ্ঠীৰ জনজাতিকৰণ হোৱা নাই। এই কথা চলিত বিধানসভা অধিৱেশনত অগপৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ প্ৰশ্নৰ উত্তৰত জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুই দিয়া উত্তৰত স্পষ্টভাৱে প্ৰকাশ পাইছে। নেতাদ্বয়ে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক চৰম মিছলীয়া আখ্যা দি কয় যে কোচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত জনজাতিকৰণৰ বিষয়টো সমাধানৰ ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰত বিজেপি চৰকাৰ থকা সত্বেও দৃঢ় পদক্ষেপ লৈ নিৰ্বাচনী প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰাটো চৰম দুৰ্ভাগ্যজনকেই নহয়, লজ্জাজনকো। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীক কৰা প্ৰতাৰণা আৰু জনজাতিকৰণৰ দাবীত কোচ ৰাজবংশী জাতীয় পৰিষদে অহা এপ্ৰিলৰ পৰাই এলানি গণতান্ত্ৰিক গণ আন্দোলনৰ লগতে অসম বন্ধৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰাৰ বিষয়ে নেতাদ্বয়ে উল্লেখ কৰে ।

## অভিযোগ-প্ৰতিঅভিযোগে সৃষ্টি কৰিছে

*১২ পৃষ্ঠাৰ পৰা* ৰাইজৰ লগতে স্থানীয় একাংশ ৰাইজে আজি ওলাই আহি নলাটোৰ মাটি মোকলাই দিয়াৰ দাবী উত্থাপন কৰিছে । ইপিনে, নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুকুতা বেগমে কয় যে ২০ বছৰ পূৰ্বে ১২১ নম্বৰ দাগ আৰু ১৪৯ নম্বৰ পট্টাভুক্ত এক কঠা পাঁচ লেছা জমি ৰেজিষ্টাৰ্ড দলিলযোগে ক্ৰয় কৰাৰ সময়ত গৰাকীয়ে নলা বাদে আগিয়া গোৱালপাৰা পথৰ পৰা তেওঁৰ ঘৰলৈ যোৱাৰ বাবে সাত ফুট বহলৰ ৰাস্তা দিয়ে আৰু উক্ত ৰাস্তাৰ কথা দলিলতো উল্লেখ আছে। সম্প্ৰতি নলা খন্দাৰ ক্ষেত্ৰত তেওঁৰ কোনো আপত্তি নাই; কিন্তু খান্দিব বিচৰা নলাটো কেৱল তেওঁৰ ঘৰলৈ খান্দিলেই নহ'ব, নয়াপাৰা কালভাৰ্টলৈকে সম্পূৰ্ণ নলাটো খান্দিব লাগিব। লগতে দলিলত উল্লেখ থকা ধৰণে নলাৰ বাদে তেওঁৰ ঘৰলৈ অহা-যোৱাৰ বাবে সাত ফুট বহল ৰাস্তা মোকলাই দিবই লাগিব। ইছফাকুল ওৱাৰিছৰ নেতৃত্বত এচাম লোকে ষড়যন্ত্ৰ কৰা বুলিও প্ৰতিঅভিযোগ উত্থাপন কৰিছে মুকুতা বেগমে। লগতে বিভাগীয় অনুমতি অবিহনেই ইছফাকুলে বিল্ডিঙৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা বুলিও অভিযোগ উত্থাপন কৰিছে মুকুতাই। এইদৰে পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে অভিযোগ-প্ৰতিঅভিযোগ উত্থাপন কৰাৰ লগতে বিষয়টোৰ সন্দৰ্ভত গোচৰো চলি থকা বুলি জনা গৈছে। ইফালে, অভিযোগকাৰী ৰাইজৰ দাবী মাটিৰ গৰাকীয়ে কেৱল মুকুতাকেই অহা-যোৱাৰ বাবে সাত ফুট বহল ৰাস্তাটো অকলে দিয়া নাই। তেওঁলোকৰ দলিলতো অহা-যোৱাৰ বাবে দক্ষিণ দিশত ৰাস্তাৰ কথা উল্লেখ আছে। সেয়ে মুকুতাই পথৰ গেটত তলা ওলমাই দিয়াৰ কোনো যুক্তি নাই। এইদৰে সমস্যাটোক লৈ চলা অভিযোগ-প্ৰতিঅভিযোগে অঞ্চলটোত এক উত্তেজনাপূৰ্ণ পৰিৱেশ বিৰাজ কৰিছে। সেয়েহে অঞ্চলটোৰ শান্তি-সম্প্ৰীতি অটুট ৰখাৰ স্বাৰ্থতেই অতি শীঘ্ৰে বিভাগীয় নিয়ম মতে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে স্থানীয় সচেতন মহলে।

## গোৰেশ্বৰৰ যোগী সত্যানন্দ ছোৱালী

*১২ পৃষ্ঠাৰ পৰা* সঁজাতী দলে প্ৰধান শিক্ষয়িত্ৰী নমিতা দেবীৰ লগত আলোচনা কৰাত তেওঁ ছাত্ৰীৰ পৰীক্ষাৰ মাচুল লৈ সৰ্বশিক্ষা অভিযান মিছনৰ বিনামূলীয়াকৈ পোৱা বহীত নৱম আৰু দশম শ্ৰেণীৰ পৰীক্ষা লোৱাটো প্ৰমাণিত হৈছে। ইয়াৰ উপৰি মধ্যাহ্ন ভোজন, ছাত্ৰীৰ ইউনিফৰ্ম আৰু আন্তঃগাঁথনি ধনৰ খৰচৰ বিসংগতি দেখি জিলা বিদ্যালয় পৰিদৰ্শকৰ অৱগত কৰা হয়। সেইমতে শিক্ষা বিষয়া দেউৰীয়ে ১১ অক্টোবৰত উক্ত শিক্ষানুষ্ঠানলৈ আহি বিদ্যালয়ৰ বেংক পাছবুক বহী আদি জব্দ কৰি লৈ যায়। এই তদন্তৰ একো ফলাফল নোলোৱাত পুনৰ বিদ্যালয় পৰিচালনা সমিতি আৰু অভিভাৱক সমাজৰ মাজত হোৱা আলোচনামৰ্মে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ উন্নতৰ স্বাৰ্থত তদন্ত প্ৰক্ৰিয়া সমাধান কৰাৰ দাবী জনোৱাত পৰিদৰ্শক দেউৰীয়ে ১৩ নৱেম্বৰত পুনৰ বিদ্যালয়ত কেইজনমান ব্যক্তিৰ লগত উপস্থিত হয় আৰু প্ৰধান শিক্ষয়িত্ৰীৰ জমা-খৰচকে ধৰি অন্যান্য নথি-পত্ৰ বিচাৰে। সেই সময়ত প্ৰধান শিক্ষয়িত্ৰীয়ে বিষয়াগৰাকীয়ে বিচৰা তথ্য দিব পৰা নাছিল। বিষয়াগৰাকীয়ে মাথোঁ শিক্ষকৰ উপস্থিতৰ বহীখন জব্দ কৰি লয় আৰু শীঘ্ৰে প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব বুলি আছুৰ নেতৃত্ববৃন্দক প্ৰতিশ্ৰুতি দি যায়। ইয়াৰ পাছতো একো ফল নধৰাত আছুৰ উত্তৰ বেতনা আঞ্চলিকৰ ফালৰ পৰা বিষয়াজনৰ কাৰ্যালয়ত উপস্থিত হৈ উক্ত বিষয় সন্দৰ্ভত এখন স্মাৰকপত্ৰ দিয়া হয় । তথাপি শিক্ষা বিষয়াজন নিশ্চুপ হৈ থাকে । ইপিনে, স্থানীয় আৰ টি আই কৰ্মী পৰিদোষ দেব নাথ নামৰ যুৱকজনে আৰ টি আই কৰাত প্ৰধান শিক্ষয়িত্ৰীয়ে কৰি অহা অনীতি আৰু দুৰ্নীতিৰ তথ্য প্ৰকট হৈ পৰে। এই তথ্য সংবাদ মাধ্যমত বিস্তৃতভাৱে প্ৰচাৰ হোৱাত আকৌ শিক্ষা বিষয়া দেউৰীয়ে ১৮ ফেব্ৰুৱাৰীত উক্ত বিদ্যালয়ত উপস্থিত হৈ প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ সত্যাসত্য শিক্ষা বিষয়াজনে লাভ কৰে আৰু অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতি , ছাত্ৰ সংগঠনৰ প্ৰতিনিধি, স্থানীয় গাঁওবুঢ়া আদিকে ধৰি শুভকাংক্ষী ৰাইজৰ আগত শীঘ্ৰে ব্যৱস্থা লোৱা হ'ব বুলি পুনৰ আশ্বাস দি যায়। একেটা বিবৃতিত আছুৰ নেতৃত্বদ্বয়ে উল্লেখ কৰামতে ২৮ ফেব্ৰুৱাৰীত বিদ্যালয় পৰিচালনা সমিতিৰ আহ্বানত অনুষ্ঠিত সামাজিক জমা খৰচৰ হিচাপ প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে দিব নোৱাৰিলে। পাছত ১৯ মাৰ্চত বহা সাধাৰণ সভাত হিচাপ পৰীক্ষক তিনি গৰাকীয়ে উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীয়ে জমা খৰচৰ উপযুক্ত তথ্য দিব নোপোৱাৰ ফলত সম্পূৰ্ণ হিচাপ দাখিল কৰাত অসমৰ্থ হ'লো বুলি প্ৰতিবেদন চহী কৰি দিয়ে। ইফালে, ২১ মাৰ্চত আছুৰ লগতে স্থানীয় শুভকাংক্ষী ৰাইজে শিক্ষা বিষয়া দেউৰীক মুছলপুৰস্থ কাৰ্যালয়ত উপস্থিত হৈ ১৯ মাৰ্চত বহা সাধাৰণ সভাত গৃহীত প্ৰস্তাৱ তথা হিচাপ পৰীক্ষকৰ প্ৰতিবেদনৰ প্ৰতিলিপি দিয়াৰ পাছত বিষয়াজনে গা এৰা দিয়া মনোভাব পোষণ কৰি তদন্ত দীঘলীয়া হ'ব বুলি সঁজাতী দলৰ অসহায়তাৰ কথা প্ৰকাশ কৰে। চাৰি পৃষ্ঠাজোৰা বিবৃতিটোত আছুৰ উত্তৰ বেতনা আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদকে শিক্ষা বিষয়াজনৰ ভূমিকাত সন্দেহ প্ৰকাশ কৰাৰ লগতে বিষয়াজনৰ কাৰ্যক ধিক্কাৰ দিয়ে। একেটা বিবৃতিৰ জৰিয়তে আছুৰ আঞ্চলিক সমিতিখনে অতিশীঘ্ৰে উক্ত শিক্ষানুষ্ঠানখনৰ প্ৰধান শিক্ষয়িত্ৰীৰ ওপৰত উত্থাপিত অভিযোগসমূহ উৰ্দ্ধতন কৰ্তৃপক্ষৰ দ্বাৰা নিৰপেক্ষ তদন্ত কৰি শিক্ষানুষ্ঠানখনৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়, অন্যথা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পাছতেই শিক্ষা বিষয়া আৰু প্ৰধান শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে আছুৱে গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়নি দিয়ে ।

## সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ ৰাজহুৱা সভা



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৩ মাৰ্চ ঃ** সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত লখিমপুৰ জিলা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ ৰাজহুৱা সভা আজি লখিমপুৰ এ টীম খেলপথাৰৰ বাকৰিত অনুষ্ঠিত হয়। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ লগত জড়িত যিবোৰ বিষয় সেইবোৰৰ সম্পৰ্কত নতুন প্ৰজন্মৰ মাজত এটা পৰিৱেশ সৃষ্টি তথা অসমীয়া জাতীয় সত্তাক কেন্দ্ৰীয়ভাৱে পালনৰ লক্ষ্যৰে উক্ত ৰাজহুৱা সভাখন অনুষ্ঠিত কৰা হয়। অনুষ্ঠান সঞ্চালনা কৰে সদৌ লখিমপুৰ ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত নেওগে। অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈয়ে। অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সভাপতি ডাঃ অমৰেন্দ্ৰ গগৈ, অধিবক্তা ধেবৰ গোহাঁই বৰুৱা প্ৰমুখ্যে সদৌ অসম ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল। সভাত কেন্দ্ৰীয় বিহু সন্মিলনৰ সাংস্কৃতিক কাৰ্যসূচী কোন কোন শিল্পীক আমন্ত্ৰণ কৰা হ'ব আদি অন্যান্য বিষয়ৰ ওপৰত আলোচনা কৰা হয়। উল্লেখ্য যে সন্মিলনৰ নতুন সমিতি গঠন কৰাৰ কথা আছিল যদিও পুৰণা সমিতিখনে বাহাল ৰখা হয়।

## বি এইচ বি মহাবিদ্যালয়ত তথ্য প্ৰযুক্তি বিষয়ৰ প্ৰশিক্ষণ শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ২৩ মাৰ্চ ঃ** কেন্দ্ৰীয় চৰকাৰৰ বৈদ্যুতিন তথা তথ্য-প্ৰযুক্তি মন্ত্ৰণালয়ৰ অধীনত ৰাষ্ট্ৰীয় বৈদ্যুতিন তথা তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠান, গুৱাহাটীয়ে সৰুপেটাৰ বি, এইচ, বি, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত মহাবিদ্যালয়ত আজিৰপৰা চপ্ত মাৰ্চলৈ আয়োজন কৰা এক তথ্যপ্ৰযুক্তি বিষয়ক প্ৰশিক্ষণ শিবিৰৰ আজি আৰম্ভ কৰা হয়। ছাত্ৰ-ছাত্ৰী, মহিলা, কৃষক আৰু জ্যেষ্ঠ লোকসকলৰ বাবে চাৰিটা ভাগত পৃথক পৃথককৈ প্ৰশিক্ষণৰ ব্যৱস্থা থকা এই শিবিৰৰ আয়োজিত এক অনুষ্ঠানত উদ্বোধন কৰে বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীয়ে। উদ্বোধনী ভাষণত তেওঁ কয় যে বৰ্তমান সময়ত জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ম'বাইল ফোনৰ ব্যৱহাৰ হয় আৰু সেয়ে ম'বাইল ফোনৰ সঠিক ব্যৱহাৰ নাজানিলে মানুহে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। মোবাইল ফোনৰ জৰিয়তেই কৃষক বা সাধাৰণ মহিলাসকলে বিভিন্ন চৰকাৰী আঁচনিয়ে আগ বঢ়োৱা সুবিধাসমূহ গ্ৰহণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে মোবাইল ফোনক তেওঁলোকৰ শৈক্ষিক কামৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰে। সেয়ে মোবাইল ফোনৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কে সজাগতা সকলো লোকৰ বাবেই প্ৰয়োজনীয় কথা। ইয়াৰ আগতে আদৰণি ভাষণ দি বি, এইচ, বি, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে কয় যে গ্ৰাম্যাঞ্চলত সীমিত সুযোগৰ মাজত থকা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ডেউকা মেলি উৰাৰ বাবে প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে। শিক্ষাই সমাজৰ সকলো স্তৰৰ লোকৰ উপকাৰত অহাকৈ নিজৰ পথ লক্ষৰ লাগে বুলিও তেওঁ কয়। ৰাষ্ট্ৰীয় বৈদ্যুতিন তথা তথ্যপ্ৰযুক্তি প্ৰতিষ্ঠানৰ জ্যেষ্ঠ কাৰিকৰী বিষয়া ড° সৌৰভ মহন্তই ভাৰত চৰকাৰৰ বৈদ্যুতিন তথা তথ্যপ্ৰযুক্তি মন্ত্ৰঞ্জালয়ৰ উদ্যোগত বিদ্যালয় তথা মহাবিদ্যালয়ৰ জৰিয়তে বিভিন্ন অঞ্চলৰ বিভিন্ন স্তৰৰ মানুহৰ বাবে তথ্যপ্ৰযুক্তি সম্পৰ্কীয়, বিশেষকৈ দৈনন্দিন জীৱনৰ অংশ হৈ পৰা মোবাইল ফোনৰ উপযুক্ত ব্যৱহাৰ, চাইবাৰ অপৰাধ, ই-গভাৰ্নেন্স আদি সম্পৰ্কত সজাগতা সৃষ্টিৰ উদ্দেশ্যে লোৱা বিভিন্ন আঁচনিৰ বিষয়ে চমু আভাস দিয়ে। প্ৰতিষ্ঠানটোৰ আন দুজন জ্যেষ্ঠ কাৰিকৰী বিষয়া সুব্ৰত বৰা আৰু মৃদুল পাঁচনি, ধমধমা আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গৌতম কুমাৰ দাস আৰু আৰ্যভট্ট একাডেমীৰ ৰেক্টৰ কিশোৰ চৌধুৰীয়েও উদ্বোধনী অনুষ্ঠানত বক্তব্য ৰাখে। উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক প্ৰীতি ৰেখা দত্তই। উল্লেখনীয় যে তিনি দিনৰ বাবে চলা এই শিবিৰত আজি ছাত্ৰ-ছাত্ৰীৰ বাবে এদিনীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে মহিলাৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণৰ আৰম্ভণি কৰা হয়। আজি এই শিবিৰত প্ৰায় চাৰিশ মহিলা আৰু চাৰি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

## লালুকত ধপাত, গুটখাৰ কৱলত কণ কণ ছাত্ৰ-ছাত্ৰী

### উদিগ্ন অভিভাৱকঃ ধপাতজাতীয় সামগ্ৰী মুকলিকৈ বিক্ৰী হয় ব্যৱসায়িক প্ৰতিষ্ঠানত

**অগ্ৰদূত বাৰ্তা**

**লালুক, ২৩ মাৰ্চ ঃ** সাম্প্ৰতিক সময়ত চিখৰ, গুটখা আদি ধপাতজাতীয় সামগ্ৰীৰ কৱলত পৰিছে উঠি অহা ছাত্ৰ-ছাত্ৰীসকল। সমান্তৰালভাৱে লালুকতো চিখৰ, গুটখা আদি ধপাতজাতীয় দ্ৰব্যৰ কৰাল গ্ৰাসত সোমাই পৰিছে একাংশ কণ কণ ছাত্ৰ-ছাত্ৰীকে ধৰি উঠি অহা যুৱ প্ৰজন্ম। এই লৈ শংকিত হৈ পৰিছে অভিভাৱক সকলৰ লগতে লালুকৰ সচেতন নাগৰিক। অভিযোগ উঠা অনুসৰি ৰাজ্যিক ধপাত নিয়ন্ত্ৰণ কোষে প্ৰচাৰ চলোৱা ৰাষ্ট্ৰীয় ধপাত নিয়ন্ত্ৰণ আইন ২০০৩ জাৰি কৰা নীতি নিৰ্দেশনাক লালুকৰ একাংশ ব্যৱসায়ীয়ে চৰম ভেঙুচালি কৰিছে। চৰকাৰে ধপাত, গুটখা, চাদা, খৈনী, বিড়ী, চিগাৰেট, পাতচাধা আদি বিক্ৰীৰ ক্ষেত্ৰত কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰাৰ কথা আইনখনত উল্লেখ আছে। ৰাজ্যিক ধপাত নিয়ন্ত্ৰণ কোষে প্ৰচাৰ চলোৱা নিৰ্দেশনাত উল্লেখ কৰিছে যে ভাৰতবৰ্ষত বৰ্তমান ধপাত সেৱনৰ ফলত প্ৰতিবছৰে ১৩ লাখৰ ওপৰৰ লোক ধপাতজনিত ৰোগত আক্ৰান্ত হোৱাৰ লগতে প্ৰতিবছৰে দেশত ৩৫০০ লোক ধপাত জনিত ৰোগত মৃত্যু হয়। এনে ধপাত জাতীয় সামগ্ৰী বিশেষকৈ জৰ্দা, গুটখা, চিগাৰেট, বিড়ী, খৈনী, পাতচাধা, কালাচাধা সেৱনৰ ফলত কৰ্কট, হৃদৰোগ, যক্ষ্মা, মহিলাৰ জৰায়ুজনিত ৰোগকে ধৰি অলেখ ৰোগত লোকসকলে ভোগ কৰিব লাগে বুলি উল্লেখ কৰিছে। এই লৈ ধপাত বিক্ৰীৰ ক্ষেত্ৰত ব্যৱসায়ী সকললৈ কিছু নীতি নিৰ্দেশনা জাৰি কৰিছে। কিন্তু লালুকত এই নীতি নিৰ্দেশনাক ভেঙুচালি কৰি একাংশ ব্যৱসায়ীয়ে সম্পূৰ্ণ মুকলিকৈয়ে ধপাত জাতীয় সকলো সামগ্ৰী বিক্ৰী কৰি অহা দেখা গৈছে। ৰাইজে অভিযোগ কৰা মতে ব্যৱসায়ী সকলে নিজৰ মুনাফা লাভৰ স্বাৰ্থত এনেকৈ মুকলিমূৰীয়াকৈ ধপাত জাতীয় সামগ্ৰী বিক্ৰী কৰি আহিছে। লালুকত জৰ্দা, গুটখা,আদি ধপাতজাতীয় সামগ্ৰীৰ বহু কেইখন পাইকাৰী দুকান আছে। বহুকেইখন পাইকাৰী দুকানৰ মালিকে ব্যৱসায় প্ৰতিষ্ঠানত দুই এপদ সামগ্ৰী ৰখাৰ বিপৰীতে গোপন স্থানত এই সমুহ সামগ্ৰীৰ গুদাম মজুত কৰি ৰখাৰ অভিযোগ দীৰ্ঘ দিন ধৰি উঠি আহিছে । এই পাইকাৰী ব্যৱসায়ী সকলে নিজৰ মুনাফা লাভৰ স্বাৰ্থত কাৰোলৈকে কেৰেপ নকৰি ধপাতজাতীয় সামগ্ৰীৰ ৰমৰমীয়া ব্যৱসায় চলাই যোৱা কাৰ্যৰ বিৰুদ্ধে সকলো সময়তে প্ৰতিবাদ হৈ আহিছে যদিও আজিলৈকে এইসকল ব্যৱসায়ীয়ে কাৰোলৈকে কেৰেপ নকৰি ব্যৱসায় চলাই যোৱা বুলি বহু লোকে মন্তব্য কৰিছে ।

## বিজ্ঞানমনস্ক যাত্ৰাৰ যোৰহাট জিলা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২৩ মাৰ্চ ঃ** বৰ্তমান সময়ত বিজ্ঞানৰ যথেষ্ট উন্নতি হৈছে কিন্তু মানুহৰ মনৰ উন্নতি হোৱা নাই। দেশ তথা ৰাজ্যখনত ২১ শতিকাৰ বিজ্ঞানৰ যুগতো মানুহ এতিয়াও অন্ধবিশ্বাস-কুসংস্কাৰৰ মাজত ডুব গৈ আছে। সেয়েহে এই অন্ধবিশ্বাস-কুসংস্কাৰসমূহ মানুহৰ মনৰ পৰা আঁতৰাবলৈ ৰাজ্যখনত নতুনকৈ জন্ম দিয়া হয় এই বিজ্ঞানমনস্কৰ যাত্ৰাৰ। তাৰ অংশ হিচাপে আজি দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত বিজ্ঞানমনস্ক যাত্ৰাৰ প্ৰথমখন অন্তৰংগ বৈঠক অনুষ্ঠিত সভা পৰিচালনা কৰে লেখক দীপেন কাকতিয়ে। সভাত উপস্থিত থাকে বিশিষ্ট লেখক, কবি ইছমাইল হুছেইনৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰবক্তা যুক্তিবাদী ব্যক্তি ড° কৌশিক দাস আৰু বিজ্ঞানমনস্ক যাত্ৰাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি হামজা চৌধুৰী। সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই বিজ্ঞানমনস্ক যাত্ৰাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক নয়নজ্যোতি ভূঞাই। সমাজত বিজ্ঞানমনস্কতাৰে কেনেদৰে অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে যুঁজ দিব লাগিব সেই বিষয়ে আলোচনা কৰা হয়। লেখক ইছমাইল হুছেইনে কয় যে এই বিজ্ঞানমনস্কৰ যাত্ৰা বৰ কঠিন, বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে এই যাত্ৰা আগবঢ়াব লাগিব। এই সভাত গোলাঘাট মেৰাপানীৰ নৱপ্ৰজন্মৰ প্ৰতিনিধি দেবিকা শইকীয়ায়ো বিজ্ঞানমনস্ক যাত্ৰাৰ বিষয়ে মন্তব্য আগবঢ়ায়। উক্ত সভতেই সৰ্বসন্মতিক্ৰমে ইছমাইল হুছেইন, ড° কৌশিক দাস, প্ৰমোদ মহন্তক উপদেষ্টা মণ্ডলী হিচাপে লৈ দ্বীপেন কাকতিক সভাপতি দিব্যজ্যোতি বৰুৱা আৰু ত্ৰিদীপ দত্তক উপ-সভাপতি, বিদ্যাধৰ কলিতাক সম্পাদক দেৱানন্দ বৰা আৰু সংগীতা বৰঠাকুৰক সহকাৰী সম্পাদক হিচাপে লৈ ১৮জনীয়া এখন যোৰহাট জিলা সমিতি গঠন কৰা হয়।

## তেজপুৰত ডাম্পাৰ জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৩ মাৰ্চ ঃ** তেজপুৰত আজি পৰোৱাৰ উপৰি বৰঘাট আৰু ভোজখোৱা চাপৰিত বন বিভাগৰ অভিযানত অবৈধভাৱে শিল-বালি কঢ়িওৱা তিনিখন ডাম্পাৰ জব্দ কৰা হয়। বিভাগীয় তথ্য অনুসৰি আৰ জে-০৭ জি ডি-৬৮০৮, এ এছ-১২ বি চি-৫৪১৫ আৰু এ এছ-০৯ এ চি-৬৩৭৬ নম্বৰৰ জব্দকৃত ডাম্পাৰকেইখনত তেজপুৰলৈ এই সামগ্ৰীসমূহ কঢ়িয়াই অনা হৈছিল।

## খাৰুপেটীয়াত জুইত জাহ গ'ল দুটাকৈ বাসগৃহ



**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২৩ মাৰ্চ ঃ** দৰঙৰ খাৰুপেটীয়াৰ নিকটৱৰ্তী ঘনশিমুলী গাঁৱত আজি সংঘটিত হয় এক অগ্নিকাণ্ডৰ ঘটনা। ফলত নিমিষতে ভস্মীভূত হয় দুটাকৈ গৃহ। খাৰুপেটীয়া থানাৰ অন্তৰ্গত ঘনশিমুলী গাঁৱৰ দুই নম্বৰ ৱাৰ্ডৰ নুৰ মহম্মদ আৰু আমিৰুল ইছলামৰ ঘৰত জুইৰ সূত্ৰপাত হয়। অগ্নিকাণ্ডৰ ফলত গৃহ দুটাৰ লগতে কে'বা লক্ষাধিক টকাৰ সা-সম্পত্তি, নগদ ধন আৰু বিভিন্ন প্ৰয়োজনীয় নথিপত্ৰ ভস্মীভূত হয়। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই উক্ত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি পৰিয়ালৰ লোকে সন্দৰী কৰিছে। স্থানীয় ৰাইজে পাছত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়।

## শ্ৰদ্ধাঞ্জলি — উদয় শংকৰ কলিতা



সুন্দৰৰ সৰু-বৰ আলিয়েদি বাট বুলি কথাৰে, দাৰ্শনিক তত্ত্ববোধেৰে আৰু স্বকীয় বৈশিষ্ট্যৰে প্ৰতিষ্ঠা লভা উদয় শংকৰ কলিতা মোৰ বাল্য বন্ধু। উদয়ৰ মৃত্যুৰ বাতৰি পাই মৰ্মাহত হৈ জীৱনৰ ওভতনি পথেৰে শৈশৱত প্ৰথম লগ পোৱা মুহূৰ্তৰ কথা মনলৈ আহিছিল। মই ভৰলুমুখ প্ৰাথমিক বুনিয়াদী বিদ্যালয়ৰ খ শ্ৰেণীত নামভৰ্তি কৰি প্ৰথম যিজন ছাত্ৰৰ প্ৰতি আকৃষ্ট হৈছিলো, তেওঁ আছিল উদয় শংকৰ। তেতিয়াৰে পৰাই তেওঁৰ মেধা, বাকপটুতা আৰু বুদ্ধিসম্পন্ন ব্যক্তিত্বৰ উমান পাইছিলো। কালৰ সোঁতত দুয়ো ভিন্নমুখী পথৰ পথচাৰী হ'লেও সততে উদয়ৰ ব্যতিক্ৰমী প্ৰতিভাৰ প্ৰতিফলনৰ খবৰবোৰ পাই আছিলো। জানিছিলো অসম লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাত সুখ্যাতিৰে কৃতকাৰ্য লাভ কৰাৰ কথা। পাছলৈ সময়ৰ সোঁতত বিভিন্ন স্থানত ঘূৰি ফুৰা উদয়ক সততে লগ পোৱাসকলে যদিও সেই ল'ৰালি কালৰ বন্ধুত্ব আৰু ঘনিষ্ঠতাই মনত বিচৰণ কৰিছিল। কেইদিনমান পূৰ্বে উদয় হঠাৎ মোৰ ঘৰত আহি ওলাইছিল। বিভিন্ন কথাৰাজি আৰু স্মৃতি ৰোমন্থনেৰে বহুত কথাই দুয়োৰে মাজত ওলাইছিল। ভাৰতীয় দৰ্শন, গীতা, মনুস্মৃতি আদিৰ বাণীবোৰ সাৱলীল ভাষা আৰু প্ৰাসংগিকতাৰে বৰ্ণনা কৰা দেখি আচৰিত হৈ পৰিছিলো। মনে মনে উপলব্ধি কৰিছিলো বসন মানুহৰ ভূষণ নহয়, গুণবোৰহে ভূষণ। মৃত্যু কিমান বেদনাদায়ক আমি তাৰ উমান পাওঁ তেতিয়াহে যেতিয়া ইয়াৰে নিষ্ঠুৰ আৰু হিমশীতল হাতোৱা আমাৰ অতি আপোনজনৰ ওপৰত পৰে। উদয় শংকৰ মহাকালৰ পৰিযোজনাত বিলীন হৈ গ'লেও তেওঁৰ গুণৰাজিয়ে আমাক নিশ্চয় সততে অনুপ্ৰেৰণা যোগাব। তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ মোৰ গভীৰ সমবেদনা জনালো।

ওঁম শান্তি! ওঁম শান্তি!! ওঁম শান্তি!!!

**বিপ্লৱ কুমাৰ শৰ্মা**

## শিৱসাগৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু দিৱসৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** শিৱসাগৰৰ সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সৌজন্যত, বেজবৰুৱা বংশ সদনৰ উদ্যোগত, পাৰিজাত সংগীত বিদ্যালয় আৰু সাধাৰণ জাতি সুৰক্ষা সন্মিলন অসমৰ সহযোগত অহা ২৬ মাৰ্চ শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু দিৱস উদ্‌যাপনৰ আয়োজন কৰিছে। দিখৌ দলঙৰ সমীপৰ নগৰৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত ৰসৰাজৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি উদ্যোক্তাই কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ লৈছে। দ্বিতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ দুটা শাখাত ছবি অঁকা প্ৰতিযোগিতা, প্ৰথম শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ সাধু কোৱা প্ৰতিযোগিতা, চতুৰ্থ শ্ৰেণীৰ অষ্টম শ্ৰেণীলৈ কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগীসকলে ৭০০২৮৯৬৯০২ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাই অনুৰোধ জনাইছে।

# চৰকাৰে যক্ষ্মা নিৰ্মূলৰ বাবে কাম কৰি আছে ঃ ডাঃ ভট্টাচাৰ্য

### ■ যোৰহাটত বিশ্ব যক্ষ্মা দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৩ মাৰ্চ ঃ** যোৰহাট জিলা যক্ষ্মা বিভাগে যোৰহাট জিলা স্বাস্থ্য সেৱা সমিতিৰ সহযোগত আজি বিশ্ব যক্ষ্মা দিৱস পালন কৰা হয়। যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ পৰা যোৰহাট কাছাৰী মৈদানলৈ উলিওৱা সমদল যাত্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষা ডাঃ পূৰ্ণিমা শইকীয়াই। যক্ষ্মা বিভাগৰ বিজু কামানে আঁত ধৰা সমদল যাত্ৰাৰ আৰম্ভণি অনুষ্ঠানত ডাঃ ভক্তিময় ভট্টাচাৰ্যই মাহজোৰাকৈ যক্ষ্মা দিৱস যোৰহাটত পালন কৰা বুলি কয়। ২৪ মাৰ্চত ভেলেউগুৰি চাহ বাগিচাত এই কাৰ্যসূচীৰ সামৰণি পৰিব বুলি ভাষণত উল্লেখ কৰে। সজাগতা সমদলত যক্ষ্মা বিভাগৰ বিষয়া-কৰ্মচাৰী, যোৰহাট নাৰ্চিং স্কুলৰ শিক্ষাৰ্থীসকল, এনজিঅ' ডক্টৰ্চ ফ'ৰ ইউ, টি আৰ ইণ্টেনডেম, সংকল্প শিখা, সৃষ্টিৰ স'তে জড়িতসকলে সহযোগিতা কৰে। যোৰহাট কাছাৰী মৈদানত অনুষ্ঠিত হোৱা অসম মহোৎসৱস্থলী ৰংগমঞ্চত এই উদ্দেশ্যে অনুষ্ঠিত সভাখন আনুষ্ঠানিকভাৱে আৰম্ভ কৰে যোৰহাটৰ অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মনে। আদৰণি ভাষণত ডাঃ ভক্তিময় ভট্টাচাৰ্যই ২০২৫ত ভাৰতবৰ্ষৰ পৰাই যক্ষ্মা নিৰ্মূল কৰিবলৈ চৰকাৰে কাম-কাজ কৰি থকা বুলি উল্লেখ কৰে। দীপক হাজৰিকা, বিজু কামান, ফাৰমিন লেইলাই আঁত ধৰা অনুষ্ঠানত যোৰহাটত ব্যক্তিগতভাৱে চিকিৎসা সেৱা আগবঢ়োৱা যক্ষ্মা নিৰ্মূলৰ বাবে বিভাগক সহযোগিতা কৰা চিকিৎসক নিপুন কৰ্মকাৰ, স্বাগতা তামুলী, এছ এছ সান্ধু, বিমল সাহা, প্ৰিয়ংকা চাংমাই, বীৰেন দে', জয়ন্ত পাটিৰ, চন্দ্ৰ বৰাক যক্ষ্মা বিভাগৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। জিলা প্ৰতিষেধক বিষয়া মঞ্জুলা হাজৰিকা, জিলা নাৰ্চিং স্কুলৰ কল্পনা বুঢ়াগোহাঁই, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, পোহৰ লাইভৰ সম্পাদকে বক্তব্য আগবঢ়োৱা সভাত যোৰহাট নাৰ্চিং স্কুলৰ শিক্ষাৰ্থীসকলে নৃত্য প্ৰদৰ্শনৰ লগতে একাংকিকা নাটক প্ৰদৰ্শন কৰে। ইণ্টেনডেমৰ হৈ সভানেত্ৰী-সম্পাদকে ডাঃ ভট্টাচাৰ্যক অভিনন্দন জনোৱা অনুষ্ঠানতে যক্ষ্মা বিভাগে বিশ্ব যক্ষ্মা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাত স্থান লাভ কৰা সমুদ্ৰ সাহা, পল্লৱ জৈন, নীহাৰিকা সৰকাৰ, প্ৰীতিৰাজ কমাৰ, অভিজ্ঞান দত্ত, অভিনৱ কৈৰী, কংগনা আগৰৱালা, স্বজল জৈন, স্নেহা চক্ৰৱৰ্তীক মানপত্ৰ প্ৰদানৰ লগতে যোৰহাট জিলাত যক্ষ্মা ৰোগীসকলক চিনাক্তকৰণৰ বাবে জৰীপ কাৰ্যত অংশগ্ৰহণ কৰাসকলক মানপত্ৰ প্ৰদান কৰে।

## লক্ষীপুৰত ড্ৰাগছ জব্দ ঃ এজন আটক

**অগ্ৰদূত বাৰ্তা**

**লক্ষীপুৰ, ২৩ মাৰ্চ ঃ** গোৱালপাৰাৰ লক্ষীপুৰ আজি পুৱা ড্ৰাগছসহ এজন যুৱকক আটক কৰে আৰক্ষীয়ে। আটকাধীন যুৱকজন আকিফুল ইছলাম (২৬)। তেওঁৰ পৰা সন্দেহযুক্ত তিনিটা কণ্টেইনাৰভৰ্তি ব্ৰাউন চুগাৰসহ ১০টা খালী কণ্টেইনাৰ আৰু তিনিটা চিৰিঞ্জ জব্দ কৰে। ধৃত আকিফুলে যোৱা- নিশা ধুবুৰীৰ ফকিৰগঞ্জ থানাৰ মেদেৰটাৰীৰ পৰা সন্দেহযুক্ত ব্ৰাউন চুগাৰখিনি ক্ৰয় কৰি জলেশ্বৰলৈ আনিছিল। আনহাতে, বিশেষ সূত্ৰে লক্ষীপুৰ আৰক্ষীয়ে এই খবৰ পোৱাৰ লগে লগে ইয়াৰ বিৰুদ্ধে অভিযান চলায় । অৱশেষত আজি পুৱা ১০ বজাত লক্ষীপুৰ থানাৰ আৰক্ষী বিষয়া ভীমকান্ত পেগুৰ নেতৃত্বত আৰু জলেশ্বৰ আৰক্ষীৰ সহযোগত জলেশ্বৰৰ পীৰবাৰীত ড্ৰাগছসহ যুৱকজনক হাতে-লোটে আটক কৰিবলৈ সক্ষম হয় । পাছত আৰক্ষীয়ে মাৰাত্মক নিচাযুক্ত সামগ্ৰীখিনি জব্দ কৰাৰ লগতে আকিফুল ইছলামৰ বিৰুদ্ধে লক্ষীপুৰ থানাত এখন গোচৰ ৰুজু কৰে।

## তেজপুৰত ড্ৰাগছৰ ৩৬টা কণ্টেইনাৰসহ এজনক গ্ৰেপ্তাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৩ মাৰ্চ ঃ** যোৱা সময়ছোৱাত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ উপৰি একাধিক এনকাউণ্টাৰো সংঘটিত হোৱা সত্ত্বেও তেজপুৰৰ লগতে শোণিতপুৰৰ বিভিন্ন স্থানত একাংশ ড্ৰাগছ সৰবৰাহকাৰীয়ে ড্ৰাগছ সৰবৰাহ অব্যাহত ৰাখিছে। যোৱা নিশা তেজপুৰৰ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত ৰাজভড়াঁলৰ খালৈবিল অঞ্চলত স্থানীয় বৰঘাট আৰক্ষীয়ে চলোৱা অতৰ্কিত অভিযানত আবুল কাছেম (২৫) নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। অভিযানকাৰী আৰক্ষীৰ দলটোৱে ৩.২০ গ্ৰাম হেৰ'ইনভৰ্তি মুঠ ৩৬টা প্লাষ্টিকৰ কণ্টেইনাৰ কাছেমৰ পৰা জব্দ কৰে। উল্লেখ্য যে প্ৰায় ৩০ হেজাৰ টকা মূল্যৰ এই হেৰ'ইনভৰ্তি কণ্টেইনাৰসমূহ কাছিমে নিজৰ বাসগৃহৰ সমীপৰে মথাউৰিৰ কাষতে থকা জংঘলত লুকুৱাই থৈছিল। নগাঁৱৰ ইক্ৰামুল হুছেইন নামৰ এজন ড্ৰাগছ ব্যৱসায়ীয়ে এই হেৰ'ইন যোগান ধৰিছিল বুলি স্বীকাৰোক্তি দিছে কাছেমে। পেছাত মিস্ত্ৰি আৰু সেই সূত্ৰেই ইক্ৰামুলৰ স'তে চিনাকি হোৱাত ইক্ৰামুলে ড্ৰাগছ ব্যৱসায়ৰ স'তে জড়িত থকাৰ বিষয়ে জানিব পাৰি কাছেমো ইয়াৰ স'তে জড়িত হৈ পৰে। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰা ড্ৰাগছ ব্যৱসায়ৰে জড়িত থকা বুলি কাছেমৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযোগ লাভ কৰিছিল আৰু যোৱা নিশা আৰক্ষীয়ে চলোৱা অভিযানত হাতে-লোটে ধৰা পৰে। উল্লেখ্য যে তেজপুৰৰ বৰঘাট, নপাম, গুদামঘাট আদিত আৰক্ষীয়ে চলোৱা একাধিক ড্ৰাগছবিৰোধী অভিযানত ধৃত অভিযুক্তই নগাঁৱৰ বিভিন্ন অঞ্চলৰ ড্ৰাগছ সৰবৰাহীৰ পৰা ড্ৰাগছ সংগ্ৰহ কৰাৰ বিষয়ে স্বীকাৰোক্তি দিয়াৰ লগতে তেজপুৰৰ ড্ৰাগছ আসক্ত যুৱকক নগাঁৱৰে এনে ড্ৰাগছ ব্যৱসায়ীয়ে হত্যা কৰাৰো ঘটনা সংঘটিত হৈছে। এনেস্থলত যোৱা নিশা পুনৰ তেজপুৰত নগাঁৱৰ পৰাই সংগৃহীত হেৰ'ইন জব্দ হোৱা ঘটনাই নগাঁৱত বৰ্তমানেও ড্ৰাগছ ব্যৱসায়ী তথা সৰবৰাহকাৰী সক্ৰিয় হৈ থকা আৰু ইয়াৰ পৰা তেজপুৰলৈ ড্ৰাগছ সৰবৰাহ অব্যাহত থকাটোকেই প্ৰতীয়মান কৰিছে।

## চাম্পুপাৰাত জব্দ চাৰিখন ট্ৰেক্টৰ, এখন এক্সকেভেটৰ



**আলোপতি, ২৩ মাৰ্চ ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত চাম্পুপাৰাৰ তামুলদিত আজি বন বিভাগৰ অভিযানত চাৰিখন ট্ৰেক্টৰ আৰু এখন এক্সকেভেটৰ জব্দ কৰা হয়। বন বিভাগে জনোৱা মতে, আজি নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয় আৰু বকো বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীৰ যুটীয়া অভিযানত অবৈধ মাটি খনন কাৰ্যত ব্যৱহৃত ট্ৰেক্টৰ চাৰিখনৰ লগতে এক্সকেভেটৰখন জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ বিভিন্ন অঞ্চলত এটা বৃহৎ চক্ৰই অবৈধ মাটি খননৰ লগতে কলহী আৰু জলজলি নদীত শক্তিশালী মেচিন বহুৱাই বালি খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। বিভিন্ন সময়ত এনে অবৈধ মাটি আৰু বালি খননৰ বিৰুদ্ধে একাংশ লোকে নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ত অভিযোগ দিয়াৰ পাছতো কোনো কাৰ্য ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠে। এটা মহলে অভিযোগ কৰা মতে, কাৰ্যালয়টোৰ দুই-এজন কৰ্মচাৰীক মেনেজ কৰি অবাধে চলাই গৈছে এনে অবৈধ ব্যৱসায়। এনে ব্যৱসায় বন্ধ কৰিবলৈ বন বিভাগক অধিক কঠোৰ হ'বলৈ দাবী জনাইছে ৰাইজে।

## পেট্ৰ'ল-ডিজেল-ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে তিনিচুকীয়াত আছুৰ প্ৰতিবাদ

### যোগানমন্ত্ৰী ৰঞ্জিত দাসৰ পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৩ মাৰ্চ ঃ** ৰন্ধন গেছকে ধৰি পেট্ৰ'লজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদেৰে আজি তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাই যোগানমন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পুত্তলিকা দাহ কৰে। তিনিচুকীয়া



মহাবিদ্যালয়ৰ তিনিআলিত সাব্যস্ত কৰা পুত্তলিকা দাহ কাৰ্যসূচীৰ সময়ত 'যোগানমন্ত্ৰী হায় হায়, বিজেপি চৰকাৰ হায় হায়, মূল্যবৃদ্ধি ৰোধ কৰক, আছু লং লিভ' আদি চৰকাৰবিৰোধী শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি উদীপ বৰপাত্ৰ আৰু সাধাৰণ সম্পাদক নয়নজ্যোতি বেজবৰুৱাৰ নেতৃত্বত হোৱা প্ৰতিমূৰ্তি দাহ কাৰ্যসূচীৰ জৰিয়তে যোগানমন্ত্ৰী দাসক ধিক্কাৰ জনোৱাৰ লগতে হৈ যোৱা উত্তৰ প্ৰদেশকে ধৰি চাৰি ৰাজ্যৰ নিৰ্বাচন তথা পৌৰসভাৰ নিৰ্বাচনৰ সময়ত শাসকীয় দলক পুঁজিৰ যোগান ধৰা বণিয়া গোষ্ঠীক সন্তুষ্ট কৰাৰ স্বাৰ্থত ৰন্ধন গেছ তথা পেট্ৰ'লজাত সামগ্ৰীৰ মূল্যবৃদ্ধি বিনাদ্বিধাই মানি লৈছে নেকি বুলি প্ৰশ্ন উত্থাপন কৰে আৰু শীঘ্ৰেই ৰাইজক সকাহ দিয়াৰ বাবে মূল্যবৃদ্ধি ৰোধ কৰিবলৈ দাবী জনায়। প্ৰতিবাদৰ সময়ত তিনিচুকীয়া জিলা আছুৰ সহকাৰী সাধাৰণ সম্পাদক সত্যজিৎ বৰগোহাঁই, শিক্ষা সম্পাদক চেলু হুছেইন, সুৰজ ছেত্ৰীৰ লগতে অৰ্ধশতাধিক আছুকৰ্মী উপস্থিত থাকে।

## আজাৰাত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**


**আজাৰা, ২৩ মাৰ্চ ঃ** আজাৰা ৰেল ষ্টেছনৰ ১৬৫/৩-৪ লাইনৰ মাজত আজি দুপৰীয়া প্ৰায় ১-৩০ বজাত এজন লোকৰ মৃতদেহ উদ্ধাৰ কৰে আজাৰা আৰক্ষীয়ে। আৰক্ষীয়ে সদৰী কৰা অনুসৰি, লোকজনৰ এখন ভৰিৰ ওপৰেৰে ৰেলৰ চকা উঠি যোৱাত ভৰিখন ছিগি যায়। মৃতদেহটো এতিয়ালৈকে চিনাক্ত হোৱা নাই। মৃত লোকজনে বগা জীনচ পেণ্ট আৰু কফি ৰঙৰ ছাৰ্ট পৰিধান কৰিছিল।

## শিক্ষয়িত্ৰী নিৰু চেতিয়াৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** নৱজ্যোতি নামদাং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী তথা জতকীয়া গাঁও নিবাসী নিৰু চেতিয়া (৫৯ৰ ৰ কালি পুৱা পাঁচ বজাত মৃত্যু হয়। দুটি পুত্ৰ সন্তান আৰু স্বামীক এৰি যোৱা শিক্ষয়িত্ৰী গৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পাছতে নৱজ্যোতি নামদাং উচ্চ মাধ্যমিক বিদ্যালয়লৈ নশ্বৰদেহ নি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। আজি তেওঁৰ মৃত্যুত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি লক্ষী সন্দিকৈ, মণ্ডল কংগ্ৰেছৰ সভাপতি সুভাষ বৰগোহাঁই আদিয়ে শোক প্ৰকাশ কৰিছে।

## টিহুৰ ৰণাকুছি-হেলচাপাৰা শ্ৰীশ্ৰীমনসা পূজাত ভক্তৰ লানি নিছিগা সোঁত



**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৩ মাৰ্চ ঃ** শুদ্ধচিত্তে মানস কৰিলে সুফলপ্ৰাপ্তি ঘটে বুলি থকা বহুল জনশ্ৰুতিৰ পৰিপ্ৰেক্ষিততে পৰম্পৰাগতভাৱে প্ৰতিবছৰে হোৱাৰ দৰে এইবেলিও যোৱা ২০ মাৰ্চৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা মনসা পূজাৰ আজি চতুৰ্থ দিনৰ ভৰপূজা উপলক্ষে টিহুৰ ৰণাকুছি-হেলচাপাৰা গাঁৱত অৱস্থিত শক্তিপূজাৰ পীঠ শ্ৰীশ্ৰীমনসা মন্দিৰত ভক্ত দৰ্শনাৰ্থীয়ে এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি কৰিছে। আজি পুৱাৰে পৰা হেলচাপাৰা গাঁওৰ পথ উপ-পথেদি নামনি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা হেজাৰ হোজাৰ ভক্তৰ লানি-নিছিগা সোঁত বয়। হাতে হাতে ধূপ-চাকি-নৈবেদ্য আৰু পাৰ, ছাগলী, কোমোৰা, কঁহিয়াৰ, কচু, কণী আদি লৈ অভিষ্ট মনকামনা পূৰণাৰ্থে শ্ৰীশ্ৰীমনসাৰ পদপদ্মত ভক্তসকলে সশ্ৰদ্ধ প্ৰণিপাত জনাই অৰ্পণ কৰে। আবাল-বৃদ্ধ-বনিতাকে ধৰি সৰ্বস্তৰৰ ভক্তৰ সমাৱেশেৰে আজি হেলচাপাৰা গাঁও এক ভিন্ন গোষ্ঠীৰ জনগণৰ মিলনভূমিত পৰিণত হয়।

## 'মাতৃভাষা, নৱ প্ৰজন্ম-স্বাভিমান' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড় ২৩ মাৰ্চ ঃ** স্নেহবন্ধন, ডি এইচ এছ কানৈ কলেজ, লখিমপুৰ বালিকা মহাবিদ্যালয়, শদিয়া কলেজ, লখিমপুৰ কমাৰ্চ কলেজ, পাৰিজাত একাডেমী আৰু ইউ এছ টি এমৰ উদ্যোগত ২০ মাৰ্চত 'মাতৃভাষা, নৱ প্ৰজন্ম আৰু স্বাভিমান' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা, বিশিষ্ট লেখিকা ড° মনমী বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা স্নেহবন্ধনৰ সাধাৰণ সম্পাদক কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই। স্নেহবন্ধনৰ সভানেত্ৰী তথা অসম সাহিত্য সভাৰ গ্ৰেট ব্ৰিটেইন শাখাৰ সভানেত্ৰী, গ্ৰেট ব্ৰিটেইনৰ লেষ্টাৰ নিৱাসী মঞ্জিৰা চৌধুৰীয়ে সঞ্চালনা কৰা অনুষ্ঠানটি উদ্বোধন কৰে কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাস, অসম শাখাৰ সমন্বয়ক কুসুম বৰা মোকাশীয়ে। উদ্বোধনী ভাষণত মোকাশীয়ে 'মাতৃভাষা, নৱ প্ৰজন্ম আৰু স্বাভিমান' বিষয়টিৰ ওপৰত এক তত্ত্বগধুৰ বক্তব্য প্ৰদান কৰে। মাতৃভাষাক গুৰুত্ব প্ৰদান কৰি তেওঁ কয়— যিহেতু নিজ মাতৃৰ পৰাই সন্তানে মাতৃভাষা আয়ত্ত কৰে, সেয়ে মাতৃক ভাল পোৱাৰ দৰেই মাতৃভাষাকো ভাল পাবলৈ শিকিব লাগে। অনুষ্ঠানটিত পাৰিজাত একাডেমীৰ উত্তম টেৰণে পাৰিজাত একাডেমী গঢ়ি তোলাৰ আঁৰৰ কাহিনীৰ লগতে কেনেদৰে শিক্ষা ব্যৱস্থাক তেওঁ লাহে লাহে আগুৱাই আনি এক উদ্যোগীক পৰ্যায়লৈ গতি কৰালে সেই বিষয়ে ব্যক্ত কৰে। অনুষ্ঠানটিত আন এগৰাকী সমল ব্যক্তি নমিতা নাথে কেনেদৰে তেওঁ অধ্যয়নৰ লগতে সমান্তৰালভাৱে 'এ কে চাইৱালা' নামৰ এখন চাহৰ দোকান খুলি চাহ ব্যৱসায় কৰিছে সেই বিষয়ে অৱগত কৰে। অনুষ্ঠানটিত স্নেহবন্ধনৰ উপ সভানেত্ৰী তথা স্কটলেণ্ড গ্লাছগ' নিৱাসী নিৰলা বৰুৱা, ইউ এছ টি এমৰ সঞ্চালক (প্ৰশাসন) তথা স্নেহবন্ধনৰ উপদেষ্টা ড° বলেন্দ্ৰ কুমাৰ দাস, স্নেহবন্ধনৰ সহকাৰী সম্পাদক তথা দক্ষিণ আফ্ৰিকাৰ প্ৰিটৰিয়াৰ নিৱাসী বিশিষ্ট বিজ্ঞানী ড° মুকুট গোহাঁই, লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিত ভূঞা, শদিয়া কলেজৰ অধ্যক্ষ ড° ভূপেন চুতীয়া, লখিমপুৰ কমাৰ্চ কলেজৰ অধ্যক্ষ ড° লোহিত হাজৰিকা আৰু অধ্যাপিকা কবিতা চৌধুৰীয়ে বিষয়টোৰ ওপৰত মননশীল বক্তব্য প্ৰদান কৰে। অনলাইন মাধ্যমত অনুষ্ঠিত এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে দেশ-বিদেশৰ বহুসংখ্যক গণ্যমান্য ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। শেষত শলাগৰ শৰাই আগবঢ়াই কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকনে।

## অভিযুক্ত মহম্মদ হুছেইনক গুলীওৱা ঘটনাৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা উপায়ুক্তৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৩ মাৰ্চ ঃ** যোৱা ১৮ মাৰ্চৰ নিশা বঙাইগাঁও আৰক্ষী থানাৰ অন্তৰ্গত মাজগাঁৱত আৰক্ষী জিম্মাৰ পৰা পলায়ন কৰিবলৈ চেষ্টা কৰোতে কৰ্তব্যৰত আৰক্ষীয়ে গুলীয়াইছিল সৰবৰহী মহম্মদ হুছেইনক। হুছেইন সোঁভৰিত গুলিবিদ্ধ হৈ আহত হৈছিল। এই সন্দৰ্ভত বঙাইগাঁও আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ৩৫৩/৩৩৩/২২৪/৫১১ ধাৰাৰ অধীনত ১৫৭/২০২২ নম্বৰত গোচৰ এটা ৰুজু কৰা হৈছে। ইফালে, বঙাইগাঁৱৰ আৰক্ষী অধীক্ষকৰ অনুৰোধ মৰ্মে বঙাইগাঁও জিলাৰ জিলা দণ্ডাধীশ ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই এক নিৰ্দেশ মৰ্মে বঙাইগাঁৱৰ সদৰ মহকুমাধিপতি জেনিফাৰ য়াচমিন চৌধুৰীক আৰক্ষীৰ দ্বাৰা অভিযুক্ত হুছেইনক গুলীওৱা ঘটনাৰ তদন্ত কৰিবলৈ দায়িত্ব অৰ্পণ কৰিছে। মহকুমাধিপতি চৌধুৰীক উক্ত ঘটনাৰ তদন্ত কৰি অহা ২৫ মাৰ্চৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

## নিজম পৰিল ডিগাৰু বামুণঘাটৰ বাকৰি ঃ তিৱা মহোৎসৱৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৩ মাৰ্চ ঃ** 'সাম্প্ৰতিক সকলো প্ৰত্যাহ্বান নেওচি তিৱা ভাষা, কৃষ্টি-সংস্কৃতি, পৰম্পৰা অক্ষুণ্ণ ৰাখিব লাগিব। কাৰণ স্বকীয় ভাষা-সংস্কৃতিয়ে এটা জাতিৰ পৰিচয় জীয়াই ৰাখে'— এই মন্তব্য তিৱা সাহিত্য সভাৰ সভাপতি দ্বীপেন্দ্ৰনাথ বৰদলৈৰ। আজি সোণাপুৰৰ নিকটৱৰ্তী ডিগাৰু বামুণঘাটত অনুষ্ঠিত তিৱা মহোৎসৱৰ অন্তিম দিনা মুকলি সভাত অংশগ্ৰহণ কৰি বৰদলৈয়ে তিৱা ভাষা-সংস্কৃতি বিকাশত তিৱা জাতীয় সংগঠনসমূহক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰসংগক্ৰমে পাহাৰৰ তিৱাসকলৰ ভাষাৰ স'তে ভৈয়ামৰ তিৱাসকলৰ ভাষা বৈসাদৃশ্য থকাৰ কথা উল্লেখ কৰি তেওঁ শেহতীয়াকৈ ৰাজ্য চৰকাৰে প্ৰস্তুত কৰা ২০২২ৰ ভাষা নীতি সকলো জাতি-



জনগোষ্ঠীৰ উপযোগী হোৱাকৈ গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনায়। তিৱা মহোৎসৱৰ পৰিচালনা সমিতিৰ সভাপতি স্বপন ৰামদেৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰহ্লাদ মচৰং, প্ৰতিষ্ঠাপক হেমন্ত কুমাৰ দেউৰী, জ্যেষ্ঠ নাগৰিক বশিষ্ঠ মুনি ৰাম দে, বৈকুণ্ঠ নাথ, তিৱা পৰিষদৰ কাৰ্যবাহী সদস্য জবা ইংতি প্ৰমুখ্যে অন্যান্য বিশিষ্ট লোকসকল উপস্থিত থাকে। আনহাতে, মুকলি সভাত মহোৎসৱৰ উপলক্ষে প্ৰকাশ কৰি উলিওৱা 'লাইলুৰি' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে সাহিত্য একাডেমী ভাষা সন্মান বঁটাপ্ৰাপক হৰসিং খলাৰে। একেদৰে মুকলি সভাতে ২০জনৰো অধিক কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক মহোৎসৱ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়ালৈ বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে তিনিদিনীয়াকৈ অনুষ্ঠিত তিৱা মহোৎসৱৰ সামৰণি পৰে।

## অভিজ্ঞতাই জীৱনলৈ পাৰদৰ্শিতা আনে ঃ ড° শইকীয়া

### শিৱসাগৰ প্ৰেছ ক্লাবত 'কুম্ভকৰ্ণৰ আত্মজীৱনী' গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৩ মাৰ্চ ঃ** 'কিতাপ লিখিলেই মানুহৰ মন-মগজু স্পৰ্শ কৰিব বুলি কথা নাই। যদিহে গ্ৰন্থই সমাজ জীৱনৰ সৌন্দৰ্য প্ৰতিফলিত কৰিব নোৱাৰে, সৃষ্টিয়ে মানুহৰ মাজত প্ৰভাৱ পেলাব পাৰিব লাগিব। কেৱল ভাষণেৰে জাতিৰ উন্নতি নহয়, অভিজ্ঞতাপুষ্ট ব্যক্তিসকলে জ্ঞান অন্বেষণৰ জৰিয়তে নতুন প্ৰজন্মক প্ৰভাৱিত কৰিব লাগিব।' আজি শিৱসাগৰ প্ৰেছ ক্লাবত ছবি পৰিচালক, ঔপন্যাসিক ৰবীন চেতিয়াৰ 'কুম্ভকৰ্ণৰ আত্মজীৱনী' উন্মোচন কৰি বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই এইদৰে মন্তব্য আগবঢ়ায়। লেখকৰ স'তে দীৰ্ঘ সময়ৰ সান্নিধ্য-স্মৃতি সুঁৱৰি উপাচাৰ্য ড° শইকীয়াই শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৰাজিৰো চিৰন্তন আবেদনৰ বিষয়ে উল্লেখ কৰে। শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত শিৱসাগৰ প্ৰেছ ক্লাবত আয়োজিত আৰু জিলা সভাৰ সভাপতি যোগ গগৈৰ পৌৰোহিত্যত সম্পাদক সন্তোষ দত্তই আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা উন্মোচনী সভাখনত লেখক ৰবীন চেতিয়াক জিলা সভাৰ উপৰি বেতবাৰী শাখা সাহিত্য সভা, নাজিৰা নাট্য সমাজ, পদ্মা চেতিয়া, নিৰু চেতিয়া, উপেন গগৈ, লক্ষী চাংমাইয়ে অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানটোত কবি প্ৰেম গগৈ, নৰেশ গগৈ, 'চিন্তাজ্যোতি'ৰ সম্পাদক ৰেখামণি বৰা, শিৱসাগৰ প্ৰেছ ক্লাবৰ নৱ-নিৰ্বাচিত সম্পাদক খলিলুৰ ৰহমান হাজৰিকা, জিলা সভাৰ সহকাৰী সম্পাদক মনোজ কুমাৰ গগৈ, 'বাৰ্তা' সম্পাদক হৰেন চন্দ্ৰ নাথ উপস্থিত থাকে।

## কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মহেন্দ্ৰ ৰাজবংশীৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৩ মাৰ্চ ঃ** টিহু মহকুমাৰ অন্তৰ্গত মাখিবাহা নিবাসী কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মহেন্দ্ৰ ৰাজবংশী (৮৬)ৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। ৰাজবংশীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পাছতে বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে আৰু নশ্বৰ দেহত শ্ৰদ্ধা নিবেদনৰ বাবে তেওঁৰ বাসগৃহত উপস্থিত হয়। অতি অমায়িক স্বাভাৱৰ প্ৰয়াত ৰাজবংশী অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক, শৈক্ষিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠান, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন আৰু ডেকাপাৰা সংঘৰ সদস্যসকলে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ সাংবাদিক ৰাতুল ৰাজবংশীসহ দুই পুত্ৰ-বোৱাৰী, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক এৰি যায়।

## লোকে লোকাৰণ্য বাসুগাঁও শ্ৰীশ্ৰীৰাজাঠাকুৰ দৌলোৎসৱৰ সুঁৱৰী মেলা

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ২৩ মাৰ্চ ঃ** ১৮০৬তে স্থাপিত ৰজাদিনীয়া বাসুগাঁও ৰাজাচাৰাঙত অৱস্থিত শ্ৰীশ্ৰীৰাজাঠাকুৰ দৌল দেৱালয়ত অনুষ্ঠিত পঞ্চম দৌলোৎসৱৰ আজিৰ সুঁৱৰী স্থানীয় ভাষাত ছোৱালী উৎসৱত লোকে লোকাৰণ্য পৰিৱেশৰ সৃষ্টি হয়। দিনৰ ১.১৫ মিনিটত ৰাজাঠাকুৰ অৰ্থাৎ শিৱ, পাগলা ঠাকুৰ আৰু পালিচাঁদৰ প্ৰত্বীক যুক্ত গোসাঁই-নিচানৰ উপৰি ভগৱতী অৰ্থাৎ পাৰ্বতী, ৰাধা-কৃষ্ণ সিংহাসনত লৈ ঢোল, তাল শংখ-ঘণ্টা উৰুলিৰ ধ্বনিত দৌৰি দৌৰি ধৰ্মীয় খেল পথাৰত লৈ অহা হয়। তাতে হেজাৰ হেজাৰ ধৰ্মপ্ৰাণ ৰাইজৰ সমবেত হৈ পৰম উলাহেৰে পূজা-মেলা উপভোগ কৰে। হৰেক ৰকমৰ দোকান-পোহাৰ, শিশুসকলৰ খেলনা সা-সামগ্ৰীৰে ভৰপুৰ বৃহৎ মেলাথলীত বীৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি হয়। নানা ৰীতি-নীতি পূজা-পাতলৰ অন্তত বেলি লহিওৱাৰ পূৰ্বে ঢোল, তাল, শংখ-ঘণ্টা, উৰুলিৰ ধ্বনিত পুনৰ প্ৰত্যাগমন কৰা হয়। উল্লেখ্য যে যোৱা ২১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত প্ৰথম দিনা শ্ৰীশ্ৰীৰাজাঠাকুৰ দৌল দেৱালয়ৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ আৰু সন্ধিয়া বন্তি প্ৰজ্বলন আৰু বাৰ্ষিক পূজাৰ অধিবাস সম্পন্ন হয়। দ্বিতীয় দিনা ৰাতিপুৱা বাৰ্ষিক শ্ৰীশ্ৰীপঞ্চমী পূজা, দৰ্শনাৰ্থী ৰাইজৰ সমূহীয়া পূজা অৰ্চনা, আইসকলৰ নাম, সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা নাট্যানুষ্ঠান অনুষ্ঠিত হয়। তৃতীয় দিনা পুৱা সমূহীয়া প্ৰায়চিত্ত আৰু দুপৰীয়া শ্ৰীশ্ৰীৰাজাঠাকুৰ প্ৰভুৰ সুঁৱৰী উৎসৱলৈ গমন আৰু প্ৰত্যাগমনৰ অন্তত নৃত্যানুষ্ঠান অনুষ্ঠিত হয়। এনেদৰে প্ৰৱল উচাহস-উদ্দীপনাৰ মাজেদি চিৰাং জিলাৰ বাসুগাঁও ৰাজাচাৰাঙৰ ২১৬ সংখ্যক বাৰ্ষিকী শ্ৰীশ্ৰীপঞ্চম দৌলোৎসৱৰ সামৰণি পৰে।



## গৌৰীসাগৰত দেৱীদৌল মেৰামতিত নিয়োজিত দুৰ্ঘটনাত পতিত হৈ শ্ৰমিক আহত

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৩ মাৰ্চ ঃ** গৌৰীসাগৰত অৱস্থিত ঐতিহাসিক দেৱীদৌলৰ মেৰামতিত নিয়োজিত দুজনকৈ শ্ৰমিক আজি দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত হয়। শ্ৰমিক দুজনৰ নাম সুৰেন্দ্ৰ ৰাও আৰু বকো ৰাও। দুয়োজন শ্ৰমিকৰ ঘৰ নগাঁও জিলাৰ হোজাইত। তথ্য মতে, কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগৰ অধীনত গৌৰীসাগৰত অৱস্থিত তিনিওটা দলৰ মেৰামতিৰ লগতে সৌন্দৰ্যবৰ্ধনৰ কাম কিছুদিনৰ পৰা চলি আছে। আন দিনাৰ দৰে দুৰ্ঘটনাগ্ৰস্ত শ্ৰমিক দুজনে অস্থায়ী বাঁহৰ ৰেলিঙত উঠি দৌলৰ ওপৰত কাম কৰি থকা অৱস্থাত হঠাতে বাঁহৰ ৰেলিং ভাগি তলত পৰে। দুৰ্ঘটনাগ্ৰস্ত শ্ৰমিক দুজনক ততালিকে উদ্ধাৰ কৰি জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। দুয়োজন শ্ৰমিকে বুকু, হাত, ভৰি আদিত গুৰুতৰভাৱে আঘাত পায়। আনহাতে, কৰ্মৰত শ্ৰমিকসকলৰ নিৰাপত্তাৰ ক্ষেত্ৰত ঠিকাদাৰৰ গাফিলতিৰ বাবেই এনে দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে।






### জজ খেলপথাৰৰ উদ্বোধনী মেচত আই টি বি পিৰ বিৰুদ্ধে গুৱাহাটী টাউন ক্লাব

# আজিৰে পৰা বৰদলৈ ট্ৰফী ফুটবল

**গুৱাহাটী, ২৩ মাৰ্চ ঃ** দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা ৬৮ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাৰ আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিতো অনুষ্ঠিত কৰিছে। কাইলৈ জজ খেলপথাৰত দিনৰ দুই বজাত প্ৰতিযোগিতাখন আনুষ্ঠানিকভাবে মুকলি কৰিব ক্ৰীড়া মন্ত্ৰী বিমল বৰাই। আনহাতে, জজ খেলপথাৰতে তিনি বজাত হ'বলগা উদ্বোধনী মেচত আই টি বি পি দলে খেলিব গুৱাহাটী টাউন ক্লাবৰ বিৰুদ্ধে। উল্লেখ্য যে এইবাৰ প্ৰতিযোগিতাত অংশ লোৱা মুঠ ১৬ টা দলে ২৪ খন লীগ মেচত অংশ ল'ব যদিও বৰদলৈ ট্ৰফী ফুটবলৰ জন্মস্থান গুৱাহাটীত ইয়াৰে মাত্ৰ ছখন খেলহে অনুষ্ঠিত হ'ব। আনহাতে, গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত কেবল এখন মেচহে (ছেমিফাইনেল) অনুষ্ঠিত হ'ব। জজ খেলপথাৰত ছখন লীগ মেচৰ লগতে এখন ছেমিফাইনেল আৰু ৬৮ সংখ্যক বৰদলৈ ট্ৰফী ফুটবলৰ ফাইনেল মেচখনো অনুষ্ঠিত হ'ব বুলি অৱগত কৰিছে আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই। উল্লেখ্য যে গুৱাহাটীত ফুটবল উদ্ধাৰৰ বাবে তথাকথিত আন্দোলন হ'লেও মহানগৰীত যে ফুটবপ্ৰেমী তাকৰ সেয়া বোধগম্য কৰিয়েই বৰদলৈ ট্ৰফীক 'হাইজেক' কৰা হৈছে অন্য চহৰলৈ। এইবাৰ প্ৰতিযোগিতাত অংশ লোৱা মুঠ ১৬ টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ'ৰ চাৰিটা দল গুৱাহাটী টাউন ক্লাব, বিদ্যুৎ পৰিষদ, আই টি বি পি আৰু শিলচৰৰ ইণ্ডিয়া ক্লাবে খেলিব জজ খেলপথাৰত। উল্লেখ্য যে চাৰিটা গ্ৰুপৰ চেম্পিয়ন দলে ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। অহা পহিলা এপ্ৰিলত ছেমিফাইনেল দুখন হোৱাৰ বিপৰীতে তিনি এপ্ৰিলত অনুষ্ঠিত হ'ব ফাইনেল।





## ২৫ বছৰ বয়সতে টেনিছক বিদায় অষ্ট্ৰেলিয়ান সুন্দৰী এছলে বাৰ্টিৰ

**মেলবৰ্ণ, ২৩ মাৰ্চ ঃ** অষ্ট্ৰেলিয়াৰ মহিলা টেনিছ তাৰকা এছলে বাৰ্টিয়ে সকলোকে সচকিত কৰি আজি অৱসৰ ঘোষণা কৰে। উল্লেখ্য যে এছলে বাৰ্টিয়ে ১৩ বছৰ বয়সৰ পৰা টেনিছ আৰম্ভ কৰি বিশ্বৰ মুঠ ১২ টা খিতাপ দখল কৰিবলৈ সক্ষম হৈছে।২০১৯ ত ফ্ৰেন্স অপেন, ২০২১ ত উইম্বলডন আৰু শেহতীয়াকৈ জানুৱাৰীত অষ্ট্ৰেলিয়ান অপেনৰ মহিলা ছিংগল খিতাপ অৰ্জন কৰে । টেনিছ জগতত নিজৰ সুন্দৰ খেল প্ৰদৰ্শনেৰে অনুৰাগীৰ মন জয় কৰি মহিলাৰ ৰেংকিঙত শীৰ্ষস্থান দখল কৰিছিল তেওঁ । এই প্ৰতিভাবান মহান খেলুৱৈ গৰাকীয়ে এক সংবাদমেল যোগে প্ৰেছাদাৰী টেনিছৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰে । এই ঘোষণাই বিশ্ব টেনিছ অনুৰাগীৰ মাজত আলোড়নৰ সৃষ্টি কৰিছে । ইনস্টাগ্ৰাম যোগে অনুৰাগীসকলক অৱসৰৰ কথা জনাই আবেগ প্ৰকাশ কৰে বাৰ্টি । লগতে অনুৰাগীসকলৰ অনুপ্ৰেৰণাক ধন্যবাদ জনায় ।মাত্ৰ ২৫ বছৰ বয়সতে নিজৰ সোণালী জীৱনৰ যাত্ৰা ইতি পেলোৱা কথাটো অনুৰাগীৰ মাজত বিস্ময় হৈ ৰৈছে । বিশ্ব টেনিছ সন্থাইও এক বিবৃতি যোগে বাৰ্টিৰ অৱসৰ কথা ঘোষণা কৰিছে । বাৰ্টিৰ এই সিদ্ধান্ত যদিও ব্যক্তিগত কিন্তু বিশ্ব টেনিছ জগতত ই অবাঞ্চনীয়।

## অসমৰ সৰ্বোচ্চ পাহাৰৰ শিখৰত ট্ৰেকিং-দুঃসাহসিক প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ২৩ মাৰ্চ ঃ** অসম চৰকাৰৰ অধীনস্থ অসম পৰ্বতাৰোহন তথা দুঃসাহসিক ক্ৰীড়ানুষ্ঠানৰ উদ্যোগত ক্ৰীড়া আৰু যুৱকল্যান সঞ্চালকালয়ৰ সহযোগত অসমৰ সমগ্ৰ জিলাক সামৰি এক দুঃসাহসিক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। উল্লেখ্য যে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যান সঞ্চালকালয়ৰ জ্যেষ্ঠ পৰ্বতাৰোহন প্ৰশিক্ষক তথা প্ৰথম অসমীয়া মাউণ্ট এভাৰেষ্ট আৰোহী অসম গৌৰৱ তৰুন শইকীয়াৰ নেতৃত্বত আঠদিন ধৰি চলিবলগীয়া উক্ত শিবিৰটো ডিমাহাচাও জিলাৰ হফলংস্থিত ডাউলাগুফু ষ্টেডিয়াম প্ৰাংগনত শুভাৰম্ভনি কৰা হয়। শুভাৰম্ভনি অনুষ্ঠানত ডিমাহাচাও জিলাৰ সচিব প্ৰধান টি. টি. ডাউলাগুপু, অতিৰিক্ত আয়ুক্ত সচিব আনিচ ৰাচুল মজুমদাৰ আৰু জিলা ক্ৰীড়া বিষয়া জাগিৰ খানকে আদি কৰি কেইজনো ব্যক্তি উপস্থিত থাকে। অসমৰ সৰ্বোচ্চ পাহাৰলৈ ট্ৰেকিং তথা দুঃসাহসিক প্ৰশিক্ষণ শিবিৰটোত ৰাজ্যৰ প্ৰতিখন জিলাৰ পৰা মুঠ ৭১ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে আৰু এই প্ৰশিক্ষণ কাৰ্যসূচীটোত ৯ গৰাকী অভিজ্ঞ তথা উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষকে প্ৰশিক্ষণ আগবঢ়াব। ইতিমধ্যে সমগ্ৰ দলটোৱে ডিমাহাচাও জিলাৰ বৰাইল পৰিসৰত অন্তৰ্গত সাগৰ পৃষ্ঠৰ পৰা ১৮৬৬ মিটাৰ উচ্চতাত অবস্থিত অসমৰ সৰ্বোচ্চ চূড়া থিংটোহ-বোং ট্ৰেকিং সফলতাৰে সম্পন্ন কৰে। ট্ৰেকিং সম্পন্ন কৰি বৰ্তমান দলটোৱে পানিমোৰত অবস্থিত মাইৰংমা ডাওগা কপিলী তিৰ্থ প্ৰাংগনত শিবিৰ কৰিছে। প্ৰশিক্ষণটোৰ দ্বায়িত্বত থকা তৰুণ শইকীয়াই জানিব দিয়া মতে পানিমোৰ অন্তৰ্গত কপিলী শৰস্ৰোতা নৈত তেওঁলোকে প্ৰশিক্ষাৰ্থীসকলক ৰাফটিংৰ উপৰত কিছু কাৰিকৰী তথা মৌলিক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। লগতে দাতিকাষৰীয়া অঞ্চলত হাই-ৰোপ প্ৰশিক্ষণ যেনে- মাংকি ক্ৰ'লীং তথা জীপ লাইনিং, যোমাৰিং আদিৰ উপৰতো প্ৰশিক্ষণ আগবঢ়াব। তাৰোপৰি জিলাখনৰ হকে প্ৰশিক্ষাৰ্থীসকলক বন সংৰক্ষণ, পৰিবেশ প্ৰদুষণৰ সজাগতা আৰু পৰ্যটন বিকাশৰ উপৰতো কিছু আভাস প্ৰদান কৰোৱা হব। সমগ্ৰ প্ৰশিক্ষণ কাৰ্যসূচীতো অহা ২৭ মাৰ্চত সামৰণি পৰিব।

## ৰাজনীতিৰ পথাৰত ভাৰতৰ প্ৰাক্তন ক্ৰিকেটাৰ হৰভজন সিং

**নতুন দিল্লী, ২৩ মাৰ্চ ঃ** বেট-বল এৰি হাতত তুলি ল'লে ঝাড়ু। কেৰিয়াৰৰ দ্বিতীয় ইনিংছ আৰম্ভ হৰভজন সিঙৰ । তাৰেই কুছকাৰাজ এতিয়া পঞ্জাৱত। উল্লেখ্য যে পঞ্জাৱত অহা ৩১ মাৰ্চত পাঁচখন ৰাজ্য সভা আসনৰ নিৰ্বাচন হ'ব।। ইয়াৰে এখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব ভাৰতীয় জাতীয় ক্ৰিকেট দলৰ প্ৰাক্তন স্পীনাৰ হৰভজন সিঙে । আপে হৰভজন সিঙক আদৰণি জনোৱাৰ পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে ।আপ দলৰ বিধায়কৰ সংখ্যাৰ দিশৰ পৰা হৰভজন সিং ৰাজ্যসভা অৰ্থাৎ উচ্চসদনলৈ নিৰ্বাচিত হোৱাটো খাটাং । সেয়া হ'লে এসময়ত ক্ৰিকেট ফিল্ডত ঘূৰ্ণীবলেৰে বহু দুৰ্দান্ত বেটছমেনক মূৰৰ কামোৰণি তোলা হৰভজন সিঙে ৰাজ্যসভাৰ সাংসদ হিচাপে কি ঘূৰ্ণী আৰম্ভ কৰে তালৈ সমগ্ৰ ক্ৰিকেট বিশ্বই নিশ্চয়কৈ লক্ষ্য ৰাখিব । অৱশ্যে ক্ৰিকেটাৰসকল ৰাজনীতিলৈ ঢাপলি মেলাটো কোনো নতুন নিয়ম নহয় । ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক মনচুৰ আলী খান পাতাউদ্দিয়ে কংগ্ৰেছ দলত ,বিশ্ব কাপ জয়ী ভাৰতীয় ক্ৰিকেট দলৰ অলৰাউণ্ডাৰ কীৰ্তি আজাদে বিজেপিত , নৱজিত সিং সিদ্ধুৱে বিজেপিত লগতে পিছত কংগ্ৰেছ , মহম্মদ আজহাৰুদ্দিনে কংগ্ৰেছত আৰু গৌতম গম্ভীৰে বিজেপিত যোগ দিয়াৰ ঘটনা ইতিমধ্যে বহু পুৰণি । ইফালে ৰাজ্য সভালৈ হৰভজনক পঠোৱাৰ উপৰিও পাঞ্জাৱৰ প্ৰস্তাৱিত স্পৰ্টছ বিশ্ববিদ্যালয়ৰ গুৰুদায়িত্ব দায়িত্ব দিয়াৰ সম্ভাৱনা আছে হৰভজনক। অৱশ্যে আপৰ তৰফৰ পৰা এতিয়াও আনুষ্ঠানিক ভাৱে ঘোষণা কৰা হোৱা নাই



। আন্তঃজাতিক ক্ৰিকেটৰ পৰা অৱসৰ ললেও হৰভজন আজিও বিশ্ববাসীৰ প্ৰিয়ভাজন। এতিয়াও বিভিন্ন আন্তঃৰাষ্ট্ৰীয় মেচত ধাৰাভাষ্যকাৰ ৰূপত দেখা পায় হৰভজনক।



## আজিৰে পৰা ৰক্তাভ দত্ত চৌধুৰী উত্তৰ-পূৱ ভাৰত বিদ্যালয় দবা

**গুৱাহাটী, ২৩ মাৰ্চ ঃ** কাইলৈৰ পৰা অহা ২৭ মাৰ্চলৈ অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটীত অনুষ্ঠিত হ'ব নৱম ৰক্তাভ দত্ত চৌধুৰী সোঁৱৰণী উত্তৰ-পূব ভাৰত বিদ্যালয় দবা প্ৰতিযোগিতা। উল্লেখ্য যে সন্মানীয় এই দবা প্ৰতিযোগিতাখন অসম জাতীয় বিদ্যালয় আৰু মাইণ্ড স্পৰ্টছ ফাউণ্ডেশ্যনৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হ'ব। আজি এই বিষয়ে সদৰি কৰি মাইণ্ড স্পৰ্টছ ফাউণ্ডেশ্যনৰ সম্পাদক নয়ন কুমাৰ দত্তই জনাই যে উক্ত দবা প্ৰতিযোগিতাত উত্তৰ-পূৱ ভাৰতৰ সকলো বিদ্যালয়ৰে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে প্ৰতিযোগিতাখন তৃতীয় শ্ৰেণীলৈকে পন গ্ৰুপ আৰু চতুৰ্থ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে থকা তিনিটা গ্ৰুপক একেলগ কৰি মুকলি শাখা হিচাপে গণ্য কৰি এটা ভাগত খেলসমূহ অনুষ্ঠিত কৰা হ'ব। মুকলি শাখাত প্ৰথম স্থানৰ পৰা দশম স্থানপ্ৰাপ্তলৈ পুৰস্কাৰ হিচাপে স্থান অনুযায়ী নগদ ধন আৰু ট্ৰফী প্ৰদান কৰা হ'ব। আনহাতে, ১১-২০ স্থানপ্ৰাপ্তসকলক ট্ৰফী প্ৰদান কৰা হ'ব। লগতে চাৰিটা গ্ৰুপৰ প্ৰতিটো গ্ৰুপৰ প্ৰথম পাঁচগৰাকী শ্ৰেষ্ঠ ছাত্ৰ আৰু তিনিগৰাকী শ্ৰেষ্ঠ ছাত্ৰীৰ বাবে আছুতীয়াকৈ ট্ৰফী প্ৰদান কৰা হ'ব। দুখন শ্ৰেষ্ঠ বিদ্যালয়লৈও বঁটা প্ৰদান কৰা হ'ব। স্মৰ্তব্য যে সৰ্বমুঠ ৫৫ টা পুৰস্কাৰ সম্বলিত এই প্ৰতিযোগিতাখন উত্তৰ-পূৱ ভাৰতৰ বিদ্যালসমূহৰ মাজত এখন আকৰ্ষণীয় প্ৰতিযোগিতা হিচাপে স্বীকৃত হৈ আহিছে। এই প্ৰতিযোগিতাখনৰ লগত সংগতি ৰাখি অহা ২৭ মাৰ্চৰ সামৰণী অনুষ্ঠানত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান কৰাৰ লগতে বিগত বৰ্ষসমূহৰ দৰে এই বছৰো এগৰাকী জ্যেষ্ঠ ক্ৰীড়া সাংবাদিকক মাইণ্ড স্পৰ্টছ ফাউণ্ডেশ্যন আৰু অসম জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হ'ব। আজি এই বিষয়ে অবগত কৰি মাইণ্ড স্পৰ্টছ ফাউণ্ডেশ্যনৰ সম্পাদক নয়ন কুমাৰ দত্তই জনাই যে এইবাৰ তেওঁলোকে দ্য ছেণ্টিনেল কাকতৰ পাৰ্থ চক্ৰৱৰ্তীক সম্বৰ্ধনাৰ বাবে নিৰ্বাচিত কৰিছে। চক্ৰৱৰ্তীক নগদ দহ হেজাৰ টকাসহ এখন মানপত্ৰ দি সন্মানিত কৰা হ'ব। উল্লেখ্য যে এই দবা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈগৰাকীলৈ অসম জাতীয় বিদ্যালয়ৰ পৰা বিগত বৰ্ষবোৰৰ দৰে নগদ দহ হাজাৰ টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হ'ব।






## তৃতীয় টেষ্টত পাকিস্তানৰ বিৰুদ্ধে অগ্ৰগতি অষ্ট্ৰেলিয়াৰ

**লাহোৰ, ২৩ মাৰ্চ ঃ** লাহোৰত চলি থকা অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত তিনিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচত ফলাফল ওলোৱাৰ সম্ভাৱনাই দেখা দিছে। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন টেষ্ট নিৰস ড্ৰ হোৱাৰ পাছত এতিয়া উভয় দলৰ লক্ষ্য তৃতীয় টেষ্ট জয়ৰে শৃংখলা হস্তগত কৰা। কিন্তু লাহোৰৰ উইকেটে জয়ৰ সম্ভাৱনা দিব নে নাই তাক লৈ গুনাগঠা চলি থকাৰ সময়তে আজি তৃতীয় দিনা অষ্ট্ৰেলিয়াই বলিঙত চমকপ্ৰদ প্ৰদৰ্শন কৰি টেষ্টখনত জয়ৰ আশা সজীৱ কৰি তুলিছে। উল্লেখ্য যে কেংগাৰু বাহিনীয়ে ৩৯১ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত আজি তৃতীয় দিনা পাকিস্তানে ২৬৮ ৰাণত প্ৰথম ইনিংছ সামৰে। ফলত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত অগ্ৰগতি অৰ্জন কৰে। উল্লেখ্য যে কালি দ্বিতীয় দিনাৰ খেলৰ অন্তত পাকিস্তানে প্ৰথম ইনিংছত এক উইকেট হেৰুৱাই ৯০ ৰাণ কৰিছিল। আজি ছফিকে ৮১, আজাহাৰে ৭৮ আৰু বাবৰে ৬৭ ৰাণ কৰাৰ বাদে পাকিস্তানৰ বাকী বেটাৰসকল ব্যৰ্থ হয়। অষ্ট্ৰেলিয়াৰ কামিনছে পাঁচটা আৰু ষ্টাৰ্কে চাৰিটা উইকেট দখল কৰে। ইফালে, দিনান্তত অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ ১১ ৰাণ কৰিছে। দলে মুঠ ১৩৪ ৰাণৰ অগ্ৰগতি লৈছে লগতে হাতত আছে ১০ টা উইকেট। উল্লেখ্য যে টেষ্টৰ প্ৰথমদিনা টছত জয়ী হৈ বেটিং কৰা অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত পাঁচ উইকেটত ২৩২ ৰাণ কৰিছিল। কেংগাৰু বাহিনীৰ হৈ উস্মান খাৱাজাই ৯১ আৰু ষ্টিফেন ষ্টিথে ৫৯ ৰাণ কৰাৰ লগতে গ্ৰীনে ৭৯ আৰু কেৰীয়ে ৬৭ ৰাণ কৰে। পাকিস্তানৰ হৈ শ্বাহিন আৰু নাছিমে চাৰিটাকৈ উইকেট পায়।

## আজি কৰৰাত ওদালগুৰিৰ দৈমালু ক্লাবৰ বিৰুদ্ধে ছিলঙৰ অসম ৰাইফলছ

**গুৱাহাটী, ২৩ মাৰ্চ ঃ** কাইলৈৰ পৰা গুৱাহাটীৰ লগতে বাইহাটা চাৰিআলিতো অনুষ্ঠিত হ'ব দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা ৬৮ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফীৰ খেল। উল্লেখ্য যে গ্ৰুপ 'বি'ৰ খেলসমূহ অনুষ্ঠিত হ'ব বাইহাটা চাৰিআলিৰ কৰৰা মিনি ষ্টেডিয়ামত। গ্ৰুপ 'বি'ত থকা দল চাৰিটা হ'ল দিল্লী এফ চি, অসম পুলিছ ব্লুজ, ওদালগুৰিৰ দৈমালু ক্লাব আৰু ছিলঙৰ অসম ৰাইফলছ। কাইলৈ কৰৰা মিনি ষ্টেডিয়ামত হ'বলগা মেচত ওদালগুৰিৰ দৈমালু ক্লাব মুখামুখি হ'ব ছিলঙৰ অসম ৰাইফলছৰ। স্মৰ্তব্য যে এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিতো আয়োজন কৰা হৈছে। গুৱাহাটী আৰু বাইহাটা চাৰিআলিত কাইলৈৰ পৰা প্ৰতিযোগিতাৰ খেল আৰম্ভ হ'ব যদিও চিৰাং আৰু ছিপাঝাৰত বৰদলৈ ট্ৰফী আৰম্ভ হ'ব ২৫ মাৰ্চৰ পৰা। উল্লেখ্য যে চাৰিটা গ্ৰুপৰ চেম্পিয়ন দলে ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ইফালে, আসন্ন গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ 'চি' গ্ৰুপৰ খেল দৰং জিলাত অনুষ্ঠিত হ'ব। দৰঙৰ ঘিলাকুৰিস্থ জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ খেল পথাৰত অহা ২৫ মাৰ্চৰ পৰা অনুষ্ঠিত হ'বলগীয়া ছয়খন খেলৰ সূচী ইতিমধ্যে ঘোষণা কৰা হৈছে। জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ ব্যৱস্থাপনাত আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত চাৰিটা দলৰ মাজত অনুষ্ঠিত হব লগীয়া প্ৰতিযোগিতাৰ ২৫ মাৰ্চত দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল ক্লাৱে তিনিচুকীয়াৰ বডোচা স্পৰ্টছ ক্লাৱৰ বিপক্ষে, ২৬ মাৰ্চত দিল্লীৰ চি আই এছ এফে নাগালেণ্ড পুলিচ দলৰ বিপক্ষে, ২৭ মাৰ্চত অইল ইণ্ডিয়া ফুটবল ক্লাৱে নাগালেণ্ড পুলিচ দলৰ বিপক্ষে, ২৮ মাৰ্চত চি আই এছ এফ দলে বডোচা স্পৰ্টছ ক্লাৱৰ বিপক্ষে, ২৯ মাৰ্চত বডোচা স্পৰ্টছ ক্লাৱে নাগালেণ্ড পুলিচ দলৰ বিপক্ষে আৰু ৩০ মাৰ্চত অইল ইণ্ডিয়া ফুটবল ক্লাৱে চি আই এছ এফৰ বিপক্ষে অৱতীৰ্ণ হ'ব। ইফালে, চিৰাঙত বৰদলৈ ট্ৰফী আৰম্ভ হ'ব ২৫ মাৰ্চৰ পৰা। গ্ৰুপ 'ডি'ৰ মেচসমূহ অনুষ্ঠিত হ'ব চিৰাঙত। ইউনাইটেড চিৰাং এফ চি, নৰ্থ ইষ্ট ইউনাইটেড এফ চি, ছিলং লাজং এফ চি আৰু অসম ৰেজিমেণ্টল চেণ্টাৰে খেলিব চিৰাঙত।


## দীৰ্ঘদিন ক্ৰিকেট নোহোৱাৰ বাবেই পাকিস্তানৰ উইকেটৰ চৰিত্ৰ সলনি হৈছে ঃ ৰামিজ ৰাজা



**লাহোৰ, ২৩ মাৰ্চ ঃ** 'দীৰ্ঘদিন ধৰি পাকিস্তানত ক্ৰিকেট নহোৱাৰ বাবেই উইকেটৰ চৰিত্ৰ স্বাভাৱিকভাবে সলনি হৈছে। এইদিশত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।' এই মন্তব্য পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ অধ্যক্ষ্য ৰামিজ ৰাজাৰ। উল্লেখ্য যে অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত টেষ্ট শৃংখলাত পাকিস্তানে যি উইকেট প্ৰস্তুত কৰিছে সেয়া টেষ্ট মেচৰ বাবে মুঠেও অনুকুল নহয় বুলি বিশেষজ্ঞই মতপোষন কৰিছে। সমালোচনা কৰিছে আই চি চিয়েও। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন টেষ্ট নিৰস ড্ৰ হোৱাৰ পাছতে পাকিস্তান ক্ৰিকেট ব'ৰ্ডক সমালোচনা কৰা হৈছে। কিন্তু লাহোৰত চলি থকা অষ্ট্ৰেলিয়া আৰু পাকিস্তানৰ মাজৰ চলিত তিনিখনীয়া টেষ্ট শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচত ফলাফল ওলোৱাৰ সম্ভাৱনাই দেখা দিছে। উল্লেখ্য যে ইয়াৰপূৰ্বে ৰাৱালপিণ্ডিৰ প্ৰথম টেষ্টত পোনতে বেটিং কৰা পাকিস্তানে প্ৰথম ইনিংছত চাৰি উইকেটত ৪৭৬ ৰাণ কৰাৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছ সামৰে ৪৫৯ ৰাণত। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি পাকিস্তানে কোনো উইকেট নেহেৰুৱাকৈ ২৫২ ৰাণ কৰাত মেচখন ড্ৰ ঘোষণা কৰা হয়। পাঁচ দিনত পতন হয় মাত্ৰ ১৪ টা উইকেটৰ। সেয়ে পাকিস্তানৰ উইকেটক লৈ অসন্তুষ্ট হৈছে আই চি চি। বেটাৰৰ ৰম্যভূমি হোৱা উইকেট বলাৰৰ বাবে বধ্যভূমি হৈ পৰিছে। দ্বিতীয় টেষ্টতো কোনো পৰিবৰ্তন নহ'ল। কৰাচিত হোৱা দ্বিতীয়খন টেষ্ট মেচো ড্ৰৰূপে সমাপ্ত হয়। অষ্ট্ৰেলিয়াই পাকিস্তানৰ সন্মুখত জয়ৰ বাবে ৫০৬ ৰাণ লক্ষ্য দিছিল। প্ৰত্যুত্তৰত এই লক্ষ্য অনুসৰণ কৰি পাকিস্তানে অন্তিম দিনা দ্বিতীয় ইনিংছত সাত উইকেটত ৪৪৩ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰৰূপে সমাপ্ত হয়।

## আই পি এলৰ পূৰ্বে মেক্সৱেলৰ বিবাহ

**মেলবৰ্ণ, ২৩ মাৰ্চ ঃ** ভাৰতৰ জোঁৱাই হ'ল অষ্ট্ৰেলিয়াৰ বিস্ফোৰক বেটাৰ গ্লেন মেক্সৱেল ।উল্লেখ্য যে আই পি এলৰ পূৰ্বে বিবাহ পাশত আৱদ্ধ জনপ্ৰিয় ক্ৰিকেটাৰ গৰাকী । ভাৰতৰ তামিল মূলৰ সুন্দৰী বিনি ৰমন হ'ল মেক্সৱেলৰ জীৱন সংগিনী ।আই পি এলৰ পূৰ্বে দৰাৰ সাজত দেখা গ'ল অষ্ট্ৰেলিয়ান ক্ৰিকেটাৰ গ্লেন মেক্সৱেলক ।এক দীৰ্ঘদিনীয়া প্ৰেমৰ সম্পৰ্কৰ পাছত ভাৰতীয় মূলৰ যুৱতী বিনি ৰমনৰ লগত যুগ্ম জীৱনৰ পাতনি মেলিলে মেক্সৱেলে । বিয়াৰ দিনা ভাৰতীয় পৰম্পৰাগত পোছাক পৰিধান কৰে গ্লেন মেক্সৱেলে। উল্লেখ্য যে বিনি আৰু মেক্সৱেলৰ বিবাহৰ ফটো এতিয়া ছচিয়েল মিডিয়াত খুবেই চৰ্চিত । ইষ্টাগ্ৰামত দুয়োগৰাকী নৱ দম্পতীয়ে বিয়াৰ বিশেষ মুহুৰ্তৰ ফটো শ্বেয়াৰ কৰিছে । শুভাকাংক্ষীয়ে শুভেচ্ছাৰে উপচাই পেলাইছে দুগৰাকীকে ।২০১৩ চনত প্ৰথমবাৰলৈ বিনি আৰু মেক্সৱেলৰ সাক্ষাৎ ঘটিছিল ।২০২০ বৰ্ষত প্ৰেমৰ সম্পৰ্কৰ কথা ৰাজহুৱা কৰিছিল গ্লেন মেক্সৱেলে ।বৰ্তমান মেলবৰ্ণৰ বাসিন্দা বিনি ৰমন এগৰাকী ফাৰ্মাচিষ্ট ।প্ৰখ্যাত ভিক্টৰিয়া কলেজত অধ্যয়ন কৰিছিল বিনি ৰমনে ।উল্লেখ্য যে, কিছুদিনৰ আগতে, এই তাৰকা যুটিৰ বিবাহৰ নিমন্ত্ৰণী পত্ৰখনক লৈ অনুৰাগীৰ মাজত সৃষ্টি হৈছিল ব্যাপক চৰ্চা ।যিহেতু অহা ২৬ মাৰ্চৰ পৰা আৰম্ভ হ'ব আই পি এল । তাৰ প্ৰাকমুহুৰ্তত মেক্সৱেলে জীৱনৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰিলে ।ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু দলৰ হৈ খেলিবলগা মেক্সৱেলে আই পি এলৰ আৰম্ভণিৰ কেইখনমান মেচত হয়তো নেখেলিব ।পিছে এইবাৰ মেক্সৱেলৰ চিনাকী কিছু সুকীয়া ।ভাৰতৰ জোঁৱাই হৈ খেলপথাৰত নামিব মেক্সৱেলে।



## বিলাসনন্দন চ'ৰা



# জাগা বন্দী কৰা মানুহৰ কনফেছন

**আগেয়ে** ভবাই নাছিলো জানে এনে এটা চাকৰিত সোমাব লাগিব বুলি। ছ'ৰী! ভবা নাছিলো নহয়। ভাবিছিলো। কলেজত পঢ়াৰে পৰা এইটোৱে ধান্দা আছিল। এই ধান্দাটোৰ কাৰণে পঢ়া-শুনা বাদ দি দিলো। অৱশ্যে মই পঢ়িবলৈ এৰি পেলোৱা কাৰণে কলেজখনেও বৰ শান্তি পাইছিল। বছৰ বছৰ ধৰি একেটা ক্লাছতে এজন মানুহকনো আৰু কিমান চাই থাকিব! মই পঢ়িবলৈ এৰাৰ দিনাখন লগৰবোৰক হাতে-ভৰিয়ে ধৰি আৰু নিজৰ জেপৰ টকা খৰচ কৰি মোৰ নিজৰেই এখন বিদায় সভা পাতিছিলো। সেই সভাত ছাৰহঁতে মোক বহুত প্ৰশংসা কৰি কৈছিল— 'একেটা ক্লাছতে ৰৈ ৰৈ ই যি অপৰিসীম ধৈৰ্যৰ নমুনা দাঙি ধৰিছিল, সেয়া দেখি আমাৰ ধাৰণা হৈছে ই পলিটিক্সত জইন কৰাটো ভাল হ'ব। কিয়নো পলিটিক্সত জইন কৰি মিনিষ্টাৰ-এমেলে হ'বলৈ যথেষ্ট ধৈৰ্যৰ দৰকাৰ হয়। বছৰ বছৰ ধৰি ই যেনেকৈ এখন বেঞ্চিতে বহি আছিল, এমেলে হৈও ৰাজসভাৰ এখন বেঞ্চিতে বহি থাকিব লাগিব। আৰু যদি মিনিষ্টাৰৰ চাকৰি পাই যায়, তেতিয়াতো আৰু কোনো কথাই নাই। ক'তো যেনেকৈ ই ছাক্‌ছেছ হ'ব পৰা নাই, প্ৰতিটো বিষয়তে ফেইল মৰাৰ যি বহুমূলীয়া অভিজ্ঞতা ইয়াৰ আছে, সেই অভিজ্ঞতাই মিনিষ্ট্ৰী চলোৱাৰ ক্ষেত্ৰত ইয়াক যথেষ্ট সহায় কৰিব।'

সিদিনাখনৰ বিদায় সভাত ছাৰহঁতে কোৱা কথাবোৰেই মোৰ মগজত এনেকৈ গজালি মেলিছে যে আৰু এক ছেকেণ্ডো পলম নকৰাকৈ চিধাই জঁপিয়াই পৰিলো পলিটিক্সত। সৰুৰে পৰা ওচৰৰ পুখুৰীবোৰত জঁপিয়াই জঁপিয়াই সাঁতোৰাৰ অভ্যাস আছিল। কিন্তু পুখুৰীত জঁপিওৱা আৰু পলিটিক্সত জঁপিওৱাৰ মাজত এটা পাৰ্থক্য আছে। পুখুৰীত জঁপিয়াই গা ধুব পাৰি। কিন্তু পলিটিক্সত জঁপিয়ালে গাটো লেতেৰা হয়। পুখুৰীত সাঁতুৰিব পাৰি। পলিটিক্সত সাঁতুৰিব নোৱাৰি, কেৱল জঁপিয়াবহে পাৰি। জঁপিয়াই জঁপিয়াই এটা নৰ্দমাৰ পৰা গৈ আনটো নৰ্দমাত খোজ দিব লাগে। গাটো যিমানে লেতেৰা হয়, সিমানে যে পলিটিক্সত ডিমাণ্ড বাঢ়ে, সেয়া মই লাহে লাহে বুজি উঠিলো আৰু সকলো ক্ষেত্ৰতে নিজকে লেতেৰা কৰি কৰি গৈ থাকিলো। যেতিয়া মূৰৰ পৰা ভৰিলৈকে লেতেৰা হ'লো, তেতিয়াহে গৈ মই টিকট পালো। ইমানদিনে টিকট কাটি ক'তোৱেই সোমোৱা নাছিলো। চিনেমা হলত এনেয়ে সোমাই গৈছিলো,



কাৰো দম নাছিল টিকট চেক কৰিবলৈ। থিয়েটাৰ চাবলৈ সোমাইছিলো উইডাউট টিকট! শচীনহঁতে খেলিবলৈ আহিলে ওচৰৰ গছজোপা বগাই তাৰ ওপৰৰ পৰা চিধাই ষ্টেডিয়ামৰ গেলাৰীত জঁপিয়াই দিছিলো। তেতিয়ালৈকে টিকট কিমান দৰকাৰী বস্তু সেই কথা ভবাই নাছিলো। কিন্তু পলিটিক্সত জঁপিয়াই দেখিলো টিকট এটাৰ কাৰণে কোনে কাৰ ক'ত ধৰিব লগা যে নহয়! এনেকৈ ধৰি-মেলি এদিন টিকট পালো আৰু 'সৰকা বিকাছ'ৰ জহত এমেলেও বনি গ'লো। প্ৰথম দুদিনমান ভাবিলো— বাঃ কি চাকৰিত সোমালো মই। পৰীক্ষাও দিব নালাগে, ইন্টাৰভিউও দিব নালাগে। চিধাচিধি চাকৰি এনে এটা চাকৰি যাৰ গুৰুত্বই বেলেগ। কেইজনমান ছিনিয়ৰে আহি মোক বুজাই দিলে এম এল এৰ কাম কি? তেওঁলোকৰ বুজনি মতে, এম মানে হ'ল মাল। সমষ্টি চলাবলৈ মাল যোগাৰ কৰিব লাগিবই। এল মানে হ'ল লুটন। পলিটিক্সত জঁপিয়াই পৰাৰ পাছত লুটন দিবই লাগিব। এ মানে হ'ল এডভাৰ্টাইজ! ৰজা-মহাৰজাই যিমানেই বেয়া কাম নকৰক কিয়, সেইবোৰক ভাল বুলি এডভাৰ্টাইজ কৰিব লাগে। তিনিওটা কামেই বৰ সুন্দৰকৈ কৰি এজন এক্সপাৰ্ট এম এল এ হ'ম বুলি মোৰ মনত বিশ্বাস জন্মিল। সেই বিশ্বাসকে সাৰোগত কৰি মই আগুৱাবলৈ ট্ৰাই মাৰিলো। ট্ৰাই মাৰি দেখো নাই, ক'তো চান্স নাই। মাল আমাৰ হাতত আহি নপৰে, মন্ত্ৰী-মহামন্ত্ৰীৰ অফিচতে ভাগ-বাটোৱাৰা হৈ যায়। লুটন দিয়াৰ কোনো চান্সেই নাই। কিবা কাম কৰিবলৈ দিলেহে লুটন দিব পাৰি। আমাৰ একো কাম নাই বুলি অলৰেডি প্ৰচাৰ কৰি দিয়া হৈছে। গতিকে হাতলৈ কামো নাহে, লুটনো দিব নোৱাৰি। আৰু লক্ষ লক্ষ টকা খৰ্চা কৰি এডভাৰ্টাইজ মাৰিয়ে থকা হৈছে। আমি এডভাৰ্টাইজ কৰালৈকে কোনেও বাট চাই নাথাকে। গতিকে আমাৰ এতিয়া একো গুৰুত্বই নাই। কামৰ ভিতৰত এতিয়া কাম তিনিটা। এম মানে হ'ল মালিচ। দুই-এক মন্ত্ৰী-মহামন্ত্ৰীক 'পাৰিলে চান্স এটা দিয়ক' বুলি মালিচ কৰা। এল মানে হ'ল লগত যোৱা। মানে মন্ত্ৰী-মহামন্ত্ৰীৰ লগত যোৱা। আৰু এ মানে হ'ল এনেয়ে থকা। এতিয়াহে বুজিলো যে আমাৰ চাকৰিটো আচলতে জে বি এমহে! জাগা বন্দী কৰা মানুহ।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# এটা যুগৰ পাছতো সম্পূৰ্ণ নহ'ল ৪৫০০ কোটিটকীয়া গুৱাহাটী পানী যোগান আঁচনি


## ■ চাৰিখন অভিলাষী আঁচনিৰ পৰা মাত্ৰ পাঁচ শতাংশ লোকেহে লাভ কৰিছে পানী ■ মন্থৰ গতিত চলি থকা আঁচনিৰ কাম কাজ তদাৰক কৰি আছে বাংলাদেশত প্ৰৱঞ্চনা কৰা বিতৰ্কিত কঞ্চালটেন্সিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ মাৰ্চ ঃ** '২০০৯তে আৰম্ভ হোৱা ৪৫০০ কোটিটকীয়া গুৱাহাটী পানীযোগান আঁচনিৰ কাম আজিও সম্পূৰ্ণ নহ'ল। ইয়াৰ আঁৰত আছে বৃহৎ কেলেংকাৰি।' এই অভিযোগ গুৱাহাটীৰ সচেতন নাগৰিকৰ। আজি গুৱাহাটী প্ৰেছ ক্লাবত সচেতন নাগৰিকৰ এটা প্ৰতিনিধি দলে আয়োজন কৰা এখন সংবাদমেলত এই অভিযোগ উত্থাপন কৰে অভিজিত মজুমদাৰে।

তেওঁ পুনৰ কয় , '২০০৯ ত চৰকাৰে চাৰিখন খোৱা পানীৰ বৃহৎ অভিলাষী আঁচনি প্ৰস্তুত কৰে। দক্ষিণ-পশ্চিম, দক্ষিণ-মধ্য, দক্ষিণ-পূব আৰু উত্তৰ গুৱাহাটী নামেৰে চাৰিটা ভাগত বিভক্ত কৰি আঁচনি প্ৰস্তুত কৰে । ১০৭ এম এল ডি'ৰ দক্ষিণ-পশ্চিম পানীযোগান আঁচনিৰ কাম ২০০৯ত আৰম্ভ হৈছিল। ই সম্পূৰ্ণ হোৱাৰ সময়সীমা আছিল ২০১২ত। এই আঁচনিৰ বাবে ৩৯৮ কোটি টকা পুঁজি মুকলি কৰা হৈছিল। কিন্তু আজিলৈ এই আঁচনিৰ কাম শেষ নহ'ল । তেনেদৰে ১৯১ এম এল ডি'ৰ পানীযোগান আঁচনিৰ বাবে ১৪০০ কোটি টকাৰ পুঁজি মুকলি কৰা হৈছিল। ২০১১ত আৰম্ভ হোৱা আঁচনিৰ কাম ২০১৬ত সম্পূৰ্ণ হ'ব লাগিছিল যদিও আজিলৈ নহ'ল।' তেওঁ পুনৰ কয়, 'সেইদৰে ৯৭ এম এল ডি আৰু ৩৭ এম এল ডি'ৰ ক্ৰমে দক্ষিণ-পূব আৰু উত্তৰ গুৱাহাটী পানী যোগান আঁচনিৰ কাম ২০১৮ আৰু ২০১৬ ত সম্পূৰ্ণ হ'ব লাগিছিল যদিও আজিলৈ নহ'ল।' তেওঁ পুনৰ কয় যে দক্ষিণ-পশ্চিম আৰু দক্ষিণ-পূব পানী যোগান আঁচনিৰ কাম ইতিমধ্যে পুঁজিৰ অভাৱত বন্ধ হৈছে। দক্ষিণ-পশ্চিম পানী যোগান আঁচনিৰ কাম চৰকাৰে ৯৫ শতাংশ সম্পূৰ্ণ হোৱা বুলি উল্লেখ কৰিছে যদিও সেয়া সম্পূৰ্ণ মিছা। ইতিমধ্যে গেমন ইণ্ডিয়াই ইয়াৰ মেৰামতি তথা অৱশিষ্ট কাম সম্পূৰ্ণ কৰিবলৈ অতিৰিক্ত ১৩৫ কোটি টকাৰ প্ৰয়োজন হ'ব বুলি বিভাগক ১৬ বাৰকৈ পত্ৰ প্ৰেৰণ কৰি অৱগত কৰিছে। পুনৰ যোৱা মাহত এখন পত্ৰৰে আৰু ৫১ কোটি অৰ্থাৎ মুঠ ১৮৬ কোটিৰ প্ৰয়োজন হ'ব বুলি গেমন ইণ্ডিয়াই জনাইছে। ইতিমধ্যে আৱণ্টন দিয়া ৪৫০০ কোটি টকা গ'ল ক'লৈ বুলি মজুমদাৰে প্ৰশ্ন উত্থাপন কৰি সেই হিচাপ গুৱাহাটীবাসীক দিব লাগিব বুলি কয়। সংবাদমেলত পানী যোগান আঁচনিৰ কাম ইচ্ছাকৃতভাৱে সম্পূৰ্ণ কৰা নাই বুলি অভিযোগ উত্থাপন কৰি মজুমদাৰে কয়, 'আঁচনিৰ কাম সম্পূৰ্ণ নোহোৱাৰ আঁৰত আছে বৃহৎ কেলেংকাৰি। বৰ্তমান গুৱাহাটী মহানগৰীত গঢ়ি উঠিছে বহু ব্যক্তিগত খণ্ডৰ পানীযোগান প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানসমূহে মহানগৰবাসীক অধিক মূল্যত পানী যোগান ধৰি আহিছে। পানী যোগান আঁচনি সম্পূৰ্ণ হ'লে এইবোৰ প্ৰতিষ্ঠানে বৃহৎ লোকচানৰ সন্মুখীন হ'ব। এই প্ৰতিষ্ঠানৰ স্বাৰ্থত এক বৃহৎ অংকৰ লেনদেনৰ বিনিময়ত চৰকাৰ তথা সংশ্লিষ্ট বিভাগে এই আঁচনি সম্পূৰ্ণ হ'বলৈ দিয়া নাই।'

সংবাদমেলত অসম নগৰীয় পানী যোগান আৰু পয়-প্ৰণালী ব'ৰ্ডৰ অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা সত্যব্ৰত শৰ্মাই কয়, 'এটা যুগৰ পাছত মাত্ৰ পাঁচ শতাংশ লোককহে এই আঁচনিয়ে পানী যোগান ধৰিবলৈ সক্ষম হৈছে। আঁচনিৰ কাম মন্থৰ গতিত চলি থকাৰ বিপৰীতে দুখন আঁচনিৰ কাম সম্পূৰ্ণৰূপে বন্ধ হৈ আছে । ইয়াৰ একমাত্ৰ কাৰণ হৈছে 'মেনপাৱাৰ'। জিএমডিএ'ৰ এজনো দক্ষ অভিযন্তা, ঠিকাদাৰ নাই। ভাড়াত অনা অভিযন্তা-ঠিকাদাৰৰ জৰিয়তে পানী যোগান আঁচনিৰ কাম কৰি আছে । তাতোকৈ আশ্চৰ্যৰ বিষয় হৈছে বৰ্তমান পানী যোগান আঁচনিৰ সকলো কাম তদাৰকৰ দায়িত্ব দিছে এটা ভুৱা কঞ্চালটেন্সিক, যি পূৰ্বতে ব্লেক লিষ্টেড আছিল । এনজেএছ ইঞ্জিনীয়াৰ্ছ প্ৰজেক্ট মেনেজমেণ্ট কঞ্চালটেন্সি নামৰ এই অনুষ্ঠানটোৱে বাংলাদেশত প্ৰৱঞ্চনা কৰি বিতৰ্কত সোমাই পৰিছিল। তেনে এটা অনুষ্ঠানৰ হাতত এতিয়া গুৱাহাটী পানী যোগান আঁচনি। এনে পৰিস্থিতিত গুৱাহাটীবাসীয়ে কেতিয়াকৈ পানী যোগান আঁচনিৰ পানী লাভ কৰিব সেয়া চৰকাৰে স্পষ্ট কৰক।

# ৰাষ্ট্ৰীয় পৰ্যায়ত দুৰ্দান্ত নৃত্য প্ৰদৰ্শনেৰে উজলিছে গোগামুখৰ কন্যা আপ্লুন পেগু



**গোগামুখ, ২৩ মাৰ্চ ঃ** ধেমাজি জিলাৰ অন্তৰ্গত গোগামুখৰ কচুতলি গাঁৱৰ আপ্লুনে আঠ বছৰ বয়সতে মুগ্ধ কৰিবলৈ সক্ষম হৈছে ৰাষ্ট্ৰীয় টেলিভিছন জি টি ভি ৰিয়েলিটিং শ্ব' ডান্স লিটিল মাষ্টাৰত টপ ১৫ৰ বিচাৰকসকলৰ। ককাক-আইতাকে লালন পালন কৰা আপ্লুন আক্ৰান্ত হৈছে হৃদৰোগত। জন্মৰে পৰা হৃদৰোগত আক্ৰান্ত আপ্লুনক মাত্ৰ তিনি মাহতে পিতৃয়ে এৰি থৈ যায়, পাছত পুনৰ মিলন হয় যদিও ককাক-আইতাকে বহু কষ্টৰে ডাঙৰ দীঘল কৰে আপ্লুনক। সকলো ধৰণৰ বাধাক প্ৰত্যাহ্বান জনাই নৃত্য প্ৰদৰ্শনেৰে জিলিকি উঠা আপ্লুনৰ আইতাকে বিচাৰিছে সকলোৰে সহায়। আপ্লুনেও অসমৰ নাম জিলিকাবলৈ বিচাৰিছে সহায়। আঠ বছৰীয়া কণমানিজনীয়ে ৰিয়েলিটি শ্ব' টপ ১৫ত উত্তীৰ্ণ হয়। কণমানিজনীৰ কৰুণ কাহিনীৰ বিষয়ে জানি চকুলো নিগৰিল অভিনেতা জেকি শ্ৰফৰ। তেওঁ শলাগ লয় ককাকৰ। ককাকে বিচাৰকসকলক বিৱৰি কয় যে আপ্লুনৰ হৃদৰোগৰ অস্ত্ৰোপচাৰৰ বাবে কলকাতালৈ যাব লাগিব যাৰ বাবে প্ৰায় পাঁচ-ছয় লক্ষাধিক টকাৰ প্ৰয়োজন। টকা যোগাৰ কৰিব নোৱৰাৰ বাবে বৰ্তমানলৈ অস্ত্ৰোপচাৰ কৰা হোৱা নাই। চিকিৎসকৰ পৰামৰ্শ অনুসৰি ব্যায়াম কৰি থাকিলে সুস্থ হৈ থাকিব বুলি কোৱাত আপ্লুনক নৃত্য প্ৰদৰ্শনৰ বাবে আকৃষ্ট কৰে ককাক-আইতাকে। বৰ্তমান কণমানিজনীয়ে নৃত্য প্ৰদৰ্শনৰ মাজেৰে উজলি উঠিছে ৰাষ্ট্ৰীয় দৰবাৰত।



**ৰাজ্যৰ ৬০ খন মহাবিদ্যালয়ৰ অধ্যক্ষ পুনৰ ঘূৰি যাব লাগিব পূৰ্বৰ পদলৈ ঃ উৎকণ্ঠাৰ সৃষ্টি**

# পাঁচ বছৰীয়া কাৰ্যকাল অন্ত পৰো পৰো

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৩ মাৰ্চ ঃ** ৰাজ্যৰ মহাবিদ্যালয়ত পাঁচবছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি দিয়া অধ্যক্ষৰ কাৰ্যকালৰ সমাপ্তিক কেন্দ্ৰ কৰি একাংশ এনে অধ্যক্ষৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্দিষ্ট সময়ৰ বাবে ৰাজ্য চৰকাৰে নিযুক্তি দিয়া এইসকল অধ্যক্ষৰ কাৰ্যকাল অন্ত পৰাৰ পাছত পুনৰ পূৰ্বৰ কৰ্মৰত মহাবিদ্যালয়লৈ অধ্যাপকৰ পদত উভতি গৈ যোগদান কৰিব লাগিব। এই বিষয়ত এইসকল অধ্যক্ষৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ প্ৰায় ৬০ খন মহাবিদ্যালয়ত এনে অধ্যক্ষ ৰাজ্য চৰকাৰে নিযুক্তি দিয়াৰ পাছত ইয়াৰে একাংশ অধ্যক্ষৰ কাৰ্যকালৰ অন্ত পৰিবলৈ আৰু বেছি দিন নাই যদিও এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে এইসকল অধ্যক্ষৰ কাৰ্যকাল বৃদ্ধি অথবা তেওঁলোকৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া এতিয়াও স্পষ্ট নকৰাত স্বাভাৱিকতে এইসকল অধ্যক্ষৰ মাজত চৰম উৎকণ্ঠাৰ সৃষ্টি হৈছে। আনকি এনে পাঁচ বছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি লাভ কৰা একাংশ অধ্যক্ষই চাকৰি কালৰ অৱসৰৰ প্ৰাক্‌ক্ষণত অধ্যক্ষৰ পদ এৰিব লগা হোৱা বিষয়টোক লৈ এতিয়া শৈক্ষিক মহলৰ মাজতো বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাজ্যৰ শিক্ষা বিভাগে ২০১৮ত নিযুক্তি আৰম্ভ কৰা এই পাঁচ বছৰীয়া কাৰ্যকালৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত প্ৰথমে নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ড° সুৰজিৎ কুমাৰ ভাগৱতীয়ে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত ড° জিতু বৰগোহাঞিয়ে নিযুক্তি লাভ কৰিছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত এই পাঁচ বছৰীয়া কাৰ্যকালৰ অধ্যক্ষৰূপে ৰাজ্যৰ প্ৰায় ৬০ খন মহাবিদ্যালয়ত ৰাজ্যৰ শিক্ষা বিভাগে অধ্যক্ষ নিযুক্তি দিয়ে। স্থায়ী অধ্যক্ষৰ বিপৰীতে পাঁচ বছৰীয়া নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিযুক্তি দিয়া এই অধ্যক্ষসকলৰ একাংশৰ অহা বৰ্ষত কাৰ্যকাল অন্ত পৰিব যদিও শিক্ষা বিভাগে এই ক্ষেত্ৰত এতিয়া কোনো নতুন নিৰ্দেশনা জাৰি নকৰাত চৰম অনিশ্চয়তাত ভুগিছে এইসকল অধ্যক্ষই। ইতিমধ্যে বিষয়টোৰ ক্ষেত্ৰত ৰাজ্যৰ শিক্ষামন্ত্ৰী, শিক্ষা উপদেষ্টা আৰু শিক্ষা বিভাগৰ লগত এইসকল অধ্যক্ষই যোগাযোগ কৰিছে যদিও বিষয়টো অমীমাংসিত হৈ আছে।

# ডবকাত আধাতে স্থগিত নাহিদৰ সংগীতানুষ্ঠান

**হঠাৎ সংগীতৰ মঞ্চত আৰক্ষী-চিআৰপিএফ ঃ উচ্চ স্বৰত লাউড স্পিকাৰৰ ব্যৱহাৰ**



**অগ্ৰদূতবাৰ্তা**
**যমুনামুখ, ২৩ মাৰ্চ ঃ** হোজাই জিলাৰ ডবকা হাজী আনফৰ আলী কলেজত আজি নৱাগত আদৰণি সভা আৰু সাংস্কৃতিক অনুষ্ঠানত সংঘটিত হয় এক অপ্ৰীতিকৰ পৰিস্থিতি। সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ জনোৱা হৈছিল জনপ্ৰিয় সংগীত শিল্পী নাহিদ আফ্ৰিনক। নাহিদৰ অনুষ্ঠান উপভোগ কৰিবলৈ পুৱাৰে পৰা ছাত্ৰ-ছাত্ৰীৰ মনত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছিল। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৱেশ ঘটিছিল কলেজৰ অনুষ্ঠানত। দিনৰ দুই বজাৰ পৰা কলেজ চৌহদত অনুষ্ঠিত হয় নাহিদৰ সংগীতানুষ্ঠান। ইতিমধ্যে তিনিটা মান গানো পৰিৱেশন কৰে শিল্পীগৰাকীয়ে। অনুষ্ঠানত সুকলমে চলি থকাৰ মাজতে হঠাৎ মঞ্চত প্ৰৱেশ ঘটিল ডবকা আৰক্ষী আৰু বিশাল চিআৰপিএফ বাহিনীৰ। লগে লগে বন্ধ হ'ল সুকলমে চলি থকা নাহিদৰ সংগীতৰ অনুষ্ঠান। উল্লেখ্য যে, নাহিদৰ সংগীতানুষ্ঠানৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনৰ পৰা কলেজ কৰ্তৃপক্ষই সম্পূৰ্ণ অনুমতি পৰ্যন্ত লৈছিল। লগতে সংগীতৰ শব্দই যাতে কোনো ধৰণৰ ব্যাঘাত জন্মাব নোৱাৰে, তাৰ প্ৰতিও লক্ষ্য ৰখা হৈছিল। ইপিনে ডবকা আৰক্ষীয়ে সংবাদমাধ্যমক জনোৱা মতে কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ স্বৰত নাহিদৰ গীত শুনিব বিচাৰিছিল। কিন্তু আৰক্ষীৰ ফালৰ পৰা বাৰে বাৰে মানা কৰাৰ পাছতো তেওঁলোকে নমনাত আৰক্ষীয়ে অনুষ্ঠান বন্ধ কৰিবলৈ বাধ্য হয়। প্ৰশাসনৰ পৰা কলেজ কৰ্তৃপক্ষই অনুষ্ঠান পতাৰ অনুমতি লৈছিল যদিও লাউড স্পীকাৰৰ অনুমতি লোৱা নাছিল বুলি আৰক্ষীয়ে সদৰী কৰিছে। স্মৰ্তব্য যে ২৫ মাৰ্চ ২০১৭ত হোজাই জিলাৰ উদালীত 'নাহিদ মিউজিকেল নাইট' নামৰ এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। সেই অনুষ্ঠানকো লৈ এচাম লোকৰ বিৰোধৰ সন্মুখীন হৈছিল শিল্পী নাহিদ। আজি নাহিদৰ সংগীতানুষ্ঠান চলি থকাৰ সময়ত হঠাৎ আৰক্ষী আৰু চিআৰপিএফে মঞ্চত গৈ শিল্পী গৰাকীৰ অনুষ্ঠান ভংগ কৰে। ইয়াকে কেন্দ্ৰ কৰি ডবকাৰ সচেতন লোকৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নাহিদৰ সাংস্কৃতিক অনুষ্ঠানটোক বিধি-পথালি দিয়া কাণ্ডত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সময়ত শিল্পীগৰাকীয়ে ডবকাৰ মানুহ, ছাত্ৰ সমাজৰ আতিথ্যত মুগ্ধ হোৱা বুলি উল্লেখ কৰে। লগতে আজিৰ অনুষ্ঠানটো আধাতে ভংগ হোৱা প্ৰসংগৰ পৰা আঁতৰি থাকিব খুজিলেও শিল্পীগৰাকীয়ে কয়, 'এই বিষয়ে মই একো নাজানো, কমিটিৰ মানুহে বিতংকৈ জানিব।'

# কাৰ্বি জনগোষ্ঠীৰ স্বকীয় ভাষা-সাহিত্যৰ ধ্বজাবাহক কাৰ্বি লামেট আমেইৰ অধিবেশন

**বিশেষ সংবাদদাতা**
**খেৰণি, ২৩ মাৰ্চ ঃ** আৰম্ভ হ'ল কাৰ্বি জনগোষ্ঠীৰ স্বকীয় ভাষা-সাহিত্যৰ ধ্বজাবাহক কাৰ্বি লামেট আমেই অৰ্থাৎ কাৰ্বি সাহিত্য সভাৰ ৩০ সংখ্যক অধিবেশন। পশ্চিম কাৰ্বি আংলঙৰ ডংকা ছাৰপ'ত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উলহ-মালহেৰে আয়োজন কৰা অধিবেশনত আজিৰ দিনটোত শান্তিপূৰ্ণভাৱে অধিবেশন আয়োজনৰ কাম সম্পূৰ্ণ কৰাৰ লগতে দেশ তথা ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰৰ পৰা অংশ ল'বলৈ অহা প্ৰতিনিধিসকলক অভ্যৰ্থনা সমিতিয়ে আদৰণি জনায় অধিবেশনলৈ। আনহাতে, অধিবেশনত বিভিন্ন প্ৰান্তৰ থলুৱা উৎপাদিত সা-সামগ্ৰী লৈ ব্যৱসায়ীসকলে বিক্ৰীৰ বাবে অস্থায়ীভাৱে স্থাপন কৰা বিপণীসমূহক সজাই-পৰাই তোলা পৰিলক্ষিত হৈছে। সমান্তৰালকৈ কাৰ্বি পৰিষদৰ অধীনত থকা চৰকাৰী বিভাগসমূহেও তেওঁলোকৰ উৎপাদিত আৰু তৈয়াৰী সামগ্ৰীসমূহ বিক্ৰী বা প্ৰদৰ্শনীৰ বাবে সাজু কৰা পৰিলক্ষিত হৈছে। কাইলৈ পুৱা প্ৰথমে কাৰ্বি লামেট আমেইৰ পতাকা উত্তোলন কৰাৰ লগতে বৰ্ণিল শোভাযাত্ৰা আদিৰে আৰম্ভ কৰিব। দ্বিতীয় দিনৰ কাৰ্যসূচী লগতে আবেলি অধিবেশনৰ আয়োজক সমিতিয়ে আয়োজন কৰা মুকলি সভাত বিভিন্ন প্ৰান্তৰ প্ৰতিনিধি, বিভিন্ন ভাষা, সাহিত্যৰ সাহিত্যিকসকল, ছাত্ৰ সংগঠনৰ লোক, বুদ্ধিজীৱীসকলে অংশগ্ৰহণ কৰাৰ বিপৰীতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙো উপস্থিত থাকিব।

# বিলপাৰত আদ্যাশক্তি মহামায়াৰ দশম বাৰ্ষিক উৎসৱত ভক্তৰ ভিৰ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৩ মাৰ্চ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰ গাঁৱৰ পশ্চিম চুবুৰিৰ পুৰণপুখুৰীপাৰস্থিত আদ্যাশক্তি মহামায়া মন্দিৰত আজি দিনজোৰা বৰ্ণিল কাৰ্যসূচীৰে 'আদ্যাশক্তি মহামায়া'ৰ দশম বাৰ্ষিক উৎসৱ অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে সমাজসেৱক তথা ভাৰতীয় সঞ্চাৰ নিগম লিমিটেডৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰতুল ডেকাই। বৃক্ষৰোপণ কৰে ক্ৰমে গলিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গিৰিন্দ্ৰ কাশ্যপ, ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি মৃদুল কলিতা আৰু দৈনিক জনমভূমিৰ প্ৰচলন প্ৰবন্ধক পৰেশ কলিতাই খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে বড়িগোগ বনভাগ অ' বি চি মৰ্চাৰ উপ-সভাপতি দ্বীজেন দাসে।

আদ্যাশক্তি মা মহামায়াৰ হোমযজ্ঞ অনুষ্ঠান আৰম্ভ হোৱাৰ পাছত দুপৰীয়া ধৰ্মীয় শোভাযাত্ৰা উদ্বোধন কৰে ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মাই। স্থানীয় আয়তীৰ নাম পৰিবেশনৰ পাছতে সমূহীয়া ভোগ বিতৰণ কৰা হয়। ইয়াৰ পাছতে সন্ধিয়া বন্তি প্ৰজ্বলন অনুষ্ঠান। পাছত কৃতিমান শিক্ষাৰ্থীৰ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। বঁটা বিতৰণী অনুষ্ঠানৰ অন্তত লোকগীত পৰিৱেশন কৰে অনাতাঁৰ শিল্পী পৰমানন্দ ৰাজবংশী আৰু কেশৱ কলিতাই। নাগাৰা পৰিবেশন অনুষ্ঠান উদ্বোধন কৰে ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকাই। নাগাৰা নামৰ বিশিষ্ট পাঠিকাদ্বয় ক্ৰমে ভূপালী কলিতা, গাতিয়ান (নলবাৰী) আৰু চয়নিকা দাস বৰকুকুৰীয়া (কামৰূপ) নাগাৰা নাম পৰিবেশন কৰে।




# শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়ত সাংসদ পল্লৱলোচনৰ চেম্বাৰ!

## কংগ্ৰেছৰ প্ৰশ্ন শোণিতপুৰৰ উপায়ুক্ত কোন?

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৩ মাৰ্চঃ** তেজপুৰস্থিত শোণিতপুৰৰ উপায়ুক্তৰ কাৰ্যালয়ত শেহতীয়াকৈ তেজপুৰ সংসদীয় সমষ্টিৰ সাংসদ পল্লৱলোচন দাসৰ নামত এটা চেম্বাৰ আৱন্টিত হোৱাক লৈ বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে এই উপায়ুক্ত কাৰ্যালয়ত ইয়াৰ পূৰ্বে কোনো সাংসদৰ নামত এনে চেম্বাৰ নাছিল। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ এটা কক্ষৰ দুৱাৰত সাংসদৰূপে পল্লৱলোচনৰ নাম ফলক আঁৰাৰ লগতে ইয়াৰ ভিতৰত এ চি, কম্পিউটাৰ, চোফা, টেবুল-চকীৰ ব্যৱস্থা কৰা হৈছে। সাংসদজনৰ নামত এখন জিলাৰ মূল প্ৰশাসনীয় চৰকাৰী কাৰ্যালয়ত এনেদৰে কোঠা আৱন্টনৰ পাছতেই বিভিন্নজনে সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এইখন চৰকাৰৰ কাৰ্যকালত সকলো সম্ভৱ বুলি মন্তব্য কৰাৰ উপৰি একাংশই আনকি উপায়ুক্তই কাৰ নিৰ্দেশত চলে বুলিও প্ৰশ্ন কৰিছে। ইপিনে সাংসদজনৰ সমৰ্থকে আকৌ সাংসদে সাংসদৰ স্থানীয় অঞ্চল আঁচনিৰ নিৰ্দেশনা অনুসৰি উপায়ুক্ত কাৰ্যালয়ত স্থানীয় অঞ্চল উন্নয়ন আঁচনিৰ সুবিধা কেন্দ্ৰ স্থাপন কৰিব পাৰে বুলি যুক্তি প্ৰদৰ্শনৰ বিপৰীতে তেজপুৰৰ সাংসদজনৰ নাম ফলকত কিন্তু ঘূণাক্ষৰেও সেইটো সুবিধা কেন্দ্ৰ বুলি উল্লেখ কৰা নাই। সাংসদজনৰ নামফলক আৰু পদৰ বিষয়ে উল্লেখ থকা ফলকখনে সেইটো তেজপুৰত সাংসদজনৰ কাৰ্যালয় কক্ষৰ দৰেহে ইংগিত দিয়া বুলি একাধিকে মন্তব্য কৰাৰ বিপৰীতে শোণিতপুৰ জিলা কংগ্ৰেছৰ একাংশ নেতাই বিষয়টো সন্দৰ্ভত সাংসদজনক শোণিতপুৰৰ দ্বিতীয় উপায়ুক্ত বুলি কটাক্ষ কৰি এনে কাৰ্যক নিয়মবহিৰ্ভূত বুলি আখ্যা দি এনে ব্যৱস্থা আন সকলো বিধায়ক, সাংসদ তথা মন্ত্ৰীৰ ক্ষেত্ৰতো কৰা হ'ব নেকি বুলিও প্ৰশ্ন কৰিছে।

# ঐতিহ্যমণ্ডিত দেহাৰকুছি মনসাপীঠৰ শ শ বছৰীয়া পুৰণি গছ



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৩ মাৰ্চ ঃ** নলবাৰী জিলাৰ অন্তৰ্গত দেহাৰকুছি গাঁৱত অৱস্থিত মনসা মন্দিৰৰ এডাল শ শ বছৰ পুৰণি হিদেলী গছক লৈ ৰাইজৰ মাজত আজি চৰ্চা হৈ আছে। পীঠখনৰ কাষতে আছে হিদেলি গছজোপা। স্থানীয় ৰাইজে উল্লেখ কৰা মতে, শ শ বছৰ পূৰ্বৰ পৰা অঞ্চলটোৰ সভ্যতা সংস্কৃতিৰ স্মৃতি বহন কৰি আছে উক্ত গছজোপাই। উক্ত গছৰ গুৰিত কেতিয়াৰ পৰা পূজা অৰ্চনা আৰম্ভ হৈছিল সেই বিষয়ে বিশেষ তথ্য পোৱা নাযায়। প্ৰবাদ অনুসৰি এই গছজোপাৰ আছে সুকীয়া বৈশিষ্ট্য। গছডালৰ কোনোবাই যদি ডাল বা পাতৰ ক্ষতিসাধন কৰে তেতিয়া সেই লোকজন নৰিয়াত পৰে। পীঠখনৰ পৰিচালনা সমিতিৰ সভাপতি শৈলেন শৰ্মা আৰু মন্দিৰ নিৰ্মাণ সমিতিৰ প্ৰাক্তন সম্পাদক মনোৰঞ্জন শৰ্মাই এই সন্দৰ্ভত কয় যে গছজোপাৰ ক্ষতি কৰা বহুতো লোকে যন্ত্ৰণা ভোগ কৰা উদাহৰণ যথেষ্ট আছে। ইয়াৰ ভিতৰত মন্দিৰ নিৰ্মাণ কৰি থকা ৰাজমিস্ত্ৰীজনে তেওঁৰ সুবিধাৰ বাবে এটা ডাল কটাৰ পাছত নিশাৰে পৰা চকুৰ অসুখত ভুগিবলগীয়া হৈছিল। ইয়াৰ পাছতে মিস্ত্ৰীজনে মন্দিৰত নৈবেদ্য আৰু ধূপ-চাকি জ্বলাই সেৱা কৰাৰ পাছতে ৰোগৰ পৰা উপশম লাভ কৰিছিল। কালক্ৰমত গছজোপাক এজোপা আঁহত গছে আৱৰি পূৰ্বৰ সৌন্দৰ্য কিছু পৰিমাণে ম্লান কৰা বুলি তেওঁলোকে কয়। উল্লেখ্য যে উক্ত থানখনৰ সন্মুখত থকা পুখুৰীটোক লৈয়ো বিভিন্ন কাহিনী শুনিবলৈ পোৱা যায়।

উক্ত থানখন কেতিয়া কোনে স্থাপন কৰিছিল তাক সঠিককৈ কোৱা টান যদিও গাঁওখনৰ একাংশ বয়োজ্যেষ্ঠ নাগৰিকৰ মতে, আহোম ৰজাৰ পৃষ্ঠপোষকতাতে স্থাপন হৈছিল। মাত্ৰ স্থানৰ পৰিবৰ্তন হোৱা বুলি ৰাইজৰ মাজত আজিও চৰ্চা হৈ আছে। উল্লেখ্য যে বৰ্তমানৰ ঠাইখিনিত গাঁওখনৰে আয়ুৰ্বেদিক চিকিৎসাৰে 'ওজা' নামে জনপ্ৰিয় কালিকান্ত শৰ্মাই এটি টিনপাত আৰু কাঠৰে গৃহ নিৰ্মাণ কৰিছিল। দীৰ্ঘদিন ধৰি ৰাইজে উক্ত গৃহতে উপাসনা কৰিছিল। অৱশ্যে বানবিধ্বস্ত অঞ্চলটোৰ উক্ত গৃহটো কালক্ৰমত ভাঙিছিল। তাৰ পাছত ৰাইজে টিনৰ চালি এখন নিৰ্মাণ কৰি নিতৌ পূজা উপাসনা অব্যাহত ৰাখে। আনহাতে, উক্ত থানত ঘৰ নিৰ্মাণকৰ্তা শৰ্মাৰ পৰিয়াল আৰু গাঁৱৰে কাশীনাথ শৰ্মাৰ পৰিয়ালে বছৰে বছৰে শাওণৰ কৃষ্ণ পঞ্চমী তিথিত নাগপঞ্চমী পূজা কৰিছিল। ইয়াৰ পাছতে গাওঁবাসীয়ে উদ্যোগ লৈ এটি মন্দিৰ নিৰ্মাণ কৰে। বিগত ১৯৯৭ৰ পৰা উক্ত পীঠত ৰাজহুৱা শ্ৰীশ্ৰীনাগপঞ্চমী পূজা অনুষ্ঠিত হৈ আহিছে। উক্ত পীঠখনৰ পৰিসৰ বৃদ্ধি হ'বলৈ ধৰিছে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com